
জানুয়ারী/১৯৮৮

# সমকালীন মার্ক্সবাদ



OKDISCD

ঃ আলোচনী পঞ্জীয়নকৰণৰ বাবে আবেদনৰ ঘোষণা পত্ৰ ঃ

| | | |
|---|---|---|
| আলোচনীৰ নাম | ঃ | সমকালীন মাৰ্ক্সবাদ |
| কি ভাষাত প্ৰকাশিত | ঃ | অসমীয়া |
| প্ৰকাশৰ কাল | ঃ | দুমাহ |
| প্ৰতিখন আলোচনীৰ দাম | ঃ | পাঁচ টকা মাত্ৰ |
| প্ৰকাশকৰ নাম | ঃ | শ্ৰীপ্ৰবীৰ বৰঠাকুৰ |
| জাতীয়তা | ঃ | ভাৰতীয় |
| মুদ্ৰকৰ নাম | ঃ | শ্ৰীপ্ৰবীৰ বৰঠাকুৰ |
| মুদ্ৰণ | ঃ | লাৱণ্য আৰ্ট প্ৰেছ, ভূতনাথ, গুৱাহাটী-৯, ডিচেম্বৰ, ১৯৮৭ ত |
| সম্পাদকৰ নাম | ঃ | শ্ৰীপ্ৰবীৰ বৰঠাকুৰ |
| ,, জাতীয়তা | ঃ | ভাৰতীয় |
| ,, ঠিকনা | ঃ | ভূতনাথ গুৱাহাটী-৯ |
| স্বত্বাধীকাৰ | ঃ | শ্ৰীপ্ৰবীৰ বৰঠাকুৰ |
| বাতৰি কাকত নে আলোচনী | ঃ | আলোচনী |

মই, শ্ৰীপ্ৰবীৰ বৰঠাকুৰে ঘোষণা কৰিছো যে সমকালীন মাৰ্ক্সবাদৰ প্ৰকাশক, মুদ্ৰক আৰু অন্যান্য বিষয় সম্পৰ্কে ইয়াত সন্নিবিষ্ট কৰা সমস্ত তথ্য মোৰ সম্পূৰ্ণ জ্ঞান-বিশ্বাসত শুদ্ধ।

স্বাক্ষৰ ঃ—শ্ৰীপ্ৰবীৰ বৰঠাকুৰ
তাৰিখ ঃ- ১৯ ডিচেম্বৰ, ১৯৮৭

# সমকালীন মাৰ্ক্সবাদ

প্ৰথম বছৰ ● তৃতীয় সংখ্যা ● জানুৱাৰী, ১৯৮৮

এই সংখ্যাত আছে


সহৃদয় পাঠক! .... ২
প্ৰয়াত হেমাঙ্গ বিশ্বাসৰ কবিতা .... ৩
স্বাগতম্, ১৯৮৮! .... ৫
কিছুৰ শব্দ ০ শিখামণি বৰুৱা .... ৯
বিপ্লৱী বীৰ ভগৎ সিং আজিও যুৱ-শক্তিৰ আদৰ্শ ব্যক্তি ০ প্ৰকাশ বেজবৰুৱা .... ১০
ভাৰতৰ ৰাজহুৱা খণ্ড: এটি প্ৰাথমিক মূল্যায়ণ ০ বিদ্যুৎ বৰুৱা ... ১৬
দাছ কেপিটেল অধ্যয়ন ০ ব্ৰজকিশোৰ শইকীয়া ... ২৭
অসমৰ কৃষিৰ সামাজিক বিবৰ্ত্তন ০ মনমোহন দাস .... ৪০
সমাজবাদী তত্ত্ব আৰু অগ্ৰগতি ০ সমীক্ষক .... ৫০
মাৰ্ক্সবাদৰ এটি মৌলিক নীতি ০ দলিল .... ৫৩
অসমৰ ৰাজনৈতিক ঘটনা প্ৰবাহ দিলীপ বৰা .... ৫৫
শ্ৰদ্ধাঞ্জলী ০ কমল শৰ্ম্মাৰ বিয়োগত .... ৬৬
থাপনাৰ বন্তী আৰু সূৰ্য্যমাৰ্কা লেম্পটো ০ প্ৰমোদ কুমাৰ দত্ত ... ৬৭
বিশ্ব পুঁজিবাদ কোন পথে? ০ সঞ্জয় ... ৭২
বিহাৰৰ বহ্নিমান শস্যক্ষেত্ৰৰ সংবাদ ০ অজিত চৌধুৰী .... ৭৬
নাৰী— ১৯৮৭ ৰ পোৰ্ট্ৰেইট - ৮০
সমৰ সেন ০ বেটুপাতৰ তৃতীয় পিঠি
এক যুবকৰ স্বগতোক্তি ০ দিলীপ হুছেইন ০ ০ ০ বেটুপাতৰ শেষ পিঠি—


OKDISCD

সহৃদয় পাঠক,

নৱবৰ্ষৰ সম্ভাষণ জনাইছোঁ। সমকালীন মাৰ্ক্সবাদৰ তৃতীয় সংকলনটো নতুন বছৰৰ প্ৰথম দিনটোতে আপোনালোকৰ হাতত তুলি দিব পৰাত নিজকে কৃতাৰ্থ মানিছো।

সদ্য-বিগত বছৰটো বিভিন্ন দিশৰ পৰা এটা তাৎপৰ্য্যপূৰ্ণ বছৰ আছিল বুলি আমাৰ ধাৰণা। বছৰটোৰ মৰ্ম্মবস্তু যথাসাধ্যে প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰা হৈছে। পিছে এই সংখ্যাটো আমি দুই বছৰৰ নিভৃত আলাপ হিচাবে সজাইছোঁ। সেয়েহে দুটা বছৰৰ ঐতিহাসিক যোগসূত্ৰ বিচাৰি চোৰাত আমি অধিক গুৰুত্ব দিছোঁ। সমাজতান্ত্ৰিক মানদণ্ড (socialist standard) ত আমাৰ কষ্ট কিমান সফল হৈছে তাক বিচাৰ কৰিব আপোনালোকে। কঠিণতা আৰু দুৰ্ব্বোধ্যতাৰ বাবে নিশ্চয় আমাৰ সাধনাৰ অসম্পূৰ্ণতাই দায়ী; কিন্তু বিষয়বস্তুত বাস্তৱৰ ৰুঢ়তা আৰু কঠোৰতা বাদ দি সৰল, মধুময় ৰূপটো প্ৰকাশ কৰাৰ প্ৰলোভন, তাৰ মানে জনপ্ৰিয়তা সৰ্ব্বস্ব উপস্থাপনা পৰিহাৰ কৰিবলৈ আমি সচেতন ভাৱেই চেষ্টা কৰিছোঁ; আমাৰ উদ্দেশ্য বাস্তৱৰ পৰা অব্যাহতি দি পাঠকক আছন্ন কৰা নহয়, পাঠকৰ স্নায়ুত চাপ দিয়াটোহে আমাৰ বিনম্ৰ প্ৰয়াস। আমি ভুল কৰিছো জানো?

কিন্তু আমাৰ প্ৰয়াস অব্যাহত ৰখাৰ বাবে বৈষয়ীক চৰ্চ্চৰ অভাৱ বৰকৈ অনুভূত হৈছে। আলোচনীখন উলিওৱাটো পীড়াদায়ক প্ৰক্ৰিয়া হিচাবে আমি প্ৰাৰম্ভতে বৰণ কৰি লৈছোঁ। তথাপি অনাটন আৰু সংকট দুৰ্ব্বহ হৈ পৰিছে—যাৰ সমাধানো আপোনালোকৰ ওপৰতে নিৰ্ভৰ কৰিছে। আপুনি কেনেকৈ আমাক সহায় কৰিব পাৰে?

ক] অন্ততঃ পাঁচ কপিকৈ আলোচনী বিক্ৰি কৰি;
খ] অন্ততঃ পাঁচজন বছেৰেকীয়া গ্ৰাহক কৰি;
গ] নতুন এজেণ্ট বিক্ৰেতাৰ লগত যোগা যোগ কৰি দি;
ঘ] আমাৰ পৃষ্ঠপোষক কাৰ্ড এখন ১০০ টকা অথবা ৫০ টকাত ক্ৰয় কৰি।

এইখিনি কেৱল অৰ্থকৰী সহায়। অন্য ধৰণৰ সহায় সম্পৰ্কে ইতিপূৰ্ব্বে আমি লিখিছোৱেই।

এই সংখ্যাৰ ত্ৰুটি-বিচ্যুতি আমাৰ দৃষ্টিগোচৰ কৰে যেন। আপোনাৰ পৰামৰ্শ আৰু অভিমতেই আমাৰ পৰম বাঞ্চনীয় আত্মীক সাৰথি।

লাৱণ্য আৰ্ট প্ৰেছৰ কৰ্ম্মী বৃন্দ, বেটুপাতৰ শিল্পী ধনঞ্জয় শৰ্ম্মা আৰু আমাৰ এজেণ্ট/বিক্ৰেতা সকলক কৃতজ্ঞতা জনালোঁ।

সমূহ পাঠকলৈ প্ৰণিপাত জনাই এইবাৰলৈ সামৰিছোঁ।

ভৱদীয়—
**প্ৰবীৰ বৰঠাকুৰ**
সম্পাদক/প্ৰকাশক
২৮ ডিচেম্বৰ, ১৯৮৭

হেমাঙ্গ বিশ্বাসৰ কবিতা—

# নাম তাৰ কমৰেড ৰত্নেশ্বৰ ৰাভা

দেখিছানে কেতিয়াবা
কলিঙ্গৰ—কোনাৰকৰ ক'লা পেগোদা?
কালৰ বিস্ময়—
—মৌন পথাৰৰ বাঙ্ময়তা
শত শত শতিকাৰ আৰহ সঙ্গীত।
মই—কিন্তু দেখিলো সিদিনা!
বকো পাহাৰত গ্ৰেনাইট শিলৰ বুকুফালি
—শিপা মেলি থিয় হোৱা শালগছ জোপা।
অনেক ধুমুহা আৰু বা-মাৰলীয়ে
অজস্ৰ—বজ্ৰপাতে—কত ভূঁইকপে
জোকাৰি—জোকাই গুচি গ'ল,
তথাপিতো—নলৰিল
দৃপ্ত, শান্ত, দিগন্তপ্ৰসাৰী—সেই শালগছজোপা।
যুগৰ—বিস্ময়।
একথা আদিম মাটি বাপটি সাহোন
আন্ধাৰৰ জোনাকীৰ চাকিৰে উজ্বলাই শিলৰ পঁজাটি,
প্ৰাগঐতিহাসিক কোনো হাবিত উপজি,
কুৰি শতিকাৰ এই নীলা আকাশলে
অগণন পাত্তৰ শৰাই।
ডালে ডালে বনৰ পখীৰ পুৱাৰ উৰুলি
বতাহত গীতৰ কঁপনি,
তথাপিও এই পাহাৰত উচ্ছেদৰ অনন্ত চক্ৰান্ত।
গৰাখহনীয়া, তাতোকৈয়ো ভয়ঙ্কৰ মাটি মহাজন,
বলীয়া হাতীৰ পাল আহে
শুৱত মেৰাই তাৰ উচ্ছেদ নটিছ।
আলফুল কেচুৰা কুঁহিটি,
টানি ছিঙি গচকি মোহাৰি,
কৈ' যায় এই মাটিত তোৰ আৰু অধিকাৰ নাই। সিপিঠিত

OKDISCD

তথাপিতো থিয় মুৰ দোঁ খোৱা নাই,
বিক্ষত ডালে ডালে পুনু গজে অগণন পাত
পুনু শুনো তাত পখীৰ উৰুলি।
মই দেখি অহা এক যুগৰ বিস্ময়
গ্ৰেনাইট শিলৰ বুকু ফালি থিয় দিয়া
অভ্ৰভেদী সীমান্ত প্ৰহৰী সেই শাল গছ জোপা,
মুখত দেখিছো তাৰ দাৰিদ্ৰৰ চেকা,
চকুত জিলিকি উঠে ভবিষ্যৰ আভা,
নাম তাৰ কমৰেড ৰত্নেশ্বৰ ৰাভা।

(প্ৰয়াত হেমাঙ্গ বিশ্বাসলৈ গভীৰ শ্ৰদ্ধাঞ্জলীৰে তেখেতৰ এই অবিস্মৰণীয় কবিতাৰ পুনৰ মুদ্ৰণ কৰিলো— সম্পাদক, স. মা.)

নৱেম্বৰত গণ-শিল্পী হেমাঙ্গ বিশ্বাস ঢুকাল। তেখেত আছিল কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত গঢ়ি উঠা ভাৰতৰ প্ৰগতিশীল সাংস্কৃতিক আন্দোলনৰ অন্যতম মূল স্তম্ভ। ইতিহাসে তেখেতৰ অমূল্য সৃষ্টিৰাশি আৰু সাংগঠনিক প্ৰতিভাৰ লগতে মনত ৰাখিব তেখেতৰ ব্যক্তি-জীৱনকো—যি প্ৰতিফলিত কৰিছিল এক বৈপ্লৱীক জীৱনাদৰ্শ, জন-সাধাৰণ আৰু গণতান্ত্ৰিক বিপ্লৱৰ প্ৰতি থকা গভীৰ দায়বদ্ধতা আৰু আস্থা। 'সমকালীন মাৰ্ক্সবাদে' এইজনা মহান শিল্পী—সংগ্ৰামীৰ বিয়োগত গভীৰ দুখ প্ৰকাশ কৰিছে।

## সম্পাদকীয়

# স্বাগতম্, ১৯৮৮!

মহান ৰুছ বিপ্লৱৰ সেই অবিস্মৰণীয় দিনটো অৰ্থাৎ ৬ নৱেম্বৰত বোম্বাইৰ ওচৰৰ অম্বৰনাথত শ্ৰমিক শ্ৰেণীৰ সৰ্ব্বভাৰতীয় অভিবৰ্ত্তন এখন অনুষ্ঠিত হৈ গ'ল। অভিবৰ্ত্তনৰ লক্ষ্য আছিল ভাৰতৰ ট্ৰেড্ ইউনিয়ন আন্দোলনক বিপ্লৱী দিক্‌নিৰ্দ্দেশনা প্ৰদান কৰা আৰু বিকল্প ট্ৰেড্ ইউনিয়ন কেন্দ্ৰ হিচাবে এক সৰ্ব্বভাৰতীয় ফেডাৰেশ্যন গঢ়ি তোলাৰ যাৱতীয় প্ৰস্তুতিৰ সূত্ৰপাত কৰা। দেশজুৰি সম্প্ৰতি যি ৰাজ্যৰ—বিৰোধী মনোভাৱ আৰু ৰাজনৈতিক অৱস্থা গঢ় লৈ উঠিছে—তাত শ্ৰমিক শ্ৰেণীৰ কেন্দ্ৰীয় ভূমিকা সাব্যস্ত কৰা আৰু নতুন স্তৰৰ ট্ৰেড্ ইউনিয়ন আন্দোলনৰ এক সবল ৰাজনৈতিক ভিত্তি গঢ়ি তোলাৰ প্ৰয়াস হিচাবে এই অভিবৰ্ত্তন অতিশয় তাৎপৰ্য্যপূৰ্ণ।

তথাকথিত আজাদী লাভৰ পিছত ভাৰতৰ শ্ৰমিকসকল শ্ৰেণী-চেতনা আৰু সংগ্ৰামৰ পথৰ পৰা বিচ্যুত হৈ এক দুৰ্ব্বল, 'অ ৰাজনৈতিক' আৰু আত্মকেন্দ্ৰীক শক্তিত পৰিণত হ'ল। শ্ৰমিক শ্ৰেণীৰ এই অধঃপতনৰ বাবে দায়ী ট্ৰেড ইউনিয়ন আমোলাতন্ত্ৰ। সম্প্ৰতি আঞ্চলিকতাবাদ আৰু সংকীৰ্ণতাবাদ তাৰ লগত যুক্ত হৈ ট্ৰেড ইউনিয়নৰ নেতিবাচক অৱস্থানকেই দৃঢ়তৰ কৰিছে। অন্যহাতে পশ্চাদগমন কৰি কৰি আজি শ্ৰমিক শ্ৰেণী এনে এক জটিল বিন্দুত উপনীত হৈছেহি য'ৰপৰা অধিক পিছুৱাৰ আৰু উপায় নাই। সাম্ৰাজ্যবাদ আৰু একচেতিয়া আমোলাতান্ত্ৰিক পুঁজিৰ আক্ৰমণৰ সন্মুখত শ্ৰমিক শ্ৰেণীক সম্পূৰ্ণ ৰূপে নিৰস্ত্ৰ আৰু অসহায় কৰি পেলাই থৈ ট্ৰেড ইউনিয়নৰ নেতা বাবু সকলে আমোলা আৰু মালিকপক্ষৰ দুৱাৰে দুৱাৰে ভিক্ষাৰ জোলোঙা লৈ ঘুৰি ফুৰিছে।

শ্ৰমিক শ্ৰেণীৰ ওপৰত শাসকগোষ্ঠীৰ আক্ৰমণ নামি আহিছে অৱধাৰিতভাবেই। আক্ৰমণ নামিছে নানা দিশৰ পৰা। নামিছে 'কম্পিউটাৰাই—জেশ্যন', ব্যক্তিগতকৰণৰ সাজত, নামিছে ভোগ্যদ্ৰব্যৰ চমক লৈ, নামিছে ক'লা আইন-কানুনৰ ৰূপত। তাৰ লগতে যুক্ত হৈছে ১৯২৬ আৰু ১৯৪৭ৰ দুখন আইনৰ সংশোধনী প্ৰস্তাৱ—যাৰ জৰিয়তে ট্ৰেড ইউনিয়ন কৰাৰ

OKDISCD

ন্যূনতম অধিকাৰ পৰ্য্যন্ত কাঢ়ি লোৱাৰ ষড়যন্ত্ৰ কৰা হৈছে। নেতা-বাবু সকল কিন্তু নিৰ্বিকাৰ।

ট্ৰেড ইউনিয়ন ভিত্তিক বিভাজনৰ জৰিয়তে শ্ৰমিক শ্ৰেণীৰ দুৰ্ব্বলতাৰ বহিঃপ্ৰকাশ ঘটিছে ; যিটো ঐতিহাসিক ৰাজনৈতিক ভূমিকা দৃঢ়তাৰে সাব্যস্ত কৰাত তেওঁলোকৰ ব্যৰ্থতাৰেই অভিব্যক্তি।

অন্যহাতে শ্ৰমিক শ্ৰেণীৰ প্ৰতিপক্ষ ভাৰতৰ শাসকশ্ৰেণী গঢ়ি উঠিছে জটিল ধাৰাত। শোষণ আৰু নিপীড়ণৰ ক্ষেত্ৰত অদ্বিতীয় ভাৰতীয় শাসকশ্ৰেণী কিন্তু সম্প্ৰতি প্ৰচণ্ড সংকটৰ সন্মুখীন হৈছে। এই পৰিপ্ৰেক্ষিততে ভাৰতবৰ্ষৰ মহান শ্ৰমিক শ্ৰেণীৰ এটি অগ্ৰণী অংশই ঐক্যবদ্ধ ৰাজনৈতিক সংগ্ৰামৰ আহ্বান ৰাখিলে ; ভাৰতীয় জনগণৰ ন্যায়সংগ্ৰামত নেতৃত্বপ্ৰদান কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হ'ল। অভিবৰ্ত্তনৰ এক ঘোষণাপত্ৰত সুস্পষ্টভাৱে কোৱা হৈছে যেঃ "ট্ৰেড ইউনিয়ন আন্দোলন শ্ৰমিক শ্ৰেণীৰ সংগঠিত গণ-অভিব্যক্তি, এই আন্দোলনে শ্ৰমিক শ্ৰেণীক সমূহীয়া শক্তি আৰু মৰ্য্যদা সম্পৰ্কে সজাগ কৰি তোলে। সম্প্ৰতি ট্ৰেড ইউনিয়ন আন্দোলন সাংগঠনিক দুৰ্ব্বলতাত ভোগা নাই, বৰং ভুগিব লগা হৈছে স্থিতাবস্থাৰ ৰোগতহে। ...... শ্ৰমিক শ্ৰেণীৰ আন্দোলনে বস্তুগতভাৱে সমাজতন্ত্ৰৰ উপকৰণবোৰ ধাৰণ কৰে, অন্য কোনো শ্ৰেণীয়েই গণতান্ত্ৰিক আন্দোলনক সমাজতন্ত্ৰ অভিমুখে নেতৃত্ব দিব নোৱাৰে।"

১৯৪৭ চনৰ পৰৱৰ্ত্তীকালত ভাৰতৰ শ্ৰমিকশ্ৰেণীয়ে এই প্ৰথম প্ৰকাশ্য ৰাজনৈতিক সংগ্ৰামৰ ঘোষণা পত্ৰ তুলি ধৰিছে ; এই প্ৰথম শ্ৰমিকশ্ৰেণীয়ে সংকীৰ্ণ, খণ্ডিত দৃষ্টিকোণ পৰিত্যাগ কৰি নিজস্ব শ্ৰেণী-দৰ্শনৰ আলোকত উদ্ভাষিত হৈ ভাৰতীয় জনগণৰ গণতান্ত্ৰিক সংগ্ৰামৰ সমুখশাৰীত থিয় হোৱাৰ দৃপ্ত অঙ্গীকাৰ গ্ৰহণ কৰিছে। শ্ৰমিক শ্ৰেণী, মাথো শ্ৰমিক শ্ৰেণীৰ ওপৰতেই ভৰসা কৰিব পাৰে সমগ্ৰ দেশে। কিন্তু সমুখৰ পথ উজু নহয়, অনাগত দিনৰ প্ৰত্যাহ্বান হ'ব বৰ্ত্তমানতকৈও বহুগুণে কঠিণ। বিগত অভিবৰ্ত্তনৰ গুৰুত্ব এইফালৰ পৰাও অতি ব্যাপক। আহক, এই প্ৰেক্ষাপটত অসমৰ শ্ৰমিক আন্দোলনৰ কিছু বিশ্লেষণ কৰা হওক।

যোৱা দুবছৰ ধৰি অসমত ক্ষমতাসীন হৈ আছে এটি তথাকথিত জনপ্ৰিয় চৰকাৰ—যি চৰকাৰ এক সুদীৰ্ঘ গণ আন্দোলনৰ ফলহিচাপেই ক্ষমতালৈ আহিছিল ঐক্য শান্তি আৰু প্ৰগতিৰ মন্ত্ৰ লৈ। তদুপৰি লগত আনিছিল এখন চুক্তি, যি চুক্তি সম্পাদন কৰোঁতে তাত নাছিল কোনো



শ্ৰমিক প্ৰতিনিধিত্ব অথবা শ্ৰমিক শ্ৰেণীৰ বাস্তৱ অৱস্থাৰ লগত জড়িত কোনো মৌলিক স্বাৰ্থৰ আভাষ! সেই চুক্তিয়ে শ্ৰমিক শ্ৰেণীৰ অস্তিত্বক কোনো ভাৱেই স্বীকৃতি দিয়া নাছিল ; তাৰ বিশাল সামাজিক ভূমিকাক স্বীকৃতি দিয়াটো দূৰৈৰ কথা। প্ৰতিক্ৰিয়াশীল, গণ-বিৰোধী কংগ্ৰেছী ৰাজনীতিৰ বিৰুদ্ধে দীৰ্ঘদিনৰ পুঞ্জীভূত গণ-অসন্তোষৰ প্ৰতিফলন হিচাবে অৱশেষত গঠিত হৈছিল এদল আন্দোলনকালীন নেতাক গুৰিয়াল হিচাপে লৈ এই নতুন আঞ্চলিক দলটো অসম গণ-পৰিষদ। স্বাভাৱিক ভাৱেই আশা কৰা হৈছিল এই দলটোৰ শাসনত থাকি অসম হব সৰ্ব্বভাৰতীয় শ্ৰমিক আন্দোলনৰ এটি শক্তিশালী দুৰ্গ। অতি স্বাভাৱিক ভাৱেই এই প্ৰত্যাশাৰ সৃষ্টি হৈছিল যে শ্ৰমিক কৰ্ম্মচাৰী সকলৰ আন্দোলনকে ধৰি বিভিন্ন গণ আন্দোলনত ৰাজ্যচৰকাৰে পুলিচক নিষ্ক্ৰীয় কৰি ৰাখিব ; আইন আৰু প্ৰশাসনৰ সমস্ত কৰ্ত্তৃত্ব সংহত কৰি শ্ৰমিক শ্ৰেণী তথা জনস্বাৰ্থৰ হকে তলা বন্ধ, ৰুগ্নতা ; ছাটাই আদি প্ৰতিহত কৰিব, বৃহৎ পুঁজিপতি আৰু মালিক শ্ৰেণীৰ অৰ্থনৈতিক, ৰাজনৈতিক আক্ৰমণ তথা শোষণ নিপীড়ণৰ বিৰুদ্ধে যুঁজিব। অতি যুঁক্তিসঙ্গত ভাৱেই ভবা হৈছিল যে কেন্দ্ৰ বিৰোধী স্থিতিক শক্তিশালী কৰিবলৈ এই আঞ্চলিক শক্তিয়ে অবিচলিত ভাৱে শ্ৰমিক সকলক উলিয়াই আনিব ৰাজনৈতিক সংগ্ৰামৰ প্ৰশস্ত ৰাজপথলৈ। কিন্তু তেনে ন'হল।

অসম গণ পৰিষদ চৰকাৰে তেনে পথ ন'ললে। তেওঁলোকে ললে ঠিক তাৰ বিপৰীত পথটো।

এই চৰকাৰে একালৰ অৰাজনৈতিক ভাবাদৰ্শ আৰু অৰাজনীতি কৰণ প্ৰক্ৰিয়াক (আন্দোলনৰ কালত এওঁলোকে সততে নিজৰ গাত অ-ৰাজনৈতিক ফলক এখন আৰি লৈছিল আৰু আনেও তেনে কৰিব লাগে বুলি দাবী কৰিছিল) আজি শ্ৰমিকৰ মাতত আঞ্চলিকতাবাদী ৰাজনীতি প্ৰতিষ্ঠাৰ স্তৰলৈ উন্নীত কৰিছে ; সৰ্ব্বভাৰতীয় ৰাজনীতি আৰু শ্ৰমিক আন্দোলনৰ পৰা অসমৰ শ্ৰমিক আন্দোলনক বিচ্ছিন্ন কৰাৰ অৰ্থে এক আঞ্চলিকতাবাদী শ্ৰমিক কেন্দ্ৰ গঠনৰ প্ৰচেষ্টা চলাইছে।

এই চৰকাৰে ৰাজীৱ বিৰোধী গণ-বিক্ষোভত মৌনতা অৱলম্বন কৰিলে ; ৰাজীৱ গান্ধীৰ কুখ্যাত শিল্প নীতি আৰু শ্ৰমনীতিৰ বিৰুদ্ধে কোনো সক্ৰিয় ভূমিকাই পালন নকৰিলে।

এই চৰকাৰে শ্ৰমিক কৰ্ম্মচাৰী সকলৰ আন্দোলনকে ধৰি বিভিন্ন আন্দোলনৰ ওপৰত নিৰ্য্যাতন চলালে।

বিগত দিনৰ অভিজ্ঞতা চালিজাৰি চালে তাৰ সাৰমৰ্ম হিচাবে এইবোৰেই ওলাই আহে ; যি জাতীয়তাবাদৰ নতুন ৰূপ আঞ্চলিকতাবাদ দেখদেখকৈ পুৰণি ব্যৱস্থাৰ বিশ্বস্ত প্ৰহৰীত পৰিণত হোৱা আৰু 'জনপ্ৰিয়' মুখাটোৰ আঁৰত অবিশ্বাস্য ধৰণৰ বিসদৃশ মুখ এখন লুকাই থকাৰ নিৰ্ম্ম সত্যটোকে প্ৰকট কৰে।

কিন্তু অনা-আঞ্চলিক তথাকথিত জাতীয় ৰাজনৈতিক শক্তি আৰু কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন বোৰে কোনো ইতিবাচক ভূমিকা পালন কৰিছেনে ? তাৰ উত্তৰো নেতিবাচক। অসম আন্দোলনৰ কালত এই শক্তিবোৰে অসমৰ শ্ৰমিক শ্ৰেণীৰ এটি অংশক নিজস্ব সামাজিক দায়িত্ব পালনৰ পৰা বিৰত কৰি ৰখাৰ অপচেষ্টা চলাইছিল আৰু শাসক শ্ৰেণীৰ স্বৈৰতান্ত্ৰিক দমণ পীড়ন আদিৰ পক্ষতেই থিয় হৈছিলগৈ। আজিও তেওঁলোকে ট্ৰেড ইউনিয়ন আন্দোলনৰ নামত অৰ্থনীতিবাদী গণ্ডিত শ্ৰমিক শ্ৰেণীৰ চেতনা আৰু সংগ্ৰাম আৱদ্ধ কৰি ৰাখিব খোজে, বিদ্যমান ৰাজনৈতিক সংকটত শ্ৰমিক শ্ৰেণীক নেতৃত্বশীল ভূমিকাৰ পৰা বিৰত ৰখাৰ অপকৌশল লয়, সংকীৰ্ণতাবাদী আৰু স্বাৰ্থপৰ চিন্তা-ভাৱনাৰে শ্ৰমিক শ্ৰেণীক মতাদৰ্শগত ভাৱে পঙ্গু কৰি ৰখাৰ চক্ৰান্ত ৰচে।

শ্ৰমিক শ্ৰেণীৰ ৰাজনৈতিক সামাজিক ভূমিকা নেতৃত্বদানৰ ভূমিকা; শ্ৰমিক শ্ৰেণীৰ নেতৃত্ব বিহনে জাতীয়তাবাদ পৰিণত হয় শাসন-শোষণৰ জাতীয়াৰত। একমাত্ৰ শ্ৰমিক শ্ৰেণীয়েই পাৰে জাতিক যথাৰ্থ ৰাজনৈতিক আৰু আদৰ্শাত্মক নেতৃত্ব প্ৰদান কৰিব।

অসমীয়া সমাজতো শ্ৰমিক সকলেই আটাইতকৈ বিপ্লৱী আৰু দৃঢ় গণতান্ত্ৰিক উপাদান ; জাতিৰ তেওঁলোকেই স্বাভাৱিক নেতা। অসমৰ শ্ৰমিক শ্ৰেণীয়ে জাতীয় ভুমিকা পালন কৰাৰ পৰা কাহানিও বিৰত হোৱা নাই, তদুপৰি শ্ৰমিক শ্ৰেণী গুণ আৰু পৰিমাণৰ ফালৰ পৰাও সমৃদ্ধতৰ। কিন্তু তাৰ কিছুমান ঐতিহাসিক দুৰ্ব্বলতাও বিদ্যমান। এই দুৰ্ব্বলতা দূৰ কৰি সমগ্ৰ দেশৰ শ্ৰমিক ভাই সকলৰ লগত কান্ধত কান্ধ মিলাই এখন মুক্ত, ন্যায়সঙ্গত, সমৃদ্ধ সমাজ গঢ়ি তোলাৰ লক্ষ্যত বৰ্ত্তমানৰ সংকটাপন্ন জাতীয় ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰ আশু অৱসান ঘটোৱাৰ বাবে নিজস্ব ঐতিহাসিক ভূমিকা পালন কৰিবলৈ অসমৰ শ্ৰমিক সকলো অগ্ৰসৰ হোৱাৰ উপযুক্ত প্ৰস্তুতি আৰু পদ্ধতি গ্ৰহণৰ এয়ে হওক সূত্ৰপাত। অভিবৰ্ত্তনৰ নবীন উদ্যম অব্যাহত হওক! ১৯৮৮ চন হৈ উঠক শ্ৰমিক শ্ৰেণীৰ নবতম বিজয় অৰ্জ্জনৰ বছৰ! ●

# ॥ কিহৰ শব্দ ॥

॥ শিখামণি বৰুৱা ॥

শুনা, শুনিছনে সেয়া কিহৰ শব্দ,
শুনা, শুনিছনে সেয়া কিহৰ শব্দ !
সেই শবদে,

মন কৰিছে দেখোন চঞ্চল
কলিজাত তুলিছে স্পন্দন
শৰীৰত তুলিছে জাগৰণ
সেয়া আন্ধাৰৰ নিমন্ত্ৰণ।

শুনা, শুনিছনে সেয়া কিহৰ শব্দ !
শুনা, শুনিছনে সেয়া কিহৰ শব্দ !
সেই শবদে,

মনত আনিছে বিশ্বাসৰ সপোণ
কলিজাত নাচিছে আশ্বাসৰ নাচোন
শৰীৰত তুলিছে জাগৰণ
সেয়া 'দামামা'ৰ আগমন।

OKDISCD

# বিপ্লৱী বীৰ ভগৎ সিং আজিও যুৱশক্তিৰ আদৰ্শ ব্যক্তি

—প্ৰকাশ বেজবৰুৱা ॥

বৰ্ত্তমান শতাব্দীৰ প্ৰথম তিনিটা দশকত আমাৰ দেশত গঢ়ি উঠা সন্ত্ৰাসবাদী আন্দোলন স্বাধীনতাৰ বাবে দেশবাসীৰ সংগ্ৰামৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ অধ্যায়। ১৯২০ ৰ দশকটোৰ পৰা সন্ত্ৰাসবাদী আন্দোলনত ধীৰে ধীৰে এটি ৰূপান্তৰৰ প্ৰক্ৰিয়া সংঘটিত হোৱাৰ আভাষ পোৱা গৈছিল। যি আন্দোলনৰ মৰ্ম্মবস্তু আছিল সন্ত্ৰাসবাদী পদ্ধতিত সংগ্ৰাম পৰিচালনা কৰি অত্যাচাৰী শাসকইঁতক সন্ত্ৰস্ত কৰি তোলা তাৰ কৰ্ম্মসূচী আৰু পদ্ধতিত বৈজ্ঞানিক সমাজতন্ত্ৰ আৰু যথাৰ্থ বৈপ্লৱীক গণ-আন্দোলন গঢ়ি তোলাৰ ধ্যানধাৰণা ক্ৰমশঃ শক্তিশালী হৈ আহিছিল ; দেখা গৈছিল তৎকালীন ভাৰতীয় সমাজৰ সেই চালিকা শক্তিসমূহক বিচাৰি লোৱাৰ উজ্জ্বল প্ৰয়াস —যি শক্তিয়ে পাৰে যথাৰ্থ স্বাধীনতা আনি দিব। উত্তৰণৰ এই বাস্তৱ প্ৰক্ৰিয়াটোৰেই মূৰ্ত্ত অভিব্যক্তি লাভ কৰিছিল ভগৎ সিঙৰ মাজত। কাজেই ভগৎ সিঙৰ ফাঁচী হৈছিল অবিশ্বাস্যধৰণৰ দ্ৰুততাৰে। ভগৎ সিঙৰ লগে লগে পৰিসমাপ্তী ঘটিল সন্ত্ৰাসবাদী আন্দোলনৰো ; কিন্তু সেই গৌৰৱময় ঐতিহ্যই দেশবাসীৰ সমুখত খুলি দিলে এক আলোক উজ্জ্বল সম্ভাৱনাদ্বাৰ। ভাৰতৰ বৈপ্লৱীক আন্দোলনৰ এক চৰম দুৰ্ব্বলতা হিচাপে চিনাক্ত হৈ ৰ'ল সেই সম্ভাৱনাক কামত লগোৱাৰ ক্ষেত্ৰত তাৰ ব্যৰ্থতা। কিন্তু ভগৎ সিং আজিও ভাৰতৰ বিপ্লৱী তৰুণসমাজৰ অক্ষয় অনুপ্ৰেৰণা। সাধাৰণভাৱে সন্ত্ৰাসবাদী আন্দোলন আৰু নিৰ্দিষ্টভাৱে ভগৎ সিঙৰ মাজত উত্তৰণৰ যি প্ৰক্ৰিয়া তেতিয়া ঠন ধৰি উঠিছিল, বৰ্ত্তমান পৰিস্থিতিত সি এক বাস্তৱ ৰূপ ধাৰণ কৰিবলৈ বাধ্য ; আৰু তাৰ বাবে প্ৰয়োজন আজিৰ যুৱ সমাজে অমৰ শ্বহীদ ভগৎ সিঙক বিশ্লেষণৰ চকুৰে চাই নিজক শিক্ষিত কৰি তোলা।

১৯০৭ চনৰ ২৮ চেপ্তেম্বৰত পশ্চিম পঞ্জাৱৰ এখন গাঁৱত ভগৎ সিঙে



জন্ম গ্ৰহণ কৰিছিল। 'পাৰ্থিব আকাংক্ষাৰ মোহ নেওচা দি এক উন্নত আদৰ্শৰ হকে জীৱন নিবেদিত কৰিবলৈ' ১৬ বছৰ বয়সত ঘৰবাৰী পৰিত্যাগ কৰি ওলাই আহে। তাৰ পিছৰ পৰা সৰহ সময় তেখেতে কটাব লগা হয় কাৰাবাস অথবা অজ্ঞাতবাসত। অৱশেষত ১৯৩১ চনৰ ২৩ মাৰ্চ্চত তেখেত অৱতীৰ্ণ হয় ফাঁচীৰ মঞ্চত। মাথো ২৪ বছৰৰ এটি সংক্ষিপ্ত জীৱন ; কিন্তু সেই মহাজীৱনৰ চমু ইতিহাস যেন প্ৰত্যাহ্বান আৰু উত্তৰণৰ এক প্ৰজ্জ্বলিত বহ্নিশিখা!

ভগৎ সিঙে কৈছিল : 'পৃথিবীৰ বিশাল বিশাল সাম্ৰাজ্যৰ পতন ঘটিছে, কিন্তু যিবোৰ চিন্তাভাৱনাই জনগণক সাম্ৰাজ্যবোৰ উৎখাত কৰিবলৈ অনুপ্ৰাণিত কৰিছিল সেইবোৰ আজিও বাচি আছে। চিন্তা অমৰ। পৃথিবীৰ কোনো শক্তিয়ে মানুহৰ চিন্তাক দমণ কৰি ৰাখিব নোৱাৰে।' ভগৎ সিঙৰ দৰে যুৱকসকলে কেঁচা তেজ ঢালিছিল বৃটিছ সাম্ৰাজ্যবাদৰ চূড়ান্ত আৰু সম্পূৰ্ণ ধ্বংশসাধন তথা জনগণৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ উদ্দেশ্যে। সেই উদ্দেশ্য আজিও আধৰুৱা হৈ আছে। সেয়ে ভগৎ সিঙৰ চিন্তাভাৱনাবোৰক আমি কেৱল অমৰত্ব দান কৰিলেই ন'হব, সেইবোৰক জীৱন্ত আৰু মূৰ্ত্ত কৰিও তুলিব লাগিব।

ভগৎ সিঙৰ চিন্তাধাৰা বিকশিত হৈ উঠে জেল জীৱনত। 'মই নাস্তিক কিয়', 'বোমাৰ দৰ্শণ' 'জাতিৰ প্ৰতি বক্তব্য', 'চেণ্ট্ৰেল এচেম্ব্লীত বোমা বিস্ফোৰণ কালত প্ৰচাৰিত দলিল' -প্ৰভৃতি ৰচনাৱলীৰ পৰা তেখেতৰ চিন্তাভাৱনাৰ দ্ৰুত বিকাশলাভৰ পৰিচয় পোৱা যায়। তেখেতৰ অন্যান্য কিছুমান গ্ৰন্থ দুৰ্ভাগ্যবশতঃ ৰক্ষা কৰিব পৰা নগল। জেলত যিবোৰ গ্ৰন্থ পঢ়ি তেখেত প্ৰভাৱিত হৈছিল তাৰ ভিতৰত উল্লেখযোগ্য হ'ল লাইবনেখ্টৰ 'সমৰবাদ', ৰাচেলৰ 'মানুহে কিয় যুদ্ধ কৰে', 'কৰ্ম্মব্যস্ত ছোভিয়েট', 'কমিউনিষ্ট আন্তৰ্জাতিকৰ দলিল সমূহ', লেনিনৰ 'বামপন্থী সাম্যবাদ—শিশুসুলভ বিশৃংখলা.' ক্ৰোপ্টকীনৰ 'পাৰস্পৃৰিক সহায়', কাৰ্লমাক্সৰ 'ফ্ৰান্সত গৃহযুদ্ধ', 'ৰুছিয়াৰ ভূমিবিপ্লৱ', আপটন চিনেক্লেয়াৰৰ 'গুপ্তচৰ', বুখাৰীণৰ, "ঐতিহাসিক বস্তুবাদ ইত্যাদি।

তেখেতৰ জীৱনৰ দুটি স্মৰণীয় ঘটনা আছিল জেলজীৱনত মৃত্যুক অৱজ্ঞা কৰি গণতান্ত্ৰিক অধিকাৰ ৰক্ষাৰ অৰ্থে ১৯২৯ চনৰ ১৪ জুনৰ পৰা আহ্বান কৰা সুদীৰ্ঘ অনশন ধৰ্ম্মঘট। উল্লেখযোগ্য যে এই ধৰ্মঘটৰ মাজতে

OKDISCD

বিপ্লৱী যতীন্দ্রনাথ দাস (বাঘা যতীন) সুদীৰ্ঘ ৬৪ দিন জোৰা অনশনৰ ফলত শ্বহীদ হৈছিল। সমগ্ৰ দেশজুৰি এই ধৰ্ম্মঘটৰ প্ৰভাৱ ইমান ব্যাপক হৈ পৰিছিল যে কংগ্ৰেছী নেতৃত্ব সেই জোৱাৰৰ সমুখত অসহায় হৈ পৰিছিল। বৃটিছক তুষ্ট কৰিবলৈ গান্ধীয়ে আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰে আৰু বৃটিছে তাৰ প্ৰতিদান হিচাপে ঘুৰণীয়া মেজৰ মেললৈ গান্ধীক নিমন্ত্ৰণ কৰে। ইতিপূৰ্ব্বে ভগৎ সিঙৰ উদ্যোগত ১৯২৮ চনৰ ৮ আৰু ৯ চেপ্তেম্বৰত অনুষ্ঠিত হৈছিল বিশাল সন্মিলন আৰু গঢ়ি উঠিছিল হিন্দুস্তান চচিয়েলিষ্ট ৰিপাব্লিকান আৰ্মি। চাইমন কমিচন বিৰোধী গণ-আন্দোলনত এই সংগঠনে সক্ৰিয় ভূমিকা লৈছিল। তেওঁলোকে সংগঠিত কৰা এটি বিক্ষোভ সমদলৰ ওপৰত পুলিচে লাঠি চালনা কৰাৰ ফলত লালা লাজপৎ ৰায় আহত হৈছিল আৰু কিছুদিনৰ পিছতে তেখেতৰ মৃত্যু ঘটিছিল। জাতীয় নেতাসকলে জনতাৰ ক্ৰোধবহ্নিত পানী ছটিয়াই সন্তুষ্টি লভিছিল। কিন্তু ক্ৰুদ্ধ বিপ্লৱী যুৱক সকলে অপৰাধী পুলিচ অফিচাৰ চেণ্ডাৰ্চক খতম কৰাৰ সিদ্ধান্ত লয়। ১৯২৮ চনৰ ১৭ ডিচেম্বৰত দিনদুপৰত, নিজৰ কৰ্য্যালয়তে গৈ ডি, এচ, পি চেণ্ডাৰ্চক হত্যা কৰি প্ৰতিশোধ ল'লে ভগৎ সিং, ৰাজগুৰু আৰু চন্দ্ৰশেখৰ আজাদে।

তাৰ পিচত ভগৎ সিঙে মাত্ৰ এটি একচনত অংশ গ্ৰহণ কৰিছিল আৰু সেইটো আছিল ১৯২৯ চনৰ ৮ এপ্ৰিলত চেণ্ট্ৰেল এচেম্বলীত বোমা বিস্ফোৰণ। বোধহয় এইটোৱে আছিল তেখেতৰ জীৱনৰ দ্বিতীয়টো স্মৰণীয় ৰাজনৈতিক ঘটনা।

গান্ধীৰ স্বৰাজ আৰু অহিংস পথৰ বিপৰীতে ভগৎ সিঙেই পোণপ্ৰথমে জাতীয় মুক্তি আৰু জনগণৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ বৈপ্লৱীক ধাৰণাসমূহ তুলি ধৰে, সশস্ত্ৰ বিপ্লৱৰো তেখেতেই হ'ল প্ৰথম পথ নিৰ্দ্দেশক। বহু প্ৰবন্ধ আৰু পুস্তিকাত অত্যন্ত যুক্তিগ্ৰাহ্যভাৱে তেখেতে গান্ধীবাদৰ সমালোচনা কৰি গৈছে। গান্ধীনেতৃত্বৰ শ্ৰেণীচৰিত্ৰ উদ্ঘাটিত কৰি গান্ধীৰ লগত বিপ্লৱী সকলৰ মৌলিক পাৰ্থক্য তেখেতে স্পষ্টভাষাত ঘোষণা কৰিছিলঃ "গান্ধীয়ে কেতিয়াবা সাধাৰণ মানুহৰ জীৱনৰ গভীৰত সোমাব পাৰিছেনে? গাওঁ-ভূঁইত সন্ধ্যাবেলা জুই-কাষত বহি কৃষকসকলৰ লগত কথাবতৰা পাতি তেখেতে কোনোদিন কৃষকসকলৰ মনটো বুজাৰ চেষ্টা কৰিছেনে? কাৰখানাৰ শ্ৰমিক এজনৰ চিন্তাভাৱনাবোৰ বুজিবলৈ তেখেতে এসন্ধ্যাও শ্ৰমিকৰ মাজত কটাইছেনে? কিন্তু আমি

OKDISCD



সেইটো কৰিছো আৰু সেইবাবেই আমি দাবী কৰো যে জনগণক আমি বুজো।" জাতিৰ প্ৰতি বক্তব্য'ত তেখেতে লিখিলেঃ "সাধাৰণ মানুহৰ স্বাৰ্থৰক্ষা কৰিবলৈ আৰু আমাৰ আদৰ্শৰ বাস্তব ৰূপদানৰ বাবে অৰ্থাৎ মাৰ্ক্সৰ নীতি অনুসাৰে সমাজক গঢ় দিবলৈ আমাক লাগে ৰাজনৈতিক ক্ষমতা।" ১৯২৯ চনত তেখেতে নিজৰ ধাৰণা অধিক স্বচ্ছভাৱে ব্যাখ্যা কৰিলেঃ "বিপ্লৱ মানে বোমা-পিস্তলৰ সংস্কৃতি নহয়। বিপ্লৱ মানে আমি বুজাও অন্যায়ৰ ওপৰত বৰ্ত্তি থকা বৰ্ত্তমান ব্যৱস্থাৰ ৰূপান্তৰ।" 'জাতিৰ প্ৰতি বক্তব্য'ত তেখেতে আৰু লিখিলেঃ "ভাৰতৰ নৰমপন্থীসকলৰ এটি বিষয় মই ঘৃণা কৰোঁ। সেইটো হ'ল তেওঁলোকৰ কোনো আদৰ্শ নাই। আপোচ কৰাৰ অৰ্থ লেমটো হৈ পৰা বা পৰাজয় মানি লোৱা নহয়; তাৰ অৰ্থ এখোজ আগলৈ গৈ অলপ বিৰাম লোৱা। কিন্তু তাৰ লগে লগে এইটোও বুজিব লাগিব যে আপোচ তাতকৈ অধিক একো নহয় আৰু আপোচ আমাৰ চূড়ান্ত লক্ষ্য বা বিশ্ৰামস্থল হ'বই নোৱাৰে।" ফাঁচী হোৱাৰ মাথো দুমাহৰ আগত তেখেতে বজ্ৰকণ্ঠে ক'লেঃ "গঢ়িবলৈ যাওঁতে ভঙাটো আৱশ্যকীয়ই মাথো নহয়, সি অনিবাৰ্য্যও।" সংগ্ৰামী সতীৰ্থ শুকদেৱলৈ এখন চিঠিত তেখেতে লেখিলেঃ "বিপ্লৱী কামকাজৰ দায়িত্ব অন্যৰ ওপৰত এৰি দিয়াটো যি সকলে অসন্মানজনক আৰু ঘৃণনীয় বুলি ভাবে, তেখেত-সকলে বৰ্ত্তমান ব্যৱস্থাৰ বিৰুদ্ধে চূড়ান্ত নিষ্ঠাৰে সংগ্ৰাম আৰম্ভ কৰা উচিত। জেলৰ জীৱন যদি অপমানজনক বুলি ভাবে, তেনেহলে তাৰ বিৰুদ্ধে আন্দোলন কৰি অৱস্থাটোৰ পৰিবৰ্ত্তন অনাৰ চেষ্টা নকৰে কিয়? সম্ভৱতঃ আপুনি ক'ব যে তেনে আন্দোলন সফল ন'হব। কিন্তু যিকোনো ধৰণৰ আন্দোলনৰ জঞ্জাল এৰাই চলাৰ বাবে দুৰ্ব্বলচিত্ত মানুহে ঠিক এই যুক্তিকে তুলি ধৰে।"

১৯৩১ চনৰ ২৩ মাৰ্চ্চৰ সন্ধ্যা ভগৎ সিং, ৰাজগুৰু আৰু শুকদেও ফাঁচীৰ মঞ্চত ঠিয় হ'ল। ভগৎ সিঙৰ হাতত সেই মূহুৰ্ত্তত আছিল লেনিনৰ এখনি গ্ৰন্থ! তিনিওৰে মুখত বীৰৰ হাঁহি আৰু কণ্ঠত 'বিপ্লৱ দীৰ্ঘজীবি হওক,' সাম্ৰাজ্যবাদ নিপাত যাওক' ধ্বনি।

ভগৎ সিং আৰু তেখেতৰ সতীৰ্থসকলৰ মৃত্যুদণ্ডাজ্ঞা প্ৰত্যাহাৰৰ দাবিত সমগ্ৰ দেশ যেতিয়া উত্তাল তেতিয়া গান্ধীয়ে সম্পাদন কৰিলে গান্ধী আৰউইন চুক্তি (১৯৩১ চনৰ ৫ মাৰ্চ্চ); চুক্তিমতে আইন অমান্য

আন্দোলনত আটক হোৱা প্ৰতিজন লোকক মুক্তি দিয়া হ'ল কিন্তু ভগৎ সিং, ৰাজগুৰু আৰু শুকদেওৰ মৃত্যুদণ্ড প্ৰত্যাহাৰৰ বাবে মহাত্মাই কোনো উদ্যমেই নেদেখুৱালে। বস্তুতঃ ভগৎ সিঙৰ মৃত্যুদণ্ড আৰু গান্ধী আৰউইন চুক্তি আছিল একেটা মুদ্ৰাৰে দুটা পিঠি। নিজৰ অপকীৰ্ত্তিৰ সমৰ্থনত গান্ধীয়ে হিংসা-অহিংসাৰ যুক্তিজাল গাঁথিলে। দৰাচলতে এইটো আছিল স্বাধীনতা আন্দোলনৰ দুটি বিপৰীতমুখী ধাৰাৰ প্ৰশ্ন। গান্ধীয়ে যি ধাৰাৰ প্ৰতিনিধিত্ব কৰিছিল সি আপোচ আৰু স্তাবকতাৰ ৰাজনীতিকেই মুক্তি সংগ্ৰাম হিচাপে আভূৱা ভাঁৰিছিল; কুসংস্কাৰ আৰু অন্ধবিশ্বাসক কৰি তুলিছিল সংস্কৃতি আৰু আত্মমুখীনতা তথা অতীতপ্ৰীতিক প্ৰতিষ্ঠা কৰিছিল দৰ্শন হিচাপে। বিপৰীতে ভগৎ সিঙৰ দৰে যুৱকসকলে যি ধাৰাৰ প্ৰতিনিধিত্ব কৰিছিল সি আছিল জাতীয় মুক্তি সংগ্ৰামৰ ধাৰা – যাৰ উদ্দেশ্য আছিল জনগণৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা, জনগণৰ ব্যৱহাৰিক কাৰ্য্যকলাপৰ মাজেৰে অন্যায় সমাজ ব্যৱস্থাক উৎখাত কৰা।

তেখেতৰ বিভিন্ন ৰচনাৰ পৰাই আমি ভগৎ সিঙৰ জীৱনচৰ্য্যাৰো কিছু আভাষ পাওঁ। নিজৰ ভাষাত, প্ৰথমে তেখেত আছিল এজন ৰোমান্টিক ভাবালু বিপ্লৱী। গুৰু দায়িত্ব পালনৰ যেতিয়া সময় আহিল তেতিয়া বুকুত প্ৰবল হৈ উঠিল অধ্যয়নৰ বাসনা। মাক্স৴বাদ অধ্যয়ন আৰু ৰুছ বিপ্লৱৰ গভীৰ প্ৰভাৱে তেখেতৰ মনত ৰোপন কৰিলে সমাজতান্ত্ৰিক ভাবধাৰা। অধ্যয়নেই তেখেতৰ পূৰ্ব্বৱৰ্ত্তী ধ্যানধাৰণা আৰু বিশ্বাসলৈ আনিলে এক বিৰাট পৰিবৰ্ত্তন। ৰহস্যবাদ আৰু কুসংস্কাৰৰ বিপৰীতে বাস্তববাদ হৈ উঠিল তেখেতৰ তত্ব। আত্মাৰ অমৰত্ব আৰু স্বৰ্গৰ ধাৰণাৰ বিপৰীতে তুলি ধৰিলে স্বাধীনতাৰ বৈপ্লৱীক আদৰ্শ। ধৰ্ম্ম ভগবান, আওপুৰণা ৰীতি-নীতিৰ বিৰুদ্ধে যুদ্ধঘোষণা কৰি প্ৰতিষ্ঠা কৰিলে এটি আধুনিক, বিজ্ঞানসন্মত দৃষ্টিভঙ্গী। কুসংস্কাৰক চেলেঞ্জ জনাই তেখেতে ক'লে: "মানব প্ৰগতিৰ প্ৰতিজন সমৰ্থকে পুৰণা বিশ্বাসবোৰক সমালোচনা কৰিব লাগিব, সেইবোৰৰ প্ৰতি অবিশ্বাস ব্যক্ত কৰিব লাগিব, জনাব লাগিব চেলেঞ্জ। যুক্তিৰ কষটি শিলত পৰীক্ষা আৰু বিশ্লেষণ কৰিব লাগিব প্ৰচলিত বিশ্বাসৰ প্ৰতিটো দিশ। আমি প্ৰকৃতিত বিশ্বাসী আৰু সঠিক প্ৰগতিৰ লক্ষ্য হ'ল প্ৰকৃতিৰ ওপৰত মানুহৰ নিয়ন্ত্ৰণ প্ৰতিষ্ঠা যাতে মানুহে প্ৰকৃতিক নিজৰ স্বাৰ্থত লগাব পাৰে। এয়ে মোৰ দৰ্শন।"



প্ৰেম সম্পৰ্কে শুকদেওলৈ তেখেতে লিখে: "প্ৰেম নিজে আৱেগ মাথো, কিন্তু এই আবেগ পাশৱিক নহয়, মানবিক, অত্যন্ত মানবীয় এটি ভাব। প্ৰেমে মানুহৰ চৰিত্ৰৰ উন্নতি ঘটায়, তাত কালিমা নাসানে, অৱশ্যে যদিহে সেই প্ৰেম যথাৰ্থ।"

জীৱনলালসা আৰু আত্মত্যাগ সম্পৰ্কে তেখেতে লেখে: "পূৰ্ণ গুৰুত্ব সহকাৰে কওঁ যে আশা-আকাংক্ষাৰে পৰিপূৰ্ণ এক জীৱনৰ উচ্ছল আনন্দ মই সম্পূৰ্ণকৈ উপভোগ কৰিব খোজো। কিন্তু প্ৰয়োজনৰ মূহুৰ্ত্তত মই এই সমস্ত পৰিত্যাগ কৰিব পাৰোঁ। এই ত্যাগেই সাৰ্থক ত্যাগ। প্ৰকৃত মানুহৰ জীৱনত এই সমস্ত কোনো বাধাই নহয়।"

কোৱা বাহুল্য মাথো যে এই সমস্ত চিন্তাভাৱনাৰ মাজত সামন্ততান্ত্ৰিক মূল্যবোধৰ বিৰুদ্ধে সংগ্ৰাম আৰু আধুনিক মানসিকতাৰ প্ৰতিফলন ঘটিছে। সহজেই বোধগম্য কিয় ভগৎ সিঙ আজিও যুৱ শক্তিৰ আদৰ্শ।

কিন্তু তেখেতৰ কিছুমান ঐতিহাসিক নাটনিৰ প্ৰতিও সচেতন হোৱা প্ৰয়োজন। অতি সংক্ষেপে তেখেতৰ দুটি গুৰুতৰ অসম্পূৰ্ণতা সম্পৰ্কে আমি অবগত হোৱা দৰকাৰ। ইতিপূৰ্ব্বে আমি উল্লেখ কৰি আহিছোঁ যে তেখেতৰ জীৱনৰ স্মৰণীয় ৰাজনৈতিক কাৰ্য্যকলাপবোৰ দুৰ্ব্বাৰ গতিৰে চলাবলৈ তখেতে বাধ্য হৈছিল। সেইবাবে তেখেতে সচেতনভাৱে সশস্ত্ৰ সংগ্ৰাম আৰু গণ-ৰাজনৈতিক সমাবেশক সমন্বিত কৰাৰ অবকাশ নাপালে। ফলত নিজৰ চিন্তাভাৱনাক তেখেতে সুব্যৱস্থিত ৰূপ দি যাব নোৱাৰিলে। অধ্যয়ন আৰু বাস্তৱৰ পূৰ্ণ সংযোগ সাধনৰ অভাৱত সৰ্ব্বব্যাপী কংগ্ৰেছী ধাৰাৰ বিপৰীতে বৈপ্লৱীক কামৰ ধাৰাটো সুপ্ৰতিষ্ঠিত কৰা তেখেতৰ পক্ষে সম্ভৱ ন'হল। এই দিশটোৰ পৰা আমি এই সিদ্ধান্তলৈকে অহা যুক্তিসঙ্গত হ'ব যে তেখেতৰ চিন্তাভাৱনা আৰু কাৰ্য্যকলাপক তাৰ অন্তৰ্নিহিত বিকাশৰ সম্ভাৱনাৰ পৰাই বিচাৰ কৰিব লাগিব।

দ্বিতীয়তে, ভাৰতবৰ্ষৰ নিৰ্দ্দিষ্ট অৱস্থাত অৰ্থাৎ সমাজব্যৱস্থা আৰু তাৰ শ্ৰেণী-সম্পৰ্ক সমূহৰ গভীৰ অধ্যয়নৰ ক্ষেত্ৰত মাক্স৴বাদী-লেনিনবাদী তত্বক সৃষ্টিশীল ভাৱে প্ৰয়োগ কৰাৰ সুযোগো তেখেতে নাপালে। সেয়েহে বিপ্লৱৰ আশু লক্ষ্য আৰু কোন শ্ৰেণীৰ কি ভূমিকা হ'ব বিশেষতঃ শ্ৰমিক শ্ৰেণীৰ নেতৃত্বৰ প্ৰশ্নটোও তেখেতে গভীৰভাৱে মিমাংসা কৰিব পৰা নাছিল।

এই নাটনি সমূহৰ বাবে ভগৎ সিঙতকৈও সেই সময়ৰ ঐতিহাসিক পৰিস্থিতিৰ সীমাবদ্ধতা আৰু তেখেতৰ তৰঙ্গসংকুল কিন্তু অতি সংক্ষিপ্ত

OKDISCD

# ভাৰতৰ ৰাজহুৱা খণ্ডঃ এটি প্ৰাথমিক মূল্যায়ণ

—বিদ্যুৎ বৰুৱা

নতুন অৰ্থনৈতিক নীতিৰ অন্যতম প্ৰতিক্ৰিয়া হিচাবে সমগ্ৰ দেশজুৰি ৰাজহুৱাখণ্ডৰ উদ্যোগ সমূহত দেখা দিয়া সংকটক কেন্দ্ৰ কৰি বিভিন্ন আলোচনা, বিতৰ্ক আদি ব্যাপকভাৱে বিয়পি পৰিছে—সংসদৰ মজিয়াৰ পৰা কাৰখানাঘৰ পৰ্যন্ত। শ্ৰমিক সকল আতঙ্কিত হৈ পৰিছে। জাতীয় অৰ্থনীতিক অনিশ্চয়তাই ছাটি ধৰিছে।

বিপ্লৱী বীৰ ভগৎ সিং

ৰাজনৈতিক জীৱনহে দায়ী। তাৰ মাজতো তেখেতৰ চিন্তা আৰু অনুশীলনৰ যি উত্তৰোত্তৰ বিকাশ ঘটিছিল-সেয়ে আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু সেইবাবেই তেখেতৰ অবদান হৈ উঠিছে অধিক মহান, অধিক গভীৰ। তেখেতৰ জীৱন আৰু কৃতিত্বৰ মাজত নিহিত থকা উত্তৰণৰ বিপুল সম্ভাৱনাক অগ্ৰসৰ কৰিবলৈ হলে বৰ্ত্তমান সেই ঐতিহাসিক সীমাবদ্ধতা অতিক্ৰম কৰিব লাগিব। তাৰ বাস্তৱ আৰু বিষয়গত চৰ্ত্তসমূহ ত্ৰিছৰ দশকৰ পৰৱৰ্ত্তী অৰ্দ্ধ শতাব্দীয়ে নিশ্চয় গঢ়ি তুলিছে। ভগৎ সিঙৰ দৰে ছাত্ৰ-যুৱক সকলৰ জীৱনৰক্ত প্ৰবাহিত হৈ থকা সেই উত্তৰণশীল বিপ্লৱী ৰাজনৈতিক ধাৰাটো যুক্তিযুক্ত পৰিণতিৰ দিশলৈ আগবঢ়াই নিয়াৰ বাবে বৰ্ত্তমান প্ৰজন্মই উদ্যম ললেহে এক গৌৰৱময় ইতিহাসৰ উত্তৰাধীকাৰ বুলি তেওঁলোকে দাবী কৰিব পাৰিব আৰু তেতিয়া ইতিহাস মাথো স্তাবকতাৰ পংক্তি হৈ নাথাকি পৰিণত হ'ব এক প্ৰেৰণাৰ উৎসত। ●



ৰাজহুৱা খণ্ডৰ সংকট উপলব্ধি কৰাৰ বাবে প্ৰতিষ্ঠান সমূহ গঢ়ি উঠাৰ প্ৰক্ৰিয়া, সিবিলাকৰ চৰিত্ৰ, ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্ৰণৰ পদ্ধতি ইত্যাদি বিষয় সমূহৰ ওপৰত আলোচনা কৰা যুগুত হব।

মালিকানা আৰু সংগঠনৰ দিশৰ পৰা ভাৰতবৰ্ষৰ শিল্প-উদ্যোগ সমূহক ভাগ কৰিলে তাৰ তিনিটা ভাগৰ এটা হল ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান। বাকী দুটা হ'ল যৌথ আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান।

ৰাষ্ট্ৰীয় উদ্যোগ বা প্ৰতিষ্ঠান সমূহ কেন্দ্ৰীয়, ৰাজ্যিক চৰকাৰ বা আঞ্চলিক বড অথবা দুই বা ততোধিক চৰকাৰৰ যৌথ মালিকানাধীন। ৰাইজৰ হৈ ৰাষ্ট্ৰই ইয়াৰ মালিকানা লাভ কৰে, পৰিচালনা কৰে আৰু নিয়ন্ত্ৰণ কৰে।

ভাৰতবৰ্ষৰ পৰিকল্পিত অৰ্থনীতিৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈছিল তাহানিৰ বৃটিছ আমোলত। ভাৰতীয় জাতীয় কংগ্ৰেছৰ উদ্যোগত ১৯৩৮ চনত জৱাহৰলাল নেহৰুক চেয়াৰমেন হিচাবে লৈ জাতীয় পৰিকল্পনা কমিটি গঢ়ি উঠিছিল আৰু পৰিকল্পনা কৰাৰ সুবিধা লাভ কৰিছিল। এই কমিটিয়ে উদ্যোগ সমূহৰ ৰাষ্ট্ৰীয় মালিকানাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। নেহৰুৰ ভাষাত কবলৈ গলে—

"জাতীয় পৰিকল্পনা কমিটি এই নীতি প্ৰণয়ন কৰাৰ দিশত ইতিমধ্যে ভালেখিনি অগ্ৰসৰ হৈছে যে প্ৰতিৰক্ষা আৰু মূল শিল্প সমূহ তথা জনসেৱা মূলক প্ৰতিষ্ঠানবোৰ হয় ৰাষ্ট্ৰীয় মালিকানাধীন অথবা নিয়ন্ত্ৰিত হ'ব।

প্ৰতিৰক্ষা উদ্যোগৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱা হৈছে যে সেইবোৰ নিশ্চিতভাৱে ৰাষ্ট্ৰৰ মালিকানাধীন আৰু নিয়ন্ত্ৰিত হ'ব। মূলশিল্প বোৰৰ ক্ষেত্ৰত (কমিটিৰ) সৰহভাগৰ মত হ'ল যে সেইবোৰো ৰাষ্ট্ৰীয় মালিকানাধীন হওক, কিন্তু বুজনসংখ্যক সংখ্যালঘিষ্ঠৰ মত হ'ল যে ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণেই পৰ্য্যাপ্ত হ'ব।

ৰাজহুৱা সেৱাখণ্ডৰ ক্ষেত্ৰতো সিদ্ধান্ত হয় যে তাৰ মালিকানা হ'ব কেন্দ্ৰীয় চৰকাৰ বা প্ৰাদেশিক চৰকাৰৰ অথবা কোনো স্থানীয় পৰিষদ (বোৰ্ড)ৰ .... ...."

পত্ৰঃ ২ ফেব্ৰুৱাৰী ১৯৪০

এনেদৰেই সিদ্ধান্তসমূহ কমিটিৰ সকলো সভ্য আৰু শাখা সমূহৰ সভাপতি-সম্পাদক সকললৈ নেহৰুৱে প্ৰেৰণ কৰিছিল। ক্ষমতা পোৱাৰ পাছত অৰ্থাৎ ১৯৪৭ চনৰ ১৭ নবেম্বৰত পুনৰ নেহৰুক চেয়াৰমেন হিচাবে লৈ অৰ্থনৈতিক যোজনা কমিটি গঠন কৰিলে।

OKDISCD

কমিটিয়ে অনুমোদন কৰিলে যে—

"প্ৰতিৰক্ষা, মূল আৰু জনসেৱামূলক শিল্প প্ৰতিষ্ঠানবোৰ ৰাজহুৱা মালিকানাৰ অধীনত আৰম্ভ কৰিব লাগে। একচেটিয়া প্ৰকৃতিৰ বা কাৰ্য্য পৰিধীৰ ফালৰ পৰা সমগ্ৰ দেশখনকে উপকৃত কৰে বা একাধীক ৰাজ্যত বিস্তৃত তেনে সমস্ত নতুন প্ৰতিষ্ঠান ৰাজহুৱা মালিনাৰ অধীনত পৰিচালিত হ'ব লাগে।

.... .... .... .... .. বিদ্যমান প্ৰতিষ্ঠান সমূহৰ ক্ষেত্ৰত হস্তান্তৰকৰণৰ প্ৰক্ৰিয়াটো পাচ বছৰৰ পিছত আৰম্ভ হব লাগে। .... ...."

(The Fouudation of Economic Planning
by A.M. ZAIDI and S. G. ZAIDI)

কমিটিৰ উক্ত অনুমোদনক ভাৰত চৰকাৰে উদ্যোগ নীতি হিচাবে গ্ৰহণ কৰিলে ১৯৪৮ চনৰ আইনৰ যোগেদি আৰু ১৯৫৪ চনৰ ডিচেম্বৰত লোকসভাত দেশৰ বিকাশৰ লক্ষ্যক "সমাজতান্ত্ৰিক আৰ্হিৰ সমাজ" হিচাবে আখ্যা দি এক আইন পাছ কৰিলে, যি সংহত হ'ল ১৯৫৬ চনৰ উদ্যোগ নীতি আইন (Industrial Policy Regulation, 1956) ৰ যোগেদি।

ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি সমূহৰ পৰাই পৰিকল্পিত অৰ্থনীতিৰ লক্ষ্য নিৰ্দ্ধাৰিত হয়। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত কোৱা হয় যে—

"অৰ্থনৈতিক ব্যৱস্থাটোৰ কাৰ্য্যধাৰাৰ ফলস্বৰূপে সম্পদ আৰু অৰ্থনৈতিক শক্তিবোৰ এমুঠি লোকৰ হাতত থুপ খাই পৰিলে ন'হব। এই বৃহত্তৰ পৰিপ্ৰেক্ষিতৰ পৰাই পৰিকল্পনাৰ কৰ্ত্তব্য নিৰ্ণয় কৰিব লাগিব।"

(প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা—অধ্যায় ১)

পৰিকল্পিত অৰ্থনীতিত ব্যক্তিগত খণ্ডৰ প্ৰভাৱ কমাই আনি ৰাজহুৱা খণ্ডক প্ৰাধান্যকাৰী অৱস্থানলৈ নিয়াৰ বাবে ২য় পঞ্চবাৰ্ষিক পৰিকল্পনাত অধিক গুৰুত্ব আৰোপ কৰা হয়!

প্ৰথম সময়ছোৱাত ৰাজহুৱা খণ্ডৰ যোগেদি অন্তৰ্গাঠনি (infrastructure), গুৰু (heavy) আৰু বুনিয়াদী (basic) উদ্যোগ সমূহৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। প্ৰকৃতাৰ্থত এই ক্ষেত্ৰ সমূহত উৎপাদনৰ বাবে দীঘলীয়া সময়ৰ প্ৰয়োজন হৈছিল আৰু কম লাভজনক



আছিল বাবে ব্যক্তিগত খণ্ড একেবাৰেই আকৰ্ষিত হোৱা নাছিল আৰু ৰাজহুৱা খণ্ডৰ যোগেদি বিৰাট পৰিমাণৰ টকা বিনিয়োগ কৰিব লগা হৈছিল।

ভাৰতৰ শাসকহঁতে পৰিকল্পিত অৰ্থনীতিৰ মূল স্তম্ভ ৰাজহুৱা খণ্ডৰ নীতি নিৰ্দ্ধাৰণ কৰিছিল এনেদৰেই। আচলতে এওঁলোকে বৃটিছ আমোলত বাস্তবায়িত হোৱা নীতি সমূহৰ ধাৰাবাহিকতাহে ৰক্ষা কৰিছিল। বৃটিছে ১৯২২ চনত ব্যক্তিগত মালিকানাধীন ৰেল বিভাগক ৰাষ্ট্ৰৰ অধীনলৈ আনিছিল। ডাক-তাঁৰ আৰু জলসিঞ্চন উপনিবেশিক শাসনৰ পৰাই কেন্দ্ৰীয়ভাৱে নিয়ন্ত্ৰণ কৰা হৈছিল। ভাৰতীয় ৰিজাৰ্ভ বেঙ্কেও কাৰ্য্যতঃ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ চৰিত্ৰ লাভ কৰিছিল।

এতিয়া আলোচনা কৰা হওক ভাৰতীয় বুৰ্জোৱাৰ প্ৰতিনিধিহঁতে বিভিন্ন সময়ত হাতত লোৱা পদক্ষেপ সমূহৰ বিষয়ে।

১৯৪৭ চনৰ পৰা ১৯৫০ চনলৈকে ৰাষ্ট্ৰই জল শক্তি (Hydel Power) আৰু জলসিঞ্চন বিভাগত মূলতঃ গুৰুত্ব দিছিল। ৰাষ্ট্ৰীয় খণ্ডৰ ১ম পণ্য উৎপাদক ইউনিট টেলিফোন উদ্যোগে ১৯৫০ চনত উৎপাদন আৰম্ভ কৰিছিল।

অন্তৰ্গাঠনিক শক্তিশালী কৰাৰ বাবে ১৯৫০ চনৰ পৰা ১৯৫৪ চন পৰ্য্যন্ত পৰিবহন, ৰেলৱে, টেলিফোন কেবলচ, বিমান পথ, জাহাজ শিল্প ইত্যাদিত বিনিয়োগ কেন্দ্ৰীভূত কৰে। ১৯৫৫ ৰ পৰা ১৯৫৮ চনৰ সময়চোৱাত বুনিয়াদী সামগ্ৰী উৎপাদন ক্ষেত্ৰ সমূহলৈ ৰাষ্ট্ৰ প্ৰৱেশ কৰে আৰু পুঁজিসামগ্ৰী শিল্প, শক্তি, বাতৰি কাগজ, বিত্ত আৰু বাণিজ্যৰ ক্ষেত্ৰত কেন্দ্ৰীভৱন ঘটায়।

ভাৰতৰ ইমপিৰিয়েল বেঙ্কক ৰাষ্ট্ৰীয়কৰণ কৰি ভাৰতীয় ষ্টেট বেঙ্ক (State Bank of India) প্ৰতিষ্ঠা কৰে আৰু ১৯৬৯ চনত ১৪টা বৃহৎ বাণিজ্যিক বেঙ্ক ৰাষ্ট্ৰীয়কৰণৰ যোগেদি এই ক্ষেত্ৰলৈ ৰাষ্ট্ৰ প্ৰৱেশ কৰে। ১৯৮০ চনতো ৬টা ভাৰতীয় বেঙ্ক ৰাষ্ট্ৰীয়কৰণ কৰি ৰাষ্ট্ৰৰ খোপনি গজগজীয়া কৰে।

ষাঠিৰ দশকটোত বুনিয়াদী সামগ্ৰী বিশেষকৈ অলৌহ (non-ferrous) ধাতু, পুঁজি সামগ্ৰী, ৰাসায়নিক আৰু সাৰ উদ্যোগৰ বিস্তৃত ক্ষেত্ৰত ৰাষ্ট্ৰই পুঁজি বিনিয়োগ কৰে। এই সময়ছোৱাতেই তেল, খাদ্য সামগ্ৰী আৰু হস্তশিল্পৰ দেশীয় আৰু বৈদেশিক বাণিজ্যৰ ভিতৰলৈ ৰাষ্ট্ৰ প্ৰৱেশ কৰাৰ উপৰিও নিৰ্মান—শিল্প আদিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

OKDISCD

চমুকৈ কবলৈ গলে ৰাষ্ট্ৰীয় খণ্ডই বুনিয়াদী, কেঁচা সামগ্ৰী, শক্তি, পুঁজি সামগ্ৰী, পৰিবহন আৰু নিৰ্মাণ শিল্পক নিয়ন্ত্ৰণ কৰিছে। এই প্ৰক্ৰিয়াটো সংহত হৈছিল কেন্দ্ৰীভৱন ( concentration ) আৰু কেন্দ্ৰীয়কৰণ ( centralisation ) এই দুই প্ৰক্ৰিয়াৰ যোগেদি। উৎপাদন, পাইকাৰী বিক্ৰি, বিত্তীয় দিশ ইত্যাদি ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰি একোটা নিৰ্দিষ্ট খণ্ডত ( যেনে—তেল, লো আদি ) কেন্দ্ৰীভৱন ঘটায় আৰু বিভিন্ন শাখা উদ্যোগক সৰ্বভাৰতীয় আহিঁত কেন্দ্ৰীয়কৰণ কৰে। উদাহৰণ স্বৰূপে ১৯৭৩ চনত SAIL ( Steel Authority of India Limited ) গঠন কৰি সকলোবিলাক ৰাষ্ট্ৰীয়-খণ্ডৰ ইস্পাত শিল্প কেন্দ্ৰীয়কৰণ কৰে। এই প্ৰক্ৰিয়াৰ যোগেদিয়েই ৰাষ্ট্ৰীয় আমোলাতান্ত্ৰিক পুঁজিবাদ গঢ়ি উঠে আৰু ভাৰতীয় ৰাষ্ট্ৰই নিজস্ব বৈশিষ্ট্য আহৰণ কৰে।

ভাৰতৰ শাসকহঁতে পৰিকল্পিত অৰ্থনীতিৰ মূল বাহক ৰাষ্ট্ৰীয়খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ ভাৰতীয় অৰ্থনীতিত প্ৰাধান্য বৃদ্ধি কৰিবলৈ গৈ নানা ধৰণৰ মঙ্গলবাণী প্ৰচাৰ কৰিছিল। তেতিয়াৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৱে ইয়াক সমাজতন্ত্ৰৰ দিশত "এক চমু পদক্ষেপ" বুলি মন্তব্য কৰিছিল। কিন্তু সময়ে উদঙাই দিলে ৰাষ্ট্ৰীয় খণ্ডৰ প্ৰকৃত চৰিত্ৰক. উদঙাই দিলে সিহঁতৰ অন্তৰ্নিহিত সংকটক। এটাৰ পাছত এটাকৈ শ শ উদ্যোগ ৰুগ্ন হৈ যাব ধৰিলে, তাৰেই কিছুমানত তলা ওলমিল আৰু কিছুমান ব্যক্তিগত খণ্ডক গতাই দিয়া হল। লাখ লাখ শ্ৰমিক দূৰ্দশাত ভুগিব লগা হল। সমাজতান্ত্ৰিক পদক্ষেপৰ কি পুতৌজনক পৰিণতি !

ৰাজীৱ গান্ধী চৰকাৰে নতুন অৰ্থনৈতিক নীতিৰ মাধ্যমত এই সংকটক আৰু গভীৰ কৰি তুলিলে। নতুনকৈ প্ৰতিষ্ঠা কৰিব লগা সকলো উদ্যোগ ব্যক্তিগত খণ্ডক দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ যোগেদি বাস্তবায়িত হোৱা এই নীতিয়ে ৰাজহুৱা খণ্ডৰ ওপৰত মাধমাৰ শোধালে। যি খণ্ডৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি অহা হৈছিল আৰু যাক পৰিকল্পিত অৰ্থনীতিৰ প্ৰধান বাহক হিচাবে লোৱা হৈছিল সিবিলাকৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বিপৰীতে দেশী-বিদেশী ব্যক্তিগত আৰু বহুজাতিক সংস্থা সমূহক ন ন ক্ষেত্ৰলৈ প্ৰবেশৰ সুবিধা কৰি দিলে। চলিত পৰিকল্পনাৰ সৰ্বমুঠ বিনিয়োগৰ ৫২'১৬% অৰ্থাৎ ১,৬৮,১৪৮



কোটি টকা ব্যক্তিগত খণ্ডত আৰু ৪৭'৮৪% অৰ্থাৎ ১,৫৪.২১৮ কোটি টকা ৰাষ্ট্ৰীয় খণ্ডত বিনিযোগ কৰি ব্যক্তিগত খণ্ডলৈ অধিক সা-সুবিধা আগবঢ়াইছে। জনকল্যাণমূলক আঁচনি সমূহত বিনিয়োগ কমাই দিছে। M.R.T.P আৰু ফেৰা ( FERA ) সংশোধনৰ যোগেদি দেশী-বিদেশী বৃহৎ কোম্পানীবিলাকৰ লুণ্ঠনৰ বাট মুকলি কৰি দিছে। এই ক্ষেত্ৰত তথ্য উপস্থাপন কৰি প্ৰবন্ধ দীঘলীয়া কৰাৰ পৰা বিৰত থাকিলো।

ৰাষ্ট্ৰীয় উদ্যোগ সমূহৰ লাভৰ পৰিমাণ কমি আহে—উদাহৰণ স্বৰূপে ১৯৮১-৮২ চনত ৪৫৫ ৯ কোটি টকা, ১৯৮২-৮৩ চনত ৬১৭ ৯ কোটি টকা, ১৯৮৩-৮৪ চনত ৩২'২ কোটি টকা। আনহাতে ব্যক্তিগত খণ্ডৰ সম্পদৰ পৰিমাণ ব্যাপক হাৰত বাঢ়ি যায়। পৰিকল্পিত অৰ্থনীতিৰ প্ৰভাৱ আৰু স্বৰূপ উপলব্ধি কৰাৰ বাবে ভাৰতীয় ১০ টা বৃহৎ বুৰ্জোৱা গোষ্ঠীৰ সম্পদৰ তালিকা দাঙি ধৰিলো ঃ

| গোষ্ঠীৰ নাম | সম্পদৰ পৰিমাণ ( কোটি টকাত ) | | | |
|---|---|---|---|---|
| | ১৯৬৩-৬৪ চন | ১৯৭২ চন | ১৯৮২চন | ১৯৮৪, ৩১ ডি |
| ১/ টাটা | ৩৭৫'০ | ৬৪১'৯৩ | ২৪৩০'৮৩ | ২৪৪৯ ৩ |
| ২/ বিৰলা | ২৪২'৯ | ৫৮৯'৪২ | ২০০৪'৭৪ | ২৫৫১'৬ |
| ৩/ মফতলাল | ৩৯'৫ | ১৮৩'৭৪ | ৫৯৮'৮৯ | ৭১২'২ |
| ৪/ জে কে সিংহানিয়া | ৫৪'৫ | ১৮১'৪৩ | ৬২০'৩১ | ৬৯২'৩ |
| ৫/ থাপাৰ | ৬৩'৩ | ১৩৬'১৬ | ৪৬৪'৫০ | ৫৭২'১ |
| ৬/ এ. চি. চি. | ৭৬'৯ | ১৩৪'৩৬ | ৩৭৮'৩১ | ৪৫৬'২ |
| ৭/ আই. চি. আই. | ৩৬'৯ | ১৩৫'২৩ | ৩৭৮'৩১ | ৪৪৯'৭ |
| ৮/ চাৰাভাই | ৩৩'৮ | ৮৪'৪৪ | ৩৫৬'৯১ | ৪৪০'৯ |
| ৯/ বাঙ্গুৰ | ৬২'৫ | ১২৫'২৬ | — | ৩৭৩ ৭ |
| ১০/ কিৰলোচকাৰ | ১৯'১ | ৮৬'৪৬ | ৩৩৪ ২৯ | ৩৭০'২ |

[ সুত্ৰঃ [১] ১৯৮৩ চনৰ ১৬ আগষ্ট আৰু ২১ নবেম্বৰত যথাক্ৰমে লোকসভা আৰু ৰাজ্য সভাত দিয়া প্ৰশ্নোত্তৰ [২] আজকাল ]

ৰাজহুৱা খণ্ডৰ চৰিত্ৰ সম্পৰ্কে পৰিস্কাৰ হবৰ বাবে এই সম্পৰ্কত ৰাষ্ট্ৰৰ মুখপাত্ৰ সকলে প্ৰায়েই কৰিথকা মন্তব্য আৰু পৰিচালনা ব্যৱস্থা আলোচনা নকৰিলে বিষয়টো আধৰুৱা হৈ থাকিব।

ৰাজহুৱা খণ্ডৰ ওপৰত বিতৰ্ক আৰম্ভ হলেই ৰাষ্ট্ৰৰ প্ৰতিনিধি সকলে বাক্যবান প্ৰয়োগ কৰে যে আমাৰ দেশৰ অৰ্থনীতিত ৰাষ্ট্ৰীয় খণ্ডৰ এক বিশেষ স্থান আছে, কেৱল লাভ লোকচানৰ ওপৰত থিয় হৈ এনে শিল্পোদ্যোগৰ পৰ্য্যালোচনা কৰিলে ভুল হব। স্বীকাৰ্য যে এনে উদ্যোগক কেৱল লাভ লোকচানৰ দৃষ্টিভংগীৰ পৰা বিচাৰ কৰাটো যুক্তিসংগত নহয়। বিপৰীতে সামগ্ৰীক অৰ্থনীতিত ইয়াৰ প্ৰভাৱ আৰু উৎপাদিকা শক্তিৰ বিকাশ কি মাত্ৰাত বৃদ্ধি কৰিছে এই দৃষ্টিভংগীৰে ইয়াক চাব লাগিব। কিন্তু আমি কি দেখিবলৈ পাওঁ ?

আমি প্ৰত্যক্ষ কৰিলো পৰিচালক মণ্ডলীৰ চৰম দুৰ্নীতিৰ বাবে উদ্যোগ সমূহ বন্ধ হৈ যোৱাক। প্ৰত্যক্ষ কৰিলো জাতীয় অৰ্থনীতিৰ অৰাজকতাক। প্ৰত্যক্ষ কৰিলো জীৱন্ত মূল উৎপাদিকা শক্তি শ্ৰমিক শ্ৰেণীক ধ্বংসমুখী কৰি মানৱ সম্পদক বিপন্ন কৰাক! আমি প্ৰত্যক্ষ কৰিলো ৰাইজৰ ধনেৰে প্ৰতিষ্ঠা কৰা উদ্যোগ সমূহক ব্যক্তিগত খণ্ডৰ হাতত তুলি দিয়াক। আৰু আমি প্ৰত্যক্ষ কৰিলো ৰাষ্ট্ৰীয় উদ্যোগক্ষেত্ৰলৈ দেশী-বিদেশী ব্যক্তিপুঁজি আৰু বহুজাতিক সংস্থা সমূহক প্ৰবেশৰ অনুমতি দি সাধাৰণভাবে জনসাধাৰণ আৰু নিৰ্দিষ্টভাবে শ্ৰমিক শ্ৰেণীৰ ওপৰত সৰ্বাত্মক আক্ৰমন কেন্দ্ৰীভূত কৰাক।

ৰাষ্ট্ৰীয় উদ্যোগ সমূহৰ বিফলতাৰ কাৰণ সম্পৰ্কত ডঃ অৰ্জুন সেনগুপ্ত কমিটিৰ ৰিপৰ্টত কোৱা হৈছে যে অধিক সংখ্যক শ্ৰমিক বৃদ্ধিয়েই সিবিলাকৰ ব্যৰ্থতাৰ মূল কাৰণ। প্ৰকৃততে এনে অজুহাত দুৰ্নীতিপৰায়ণ পৰিচালনা ব্যৱস্থাৰ দোষ ঢাকি ৰখাৰ প্ৰচেষ্টাহে মাথোন। তদুপৰি তথ্যই প্ৰমাণ কৰে যে ৰাষ্ট্ৰীয় খণ্ডৰ শ্ৰমিক বৃদ্ধিৰ হাৰ ৪·২৩% [ ১৯৭৯-৮০ ] ৰ পৰা ১·৬৯% [ ১৯৮৪-৮৫ ] লৈ হ্ৰাস পাইছে। আধুনিকীকৰণৰ নামত শ্ৰমিকৰ সংখ্যা কমাই অনাৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আহিছে তাকো বিদেশী বহুজাতিক সংস্থাৰ স্বাৰ্থতহে। তাৰো এঢাপ আগুৱাই গৈ স্বয়ং প্ৰধান মন্ত্ৰীয়ে বহুতীয়া বুৰ্জোৱা হঁতৰ একে সুৰত মন্তব্য কৰিছে যে — "ভাৰতৰ শ্ৰমিক বিলাক বিশ্বৰ আটাতকৈ এলেহুৱা আৰু অদক্ষ"। ভাৰতৰ শাসকহঁতৰ শ্ৰমিক বিৰোধী স্বৰূপ আৰু



বৃহৎবুৰ্জোৱা তথা সাম্ৰাজ্যবাদৰ পক্ষত কৰা এনে উক্তি এক বিৰাট সংকটৰেই অভিব্যক্তি।

প্ৰকৃততে ভাৰতবৰ্ষৰ অৰ্থনৈতিক সংকটক গভীৰতৰ কৰাতহে ৰাষ্ট্ৰৰ নীতি সমূহ কামত লাগিল। তাৰ ফলত জাতীয় অৰ্থনীতিত সৃষ্টি হল নৈৰাজ্য আৰু অনিবাৰ্য্য ভাবে শ্ৰমিক বিক্ষোভ সমূহ বাঢ়ি আহিল। কিন্তু শাসক গোষ্ঠীয়ে শিল্প-উদ্যোগ সমূহৰ ব্যৰ্থতাৰ বাবে শ্ৰমিক আন্দোলন সমূহক জগৰীয়া কৰে। পাকে-প্ৰকাৰে সকলো দোষ শ্ৰমিকৰ ওপৰত জাপি দিয়ে। ৰাজীৱ চৰকাৰে বিভিন্ন কলা আইন প্ৰণয়ন আৰু প্ৰচলিত আইনৰ সংশোধনৰ যোগেদি শ্ৰমিক শ্ৰেনীৰ ওপৰত সৰ্বাত্মক আক্ৰমন নমাই আনিছে, শ্ৰমিকৰ নুন্যতম অধিকাৰকণো কাঢ়ি নিয়াৰ চেষ্টা কৰিছে। চূড়ান্ত বিচাৰত এইখনেই সেই "সমাজতান্ত্ৰিক আৰ্হিৰ সমাজ।"

ভাৰতবৰ্ষৰ ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ মাজত কোনো বিশেষ পাৰ্থক্য নাই অথবা দুই খণ্ডৰ মাজত কোনো বিৰাট প্ৰতিযোগিতা নাই। বিপৰীতে দুই খণ্ডই এক সহঅৱস্থানত কাৰ্য্য সম্পাদন কৰে। প্ৰচলিত ৰাষ্ট্ৰীয় খণ্ড ভাৰতৰ বৃহৎ বুৰ্জোৱাৰ মগজুৰ উপজাত সন্তান। কোন বিলাক সেৱা ৰাষ্ট্ৰীয় খণ্ডত প্ৰতিষ্ঠা কৰিলে সিহঁত উপকৃত হব পাৰিব, তাৰ এক ৰূপ-ৰেখা তৈয়াৰ হৈছিল ১৯৪৭ চনতেই।

ৰাষ্ট্ৰীয় খণ্ডই IDBI, IFCI, LICI, ইত্যাদি বিত্তীয় প্ৰতিষ্ঠানৰ যোগেদি ৰাইজৰ পৰা টকা আহৰণ কৰি ব্যক্তিগত খণ্ডলৈ সাহায্য আগবঢ়ায়। বিকাশ আৰু পৰামৰ্শ সম্পৰ্কীয় সাহায্য; ৰপ্তানী ঋনদান যোগান ধৰি ৰপ্তানী বাণিজ্যত সহায় কৰে। সামগ্ৰীকভাৱে অন্তৰ্গাঠনিক শক্তিশালী কৰি ব্যক্তিগত খণ্ডৰ বিকাশত অৰিহনা যোগায়।

দুইখণ্ডৰ মাজত বিশেষ কোনো প্ৰতিযোগিতা নথকাৰ অন্যতম কাৰণ হল ৰাষ্ট্ৰীয় খণ্ড এনে বিলাক ক্ষেত্ৰত প্ৰতিষ্ঠা কৰা হৈছে য'ত ব্যক্তিগত পুঁজি প্ৰবেশ কৰি লাভ অৰ্জন কৰিব নোৱাৰে। কিন্তু ৰাইজৰ ধন ব্যয় কৰি জটিল আৰু লাভহীন ক্ষেত্ৰ সমূহত উদ্যোগ প্ৰতিস্থা কৰি ব্যক্তিগত খণ্ডক পুঁজি সামগ্ৰী [ Capital goods ] আৰু মধ্যৱৰ্তী উৎপাদিত দ্ৰব্য [ intermediate Products ] ৰেহাই মূল্যত যোগান ধৰে। তদুপৰি বিভিন্ন ক্ষেত্ৰলৈ ব্যক্তিখণ্ডক অনুপ্ৰবেশৰ অনুমতি দি তাৰ বিকাশৰ পথ প্ৰশস্ত কৰিছে, আনকি ১৯৮২ চনত

OKDISCD

সৰ্ব্বোচ্চ লাভ অৰ্জন কৰা তৈল ক্ষেত্ৰলৈকো। এনে তিনিটা ইউনিট হ'ল- ONGC-১১৮২.৮৭ কোটি টকা; OIL-২০৫.৬৪ কোটি টকা; ICO-১৫০.০৮ কোটি টকা।

ৰাষ্ট্ৰীয় খণ্ডক ব্যক্তিগত খণ্ডৰ সাহায্যকাৰী প্ৰতিষ্ঠান হিচাবে গঢ়ি তোলাৰ মূল কাৰণ হল ভাৰতৰ শাসক গোষ্ঠীয়ে বৃহৎ বুৰ্জোৱাহঁতৰ প্ৰতিনিধিত্ব কৰে। শ্ৰেণীস্বাৰ্থ চৰিতাৰ্থ কৰাৰ উপযোগী কৰি সিহঁতে নীতি বিলাক লৈছে আৰু পৰিচালনা ব্যৱস্থা গঢ়ি তুলিছে। সকলোবিলাক প্ৰতিষ্ঠানক সৰ্ব্বোচ্চ আমোলা আৰু মন্ত্ৰনালয়ে নিয়ন্ত্ৰণ কৰে। ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান সম্পৰ্কীয় কমিটি সংসদৰ এক সংগঠন, যি সমগ্ৰ ৰাষ্ট্ৰীয় খণ্ডক নিয়ন্ত্ৰণ কৰে। প্ৰতিটো প্ৰতিষ্ঠানৰ সঞ্চালক মণ্ডলী (Board of Directors) গঠিত হয় বৃত্তিধাৰী কাৰ্য্যবাহক, উচ্চপৰ্য্যায়ৰ আমোলা, ব্যক্তিগত পুঁজিপতি ব্যক্তিগত খণ্ডৰ সঞ্চালক মণ্ডলীৰ সদস্য, শাসক পাৰ্টিৰ ৰাজনীতিবিদ আদিক লৈ। কোনো কোনো ক্ষেত্ৰত শাসক পাৰ্টিৰ ট্ৰেড ইউনিয়ন নেতাও ইয়াৰ অন্তৰ্ভুক্ত হয়। কিন্তু শ্ৰমিকৰ প্ৰকৃত প্ৰতিনিধিয়ে পৰিচালনা ব্যৱস্থাত কোনো স্থান নাপায়। যাৰ ফলত ৰাষ্ট্ৰীয় খণ্ডত দুৰ্নীতি আৰু অপচয়ৰ প্ৰকোপ বাঢ়িছে; ব্যক্তিগত খণ্ডৰ সৈতে প্ৰতিযোগিতাৰ বিপৰীতে সাহায্যকাৰী ভূমিকা লৈছে; ৰাষ্ট্ৰীয় খণ্ডক অচল কৰি ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ পথ প্ৰশস্ত কৰি তুলিছে; শ্ৰমিকৰ ওপৰত সকলো দিশৰ পৰা তীব্ৰ আক্ৰমণ নমাই আনিছে।

ৰাজহুৱা খণ্ড গঢ়ি তোলা হৈছে ভয়াবহ বিদেশী ঋণৰ বোজা আৰু জনগণৰ ওপৰত কৰ বোজা জাপি দিয়াৰ যোগেদি ৰাজহুৱা ধন আহৰণ কৰি। এই খণ্ডৰ মূল বিনিয়োগ আহে বাজেটীয় উৎসৰ পৰা। ঘাটি বাজেটৰ যোগেদি জনসাধাৰণৰ ওপৰত নানা ধৰণৰ কৰ জাপি দিয়া হয়। আমাৰ দেশত মুঠ কৰৰ ৮০% (১৯৭৯-৮০ চনৰ হিচাব মতে) আহে প্ৰত্যক্ষ কৰৰ পৰা। ফলস্বৰূপে পুঁজিপতি, ধনীকশ্ৰেণী, জোটদাৰহঁতে ইয়াৰ পৰা ৰেহাই পায়। আনহাতে ঘাটি বাজেট পূৰাবৰ বাবে ৰেলভাড়া, পথ পৰিবহন ভাড়া বৃদ্ধি কৰা হয়, ডাকতাঁৰ, বিদ্যুৎ আদিৰ নিৰিখ বঢ়োৱা হয়।

জনসাধাৰণে বহন কৰা কৰ আৰু বিদেশী ঋণৰ বোজাৰ পৰিণাম স্বৰূপে গঢ়ি উঠা উদ্যোগ সমূহৰ এই অৱস্থাক সলনি কৰিব নোৱাৰিলে ৰাজহুৱা টকাৰ ব্যৱহাৰ হৈ থাকিব ব্যক্তিগত খণ্ডৰ বিকাশৰ স্বাৰ্থত।



ভাৰতীয় শাসকহঁতেও ইয়াকে বিচাৰে। সেয়ে ৰাজীৱ গান্ধীৰ "নতুন অৰ্থনৈতিক নীতি"ৰ পৰা আমি বেলেগ কোনো আশা কৰিব নোৱাৰো।

ৰাজহুৱা খণ্ডক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ উদ্যোগ শাসক গোষ্ঠীয়ে ভাৰতীয় জনসাধাৰণ আৰু শ্ৰমিক শ্ৰেণীৰ প্ৰতি কৰা জঘন্যতম বিশ্বাস ঘাটকতাৰ বাহিৰে অন্য একো নহয়।

অসমতো আমি দেখিবলৈ পালো অশোক কাগজ কল দুৰ্নীতিপূৰ্ণ পৰিচালনাৰ বাবে বন্ধ হৈ গল। বন্ধৰ আগৰে পৰাই কৰ্তৃপক্ষৰ দুৰ্নীতি, অপচয়ৰ বিৰুদ্ধে বিভিন্ন অভিযোগ কৰি অহা হৈছিল যদিও চৰকাৰ অথবা পৰিচালক মণ্ডলী কোনেও ভ্ৰূক্ষেপ নকৰিলে। অৱশেষত তলা লাগিল আৰু ব্যক্তিগত খণ্ডলৈ হস্তান্তৰৰ কথাবাৰ্তা চলিল।

সম্প্ৰতি শক্তিখণ্ডইও ভাল উৎপাদন কৰিব পৰা নাই, বিভিন্ন দুৰ্নীতি-অপচয়ৰ বাবে। উদাহৰণ স্বৰূপে বঙাইগাঁও তাপবিদ্যুৎ প্ৰকল্পৰ উৰ্দ্ধতন মহলৰ দুৰ্নীতিৰ বাবে চাৰিটা ইউনিটৰ (এটা অতিৰিক্ত) মাথো এটা বা দুটা ইউনিটেহে একেলগে উৎপাদন কৰিব পাৰে। যান্ত্ৰিক বিজুতি ইত্যাদিৰ বাবে একে সময়তে কোনো দিন তিনিওটা কাৰ্য্যক্ষম হোৱাৰ নজিৰ নাই। কিন্তু কেন্দ্ৰীয় বিদ্যুৎ কৰ্তৃপক্ষই হ'ল ইয়াৰ সৰ্বেসৰ্বা; তেওঁলোকৰ ইচ্ছামতেই সকলো চলে।

চি, পি, আই (এম) আৰু বিভিন্ন আঞ্চলিক চৰকাৰ সমূহে কেন্দ্ৰৰ এই নীতিকেই কাৰ্য্যকৰী কৰিছে। আঞ্চলিক অৱস্থাৰ লগত খাপখুৱাই ৰাষ্ট্ৰীয় খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠা দূৰৰ কথা, থলুৱা বিকাশ বিধ্বংশী বিদেশী প্ৰযুক্তিৰ আমদানীৰ নীতিক ৰোধ কৰা প্ৰচেষ্টাৰো কোনো লক্ষণ দেখা পোৱা নগল। অসম গণ পৰিষদ চৰকাৰেও এই নীতি কাৰ্য্যকৰী কৰাৰ যোগেদি আঞ্চলিক বিকাশৰ মাধ্যমত আঞ্চলিক আশা-আকাঙ্খাক বাস্তৱায়িত কৰিব বুলি ভবাৰ কিবা থল আছেনে? ৰাজহুৱা খণ্ডৰ অৱস্থাৰ পৰিবৰ্তনৰ বাবে প্ৰচলিত পৰিচালনা ব্যৱস্থাৰ আমূল পৰিবৰ্তন কৰিব লাগিব। প্ৰথমতেই পৰিচালক মণ্ডলীত একচেতীয়া ব্যৱসায়ী গোষ্ঠীৰ প্ৰতিনিধি আৰু বহুজাতিক সংস্থাবিলাকৰ প্ৰতিনিধিৰ অন্তৰ্ভূক্তিক ৰোধ কৰিব লাগিব। তাৰ বাবে প্ৰয়োজনীয় আইন-কানুন প্ৰণয়ন কৰিব লাগিব। দ্বিতীয়তে যি শ্ৰমিকসকলে কপালৰ ঘাম পেলাই উদ্যোগ সমূহক জীয়াই ৰাখিছে সেই শ্ৰমিক শ্ৰেণীৰ প্ৰকৃত প্ৰতিনিধিক পৰিচালক মণ্ডলীত অন্তৰ্ভূক্ত কৰাৰ যোগেদি উদ্যোগ

OKDISCD

পৰিচালনাৰ ভাৰ শ্ৰমিকে পাব লাগিব। শ্ৰমিক আৰু পৰিচালক মণ্ডলীৰ মাজত থকা দূৰত্বক নাইকীয়া কৰিব লাগিব। এক কথাত কেৱল অংশ গ্ৰহণ নহয়, পৰিচালনা ব্যৱস্থাক শ্ৰমিকে জয় কৰিব লাগিব কিয়নো শাসক-গোষ্ঠীয়ে পৰিচালনা ব্যৱস্থাত শ্ৰমিকৰ অংশ গ্ৰহণৰ শ্লগান দাঙি ধৰি শ্ৰমিক শ্ৰেণীক প্ৰতাৰণা কৰে। যেতিয়ালৈকে উদ্যোগ চলোৱাৰ সম্পূৰ্ণ অধিকাৰ শ্ৰমিকৰ নাথাকিব তেতিয়ালৈকে অংশগ্ৰহণ অৰ্থহীন হৈ থাকিব। তৃতীয়তে ৰুগ্ন শিল্প সমূহ ব্যক্তিখণ্ডলৈ হস্তান্তৰ বন্ধ কৰিব লাগিব আৰু অনুসন্ধানৰ যোগেদি ৰুগ্নতাৰ প্ৰকৃত কাৰণ বাহিৰ কৰিব লাগিব আৰু দূৰীকৰণৰ উচিত পদক্ষেপ লব লাগিব। এই ক্ষেত্ৰত শ্ৰমিক আন্দোলনৰ এক নতুন ধাৰা প্ৰয়োজন যি অশ্ৰমিক জনসাধাৰণকো যুক্ত কৰিব পাৰিব, তাৰ অবিহনে কোনো নতুনত্ব পোৱা নাযাব।

শেষ বিচাৰত ভাৰতীয় পুঁজিবাদৰ প্ৰধান সংকট—যি সংকট বিনি-য়োগৰ নহয় বৰং বজাৰৰ, মুলতঃ দেশীয় বজাৰৰ, আতৰাব নোৱাৰিলে ভাৰতীয় বুৰ্জোৱাই নিয়ন্ত্ৰণ কৰা ৰাষ্ট্ৰৰ যোগেদি ৰাষ্ট্ৰীয় খণ্ডক নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰি থাকিব আৰু দেশীয় অৰ্থনীতিৰ সৰ্বনাশ কৰিব। জনসাধাৰণৰ ক্ৰয় ক্ষমতা বঢ়াব নোৱাৰিলে আৰু কৃষিৰ আধুনিকীকৰণৰ যোগেদি শিল্প উদ্যোগ আৰু কৃষিৰ সম্যক বিকাশ নহলে সংকট অধিক ঘণীভূত হবই। বিপৰীত দিশৰ পৰা যি শ্ৰেণীয়ে ৰাষ্ট্ৰক নিয়ন্ত্ৰণ কৰি আছে সেই শ্ৰেণীৰ স্বাৰ্থতেই ৰাইজৰ ধনৰ ব্যৱহাৰ হৈছে। গতিকে জনগণৰ প্ৰকৃত ক্ষমতাক সংহত কৰিব নোৱাৰিলে ৰাষ্ট্ৰীয় খণ্ডৰ উদ্যোগ সমূহৰ ৰাজহুৱা মালিকানা, পৰিচালনা আৰু সম্পূৰ্ণ নিয়ন্ত্ৰণ আশা কৰাটো হব সম্পূৰ্ণ ভিত্তিহীন ; যিমানেই সমাজতন্ত্ৰৰ শ্লগান নিদিয়ক লাগে।

সমকালীন মাৰ্ক্সবাদৰ বছেৰেকীয়া গ্ৰাহক হওক। বছৰটোৰ চাৰিটা সংখ্যাৰ বাবে কুৰিটকা [ টকা ২০'০০ ] M,O অথবা ড্ৰাফট যোগে পঠাওক।

সমকালীন মাৰ্ক্সবাদৰ এজেঞ্চিৰ বাবে যোগাযোগ কৰক। ২৫ কপিৰ কমত এজেঞ্চি দিয়া নহয়। কমিচন ২৫%।

# দাছ কেপিটেল অধ্যয়ন (২)

ব্ৰজকিশোৰ শইকীয়া

[ প্ৰাক্-কথনঃ মানুহৰ বৈশিষ্ট হ'ল শ্ৰম, সামাজিক সংগঠন, ভাষা আৰু চেতনা। মানবীয় শ্ৰম সচেতন আৰু সামাজিক। এই শ্ৰমৰ অন্যতম বিশেষত্ব হ'ল উৎপাদনৰ বাবে আহিলা-পাতিৰ ব্যৱহাৰ কৰা। উৎপাদনৰ আহিলা-পাতি উন্নত হৈ অহাৰ ফলত উৎপাদন কৰিব পৰা ক্ষমতা বা শ্ৰমৰ উৎপাদনশীলতাৰ বিকাশ ঘটে ; তেতিয়া মানুহে নিজৰ প্ৰয়োজনতকৈ বেছি পৰিমাণে উৎপাদন কৰিবলৈ সমৰ্থ হয়। আদিম গোষ্ঠীসমাজত উদ্বৃত্ত বা ৰাহি সৃষ্টি হোৱা নাছিল। দাস সমাজব্যৱস্থাত কৃষি-কাৰ্য্যৰ অগ্ৰগতিৰ ফলত কিছু উদ্বৃত্ত আহৰণ হৈছিল. কিন্তু সেই উদ্বৃত্ত অধিক উৎপাদনৰ বাবে নিয়োজিত হোৱাৰ সলনি দাস-প্ৰভুৰ লাহ-বিলাহত খৰছ হৈ গৈছিল। চিৰায়ত সামন্তীয় সমাজৰ উৎপাদন-প্ৰথা আছিল সৰল পণ্য উৎপাদন ; এই কালচোৱাত শ্ৰম বিভাজন অধিক স্পষ্ট হয় ; বিনিময়, বাণিজ্য আৰু বজাৰৰ সম্প্ৰসাৰণ ঘটে। ইয়াৰ পিছত আহিল পুঁজিবাদলৈ উত্তৰণৰ কাল। সম্পন্ন হৈ গ'ল শিল্প-বিপ্লৱ, আৱিৰ্ভূত হ'ল সদাগৰ শ্ৰেণী। সমাজত উদ্বৃত্তৰ পৰিমাণ বিপুল ভাৱে বাঢ়ি গ'ল। পণ্য উৎপাদন সম্পূৰ্ণ হ'ল। প্ৰতিষ্ঠিত হ'ল বুৰ্জ্জোৱা বা পুঁজিবাদী উৎপাদন প্ৰথা।

উৎপাদিকা শক্তিৰ বিকাশৰ ফলত সামাজিক উদ্বৃত্ত বাঢ়ে, বিশেষী-কৰণ আৰু শ্ৰম বিভাজন তীব্ৰ হয়। শ্ৰম বিভাজনেই জন্ম দিয়ে বিনিময় ব্যৱস্থাৰ, কালক্ৰমত বিনিময়ৰ বাহন হিচাপে সৃষ্টি হয় মুদ্ৰাৰ। মুদ্ৰাৰ মাধ্য-মত দ্ৰব্যৰ বিনিময় ঘটে বজাৰত। বজাৰৰ সৰ্ব্বগ্ৰাসী বিস্তাৰে সমাজৰ প্ৰতিপদ সামগ্ৰীক পৰিণত কৰে পণ্যত। পুঁজিবাদী ব্যৱস্থাত বজাৰ সম্পূৰ্ণ-ৰূপে নৈৰ্ব্যক্তিক সত্তাত পৰিণত হয়। পণ্যৰ আত্মপ্ৰকাশ ঘটে মূল্যৰ ৰূপতঃ মূল্যৰূপৰ পূৰ্ণ বিকশিত অৱস্থাটোৱেই মুদ্ৰা-ৰূপ। বুৰ্জোৱা সমাজত পণ্যই হৈ পৰে অৰ্থনৈতিক প্ৰাণকোষ।

OKDISCD

কিন্তু পণ্য-বিনিময় আৰম্ভ হৈছিল লিখিত ইতিহাসৰ পূৰ্ব্বেই; মিচৰত খ্ৰীঃ পূঃ ৫০০০ বা বেবিলনত খ্ৰীঃ পূঃ ৬০০০ চনতে। আৰু এই বিনিময় ঘটিছিল মাক্স' বৰ্ণিত মূল্যৰ নিয়ম অনুসাৰে; অৰ্থাৎ পণ্যত নিহিত শ্ৰম সময় অনুসাৰে। অংশগ্ৰাহী সকলৰ চেতনাত উদিত নোহোৱাকৈয়ে এই নিয়ম বলবৎ হয় ঠিক প্ৰাকৃতিক নিয়মৰ দৰে। তাক চিনাক্ত কৰা সম্ভৱ শ্ৰমসাধ্য তাত্ত্বিক অনুসন্ধানৰ জড়িয়তেহে। এই নিয়মৰে আটাইতকৈ গুৰুত্ব পূৰ্ণ অগ্ৰগতি হ'ল মুদ্ৰাৰূপ। এই পৰিচিত ৰূপটোৰ তলি কাৰ্লমাক্স'ৰ পূৰ্ব্বে কোনেও চুবগৈ পৰা নাছিল। 'দাছ কেপিটেল'ত মাক্সে পোণপ্ৰথমে বিশ্লেষণ কৰি দেখুৱাইছে পণ্য আৰু তাৰ জটিল সম্পৰ্কৰাশি। এই বিশ্লেষণৰ জড়িয়তে উদ্ভাষিত হৈছে আধুনিক সমাজৰ সকলোবোৰ দ্বন্দ্ব-বিসঙ্গতিৰ বীজ।]

প্ৰকৃতিৰ বুকুৰ পৰা বুটলি অনা বস্তুবোৰ মানুহে ব্যৱহাৰৰ উপযোগী কৰি সজাই লয়। মানুহৰ এই বিশিষ্ট ক্ষমতাৰ নামেই শ্ৰম শক্তি। শ্ৰমেই সামাজিক প্ৰমূল্যৰ সৃষ্টি কৰে, অৰ্থাৎ প্ৰকৃতিৰ পৰা পোৱা সামগ্ৰীক সমাজৰ উপযোগী কৰি তোলে। সামাজিক উপযোগীতাই কোনো বস্তুক এক বিশেষ ব্যৱহাৰিক মূল্য আৰোপ কৰে। এই ব্যৱহাৰ মূল্য থাকিলে বস্তু পৰিণত হয় পণ্যত। কিন্তু ব্যৱহাৰ মূল্য বা পণ্য বুলিলে আমি মাত্ৰ কোনো এক বস্তুকে নুবুজো। সেই বস্তুটোৰ ভিতৰত সোমাই থাকে মূল্য সৃষ্টি কৰিব পৰা সেই আশ্চৰ্য্য ক্ষমতা—মানবীয় শ্ৰম শক্তি। শ্ৰম ব্যৱহাৰ মূল্যৰ পিতৃ, পৃথিবী তাৰ মাতৃ। পণ্য এই শ্ৰম শক্তিৰ নিৰ্দ্দিষ্ট বস্তুগত ৰূপ।

বস্তুগত ৰূপ পাবলৈ হ'লে শ্ৰম শক্তিৰ উদ্দেশ্যপূৰ্ণ আৰু নিৰ্দ্দিষ্ট ধৰণৰ প্ৰয়েগসাধন হ'ব লাগিব। এই প্ৰয়োগসাধন হ'ল উৎপাদিকা কৰ্মকাণ্ড — যাৰ জড়িয়তে বিমূৰ্ত্ত মানবীয় শ্ৰমে নিৰ্দ্দিষ্ট মূৰ্ত্ত ৰূপ পায়, সৃষ্টি হয় ব্যৱহাৰ মূল্য বা পণ্যৰ, অৰ্থাৎ বিমূৰ্ত্ত শ্ৰম শক্তিৰ বস্তুগত আকৰৰ। স্মৰণাতীত কালৰ পৰা মানুহ এই উৎপাদিকা কাৰ্য্যকলাপত লিপ্ত হৈ আহিছে। শ্ৰমশক্তি ব্যৱহাৰৰ এই বিশিষ্ট ধৰণ বা প্ৰক্ৰিয়াটো, অন্যকথাত শ্ৰম প্ৰক্ৰিয়াই হ'ল পণ্য উৎপাদনৰ প্ৰক্ৰিয়া। কিন্তু পণ্য হ'ল ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্যৰ সমন্বয় এই অৱস্থাত শ্ৰম হৈ উঠে উৎপাদন প্ৰক্ৰিয়া আৰু মূল্য সৃষ্টি কৰা প্ৰক্ৰিয়াৰ সমন্বয়। শ্ৰম-প্ৰক্ৰিয়া আৰু মূল্য সৃষ্টি প্ৰক্ৰিয়াৰ সমন্বয় হিচাপে উৎপাদন প্ৰক্ৰিয়াটো হ'ল পণ্য-উৎপাদন; শ্ৰম প্ৰক্ৰিয়াই ইয়াত শ্ৰমৰ নিৰ্দ্দিষ্ট ফচলটোত মূল্য যুক্ত কৰিছে—সৃষ্টি কৰিছে পণ্য।



দুটা পৰস্পৰ বিৰোধী দিশ পণ্যত মিলিত হৈছে—ব্যৱহাৰ মূল্য আৰু বিনিময় মূল্য বা চমুকৈ মূল্য। এই দুয়োবিধ মূল্যই দুবিধ বিপৰীত শ্ৰমৰ প্ৰতিনিধিত্ব কৰিছে; ব্যৱহাৰ মূল্যই মূৰ্ত্ত শ্ৰম আৰু মূল্যই বিমূৰ্ত্ত শ্ৰমৰ প্ৰতিনিধিত্ব কৰিছে। সেয়ে পণ্যত নিহিত হৈ আছে দুই বিপৰীতৰ সংগ্ৰাম। পণ্যৰ এই পৰস্পৰ বিৰোধী দিশ দুটা তাৰ বিকাশ প্ৰক্ৰিয়াত বিভাজিত হৈ পৰিছে। এই বিকাশ প্ৰক্ৰিয়াৰ নাম বিনিময়। বিনিময় প্ৰক্ৰিয়াত পণ্যৰ ব্যৱহাৰ মূল্য আৰু মূল্য সামগ্ৰিক ভাৱে বিচ্ছিন্ন হৈ পৰিছে; এক ভাঙি দুই হৈছে (one splits into two)। মূল্য অৱশেষত মুদ্ৰাত পৰিণত হৈছে।

কিন্তু পণ্য একেসময়তে দুই বিপৰীতৰ ঐক্যও। যিহেতু বিমূৰ্ত্ত শ্ৰমে নিজক প্ৰকাশ কৰে মূৰ্ত্ত শ্ৰমৰ ৰূপত, সেই অৰ্থত মূল্যই নিজক প্ৰকাশ কৰে তাৰ বিপৰীত মূল্য—ব্যৱহাৰ মূল্যত। যদি বিমূৰ্ত্ত শ্ৰমে নিৰ্দ্দিষ্ট ব্যৱহাৰ মূল্যৰ অৰ্থাৎ উপযোগী দ্ৰব্যৰ ৰূপ পৰিগ্ৰহ নকৰে—তেতিয়া সেই শ্ৰম অপ্ৰয়োজনীয় হৈ পৰে, তেনে শ্ৰমৰ ফচলো হৈ পৰে অপ্ৰয়োজনীয়। ব্যৱহাৰ নোহোৱা বস্তুৰ কোনো মূল্য নাথাকে। বিমূৰ্ত্ত শ্ৰম আৰু মূৰ্ত্ত শ্ৰম, মূল্য আৰু ব্যৱহাৰ মূল্য তথা সাৰবস্তু আৰু ৰূপৰ মাজত দ্বন্দ্ব বা বিৰোধ আছে; কিন্তু সিহঁতৰ ঐক্যও আছে। এই সামগ্ৰিকতাৰ বাবেহে পণ্যৰ অস্তিত্ব সম্ভৱ হৈছে। মূৰ্ত-বিমূৰ্ত এই দুয়োটা দিশ সন্নিবিষ্ট হৈছে বাবেই পণ্য সাৰ্বজনীন, নিৰ্দ্দিষ্ট অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰাণকোষ। পণ্যক এই দ্বন্দ্বৰ পৰিপ্ৰেক্ষিতত বিশ্লেষণ কৰিলেই চকুত পৰিব তাৰ বিকাশ প্ৰক্ৰিয়া (unity of opposites and struggle); কিভাৱে প্ৰতিস্তৰত দ্বন্দ্বৰ সমাধান হৈছে আৰু নতুন দ্বন্দ্বৰ উদ্ভৱ হৈছে।

এজন মানুহে স্বাভাৱিক ভাৱেই প্ৰয়োজনীয় সমস্ত দ্ৰব্য উৎপাদন কৰি ল'ব নোৱাৰে, বিশেষীকৰণ আৰু শ্ৰম বিভাজন মানুহৰ সামাজিক অস্তিত্বৰ বাবে অপৰিহাৰ্য্য হৈ পৰে।

এই প্ৰক্ৰিয়াৰ ফলত উৎপাদিকা শক্তিৰ বিকাশৰ গতিও হৈ পৰে ক্ষিপ্ৰ, বৃদ্ধি হয় সামাজিক উদ্বৃত্ত। এজন মানুহে মাথো এপদ সামগ্ৰীৰ উৎপাদনৰ লগত জড়িত হৈয়ে অন্যান্য সামগ্ৰী আহৰণ কৰা সম্ভৱ হৈ পৰে। এনেদৰেই উদ্ভৱ হ'ল বিনিময় ব্যৱস্থা, বাণিজ্য, বজাৰ ইত্যাদি। এজন মানুহে তৈয়াৰ কৰা এটা বস্তু অন্যান্য বস্তুৰ লগত পোণপটিয়াকৈ বিনিময় কৰা

OKDISCD

সম্ভৱ হয় যদিহে ব্যক্তি মানুহৰ শ্ৰমে সামাজিক শ্ৰমৰ ৰূপ লয়; এটা বস্তুৰ ব্যৱহাৰ মূল্যই (ব্যক্তিগত শ্ৰমৰ অভিব্যক্তি) অন্যান্য বস্তুৰ মূল্য [সামাজিক শ্ৰমৰ অভিব্যক্তি] প্ৰতিনিধিত্ব কৰিব পৰা হৈ উঠে। ব্যৱহাৰ মূল্য আৰু মূল্যৰ এই সম্পৰ্কই বিনিময় সম্পৰ্ক; পণ্য বিনিময় এনে এক প্ৰক্ৰিয়া য'ত সামাজিক সম্পৰ্কই কাৰ্য্যকলাপে নিৰ্দ্দিষ্ট উৎপাদন সম্পৰ্কৰ পৰিণতি লাভ কৰে। গতিকে পণ্য উৎপাদনৰ কাৰণে সামাজিক শ্ৰম বিভাজন দৰকাৰ। স্বতন্ত্ৰভাৱে সম্পন্ন হোৱা বিভিন্ন ধৰণৰ শ্ৰমৰ ফচল সমূহৰ মাজতহে পণ্যৰ সম্পৰ্ক অৰ্থাৎ পণ্য আৰু পণ্যৰ বিনিময় সম্পৰ্ক সম্ভৱ। একেধৰণৰ শ্ৰমৰ ফচল অৰ্থাৎ দুটা অভিন্ন বস্তু বিনিময়ৰ জৰিয়তে স্থানান্তৰিত হোৱা সম্ভৱ নহয়। উদাহৰণ স্বৰূপে একেধৰণৰ দুটা কোটৰ মাজত বিনিময় বা পণ্য সম্পৰ্ক স্থাপন হ'ব নোৱাৰে। পণ্য উৎপাদনৰ বিকাশৰ ফলত সৰল বা ব্যক্তিগত শ্ৰম বিভাজনৰ ঠাইত জটি বা সামাজিক শ্ৰম বিভাজন ঘটে। এই পণ্য উৎপাদনৰ অগ্ৰগতি হৈছিল বাণিজ্য আৰু নগৰ সমূহৰ এক উন্নত স্তৰৰ বিকাশৰ ফলস্বৰূপে বজাৰৰ বিপুল বিস্তৃতিৰ পিছত। পণ্য বিনিময়ৰ নিয়ামক হ'ল মূল্যৰ নিয়ম (the law of valu:)। এই নিয়ম মতে পণ্যত নিহিত থকা বিমূৰ্ত্ত, সৰল, সামাজিকভাৱে প্ৰয়োজনীয় শ্ৰমৰ পৰিমাণ অনুপাতে পণ্য সমূহৰ বিনিময় হয়। সৰল পণ্য উপাদন প্ৰথাৰ বিকাশৰ ফলত উৎপাদক সকল সংকীৰ্ণ সমাজিক গোটবোৰৰ প্ৰভাৱৰ পৰা মুক্ত হৈ পৰিল। তেওঁলোকে এতিয়া ক্ষুদ্ৰ ক্ষুদ্ৰ সামাজিক গণ্ডীবোৰৰ বাবে উৎপাদন কৰাৰ সলনি এনে এখন বজাৰৰ উদ্দেশ্যে উৎপাদন কৰিবলৈ ল'লে, যি বজাৰ তুলনামূলক ভাৱে অনেক বিস্তৃত আৰু ব্যক্তি নিৰপেক্ষ। সমস্ত পণ্য পৰম্পৰৰ সান্নিধ্যলৈ আহে মাথো উৎপন্ন দ্ৰব্য হিচাবে, পণ্য হিচাবে নহয়। বিনিময়ৰ জৰিয়তেহে সি পৰিণত হয় পণ্যত।

পণ্যৰ মালিক সকলে পৰম্পৰক নিজ নিজ পণ্যৰ ব্যক্তিগত মালিক হিচাবে মানি লোৱা প্ৰয়োজন হয়। এই ইচ্ছাকৃত সম্পৰ্কই অৰ্থনৈতিক সম্পৰ্ক; যিহেতু তাৰ মৰ্মবস্তু অৰ্থনৈতিক প্ৰয়োজন প্ৰসূত। তাৰ অন্যথা, সম্পৰ্কটো যদি হয় বাধ্যবাকতামূলক বা বলপূৰ্বক—তেতিয়া সেই সম্পৰ্ক পৰিণত হয় অনা-অৰ্থনৈতিক (extra economic) সম্পৰ্কত। বস্তুগত ভিত্তিত বিনিময় প্ৰক্ৰিয়াক সমন্বিত কৰা আৰু প্ৰতিটো পণ্যৰ তুল্য-মূলক সুনিশ্চিত



কৰা গতিৰ নিয়মক বিধি বা মূল্যনিয়ম অনুসাৰে উৎপাদনৰ সমস্ত শাখা প্ৰশাখা সৰ্বমুঠ শ্ৰমসময়ৰ গড় বিতৰণৰ আধাৰত পুৰ্ণগঠিত হৈ পৰিল।

ইয়াৰ পূৰ্ব্ববৰ্ত্তী সমাজবোৰত মানবীয় শ্ৰম আছিল পোণপটীয়া অৰ্থত সামাজিক। সৰল পণ্য উৎপাদক সামাজত এই শ্ৰম আওপকীয়াকৈ, বিনিময় ব্যৱস্থাৰ জৰিয়তে, মূল্যবিধিৰ কাৰ্য্যকৰীতাৰ ফলস্বৰূপে সামাজিক শ্ৰমত পৰিণত হ'ল। পূৰ্ব্বৰ সংকীৰ্ণ সামাজিক', সমূহীয়া', 'গোষ্ঠীগত' ইত্যাদি সমস্ত বন্ধন, গণ্ডী আৰু ক্ষুদ্ৰতা উটাই ভঁহাই সমাকাৰ কৰি পেলালে বজাৰৰ নৈৰ্ব্যক্তিক, অমোঘ নিয়মে।

শ্ৰম-সময় অনুসাৰে মূল্য নিৰ্দ্ধাৰণ হোৱাৰ পৰাই আৰম্ভ হৈছে পণ্য উৎপাদনৰ বিকাশ; সৰল পণ্য উৎপাদনৰ সমগ্ৰ কালপৰ্য্যায়ৰ মাজেৰে পুঁজিবাদী পণ্য উৎপাদন প্ৰথাৰ অব্যাহত বিকাশৰ বাবে এই বিধি সৰ্ব্বতোপ্ৰকাৰে, সৰ্ব্বাঙ্গীন নিখুঁতভাৱে কাৰ্যকৰী আৰু সফল হোৱা প্ৰয়োজন কাৰণ এয়ে হ'ল পণ্য উৎপাদনৰ স্বধৰ্ম্ম।

দুটা পণ্যৰ মূল্যৰ অনুপাত সিহঁতৰ মাজত নিহিত থকা শ্ৰমৰ পৰিমাণগত অনুপাতৰ সমান; এই পৰিমাণ নিয়োজিত শ্ৰমৰ গড় দক্ষতাৰ হিচাপত বুজোৱা হয়। দক্ষ, অদক্ষ বিভিন্ন ৰকমৰ শ্ৰমে সিবোৰৰ গড় একক হিচাপে সৰল শ্ৰমৰহে প্ৰতিনিধিত্ব কৰে। দক্ষ শ্ৰম সৰল শ্ৰমৰ ঘণীভূত ৰূপ; আৰু ঘণীভূত সৰল, সামাজিক শ্ৰমৰ পৰিমাণেই হ'ল মূল্য—যিটো জোখা হয় ঘণ্টাৰ হিচাবত। শ্ৰমৰ উৎপাদনশীলতা বাঢ়িলে প্ৰয়োজনীয় শ্ৰম সময় কমে আৰু সেই অনুপাতে মূল্যও কৰে। সামাজিক ভাৱে প্ৰয়োজনীয় শ্ৰম সময়ৰ অনুপাতে মূল্য নিৰ্ণিত হয়। অতিশয় দক্ষ কোনো শ্ৰমৰ ফচল হিচাপে কোনো নিৰ্দ্দিষ্ট পণ্যৰ মূল্যও নিৰ্ণিত হয় সেই অনুপাততে। দক্ষতা বা অদক্ষতা মূৰ্ত্তশ্ৰমৰ লগত সংশ্লিষ্ট; মূল্যই প্ৰতিনিধিত্ব কৰা বিমূৰ্ত্ত শ্ৰমৰ কোনো তাৰতম্য তাৰ ফলত নঘটে। উদাহৰণ স্বৰূপে ক'ব পাৰি, ধৰা হওক এটা কোট উৎপাদন কৰাৰ বাবে প্ৰয়োজনীয় শ্ৰম সময় ৬ ঘণ্টা আৰু তাৰ মূল্য ১০০ টকা। এতিয়া দক্ষ উৎপাদকে তেনেধৰণৰ কোট ৬ ঘণ্টাত যদি দুটা উৎপাদন কৰে—তাৰ ফলতো এটা কোটৰ দাম ১০০ টকাই হ'ব আৰু উৎপাদক জনে লাভ কৰিব প্ৰতিটো কোটত ১০০ টকাকৈহে। অৱশ্যে দুটা কোটৰ বাবদ

OKDISCD

পণ্যই দুইৰূপত আত্মপ্ৰকাশ কৰে—বস্তুৰূপ আৰু মূল্যৰূপ। সহজতম মূল্যৰূপটো আছিল ঃ A পণ্য X = B পণ্য Y; সম্পৰ্কটো এনেভাৱেও প্ৰকাশ কৰিব পাৰি ঃ ২মিটাৰ লিনেন কাপোৰ = ১ টা কোট। ২ মিটাৰ লিনেন কাপোৰৰ মূল্য এটা কোটৰ সমান। লিনেনৰ মূল্য প্ৰকাশ কৰিছে কোটৰ ব্যৱহাৰ মূল্যই। যেতিয়া কোনো পণ্যই নিজৰ ব্যৱহাৰ মূল্যত অন্য পণ্যৰ মূল্য প্ৰকাশ কৰে তাক কোৱা হয় তুল্যমূল্য অথবা সমানুপাতিক মূল্যৰূপ—equivalent; আমাৰ উদাহৰণটোৰ ক্ষেত্ৰত কোট হ'ল লিনেনৰ সমানুপাতিক মূল্যৰূপ। নিজৰ মূল্য কিন্তু ই কোট হিচাবেই প্ৰকাশ কৰিছে, নিজৰ ব্যৱহাৰ মূল্য অন্যৰ বিনিময় মূল্য হৈ পৰিছে। মূৰ্ত্ত শ্ৰমত প্ৰকাশ পাইছে বিমূৰ্ত্ত শ্ৰম। যাৰ মূল্য কোটে প্ৰকাশ কৰিছে সেই ২ মিটাৰ লিনেনৰ ৰূপটোক কোৱা হয় আপেক্ষিক মূল্যৰূপ; সি ২ মিটাৰ লিনেন হিচাপে কোটৰ মূল্যক প্ৰকাশ কৰিছে। নিজৰ বিনিময় মূল্যত ২ মিটাৰ লিনেনে আপেক্ষিক ভাৱে কোটৰ ব্যৱহাৰ মূল্য প্ৰকাশ কৰিছে। লিনেন আৰু কোটৰ এই সম্পৰ্ক স্থাপন হৈছে আকস্মিক ৰূপত; বিনিময়ৰ জগতত এই মূল্য ৰূপেই প্ৰথম মূল্যৰূপ য'ত শ্ৰমৰ ফচল ঐতিহাসিক ভাৱে পণ্যৰূপে আবিৰ্ভূত হৈছিল। ইয়াত বিনিময় মূল্যই নিজস্ব সত্তা লাভ কৰিছে। বিনিময় আৰু ব্যৱহাৰ মূল্য বিচ্ছিন্ন হৈ পৰিছে আৰু এই মেৰু বিভাজনৰ ফলতে দুয়োটা ৰূপ পৰস্পৰৰ মুখামুখী হৈছে।

কিন্তু লিনেনৰ প্ৰতিপক্ষ মাথো কোট হ'লে লিনেনৰ হস্তান্তৰ বিলম্বিত বা বিঘ্নিত হয়। লিনেনৰ হস্তান্তৰৰ বাবে প্ৰয়োজন একাধিক প্ৰতিপক্ষ বা সমানুপাতিক মূল্যৰূপৰ সম্প্ৰসাৰণ। বিনিময় ব্যৱস্থাত যেতিয়া এটা পণ্যৰ মূল্য প্ৰকাশ কৰা নিৰ্দিষ্ট ব্যৱহাৰ মূল্য হিচাবে অসংখ্য পণ্যৰ আৱিৰ্ভাৱ হ'ল তেতিয়া সি পৰিণত হ'ল সম্প্ৰসাৰিত মূল্যৰূপত। এই মূল্যৰূপত পূৰ্বৰ সমীকৰণটো হ'ব এনেকুৱা ঃ A পণ্য X=B পণ্য Y বা C পণ্য Z বা D পণ্য L ইত্যাদি। এতিয়া X, Y, Z ইত্যাদি নিৰ্দিষ্ট পণ্য বা ব্যৱহাৰ মূল্যৰ প্ৰশ্নটো অপ্ৰাসঙ্গিক হৈ পৰিল। কোটৰ উপৰিও যিকোনো বস্তুৰ লগতে এতিয়া লিনেনৰ বিনিময় হ'ব পাৰে। একোটাইত নিৰ্দিষ্ট পণ্য বাবে নহয়, বৰং সেই নিৰ্দিষ্ট বস্তুৰ মাজত বিমূৰ্ত শ্ৰম আছে বাবেই লিনেনৰ বিনিময় তেনে সকলো বস্তুৰ লগত হ'ব পাৰে। এই বিমূৰ্ত শ্ৰমৰ প্ৰশ্নটোৱেই বিনিময়ৰ চালিকা শক্তি—সত্যটো পূৰ্বতকৈ দৃঢ়তাৰে সাব্যস্ত হ'ল। শ্ৰমৰ সামাজিক



চৰিত্ৰ ইয়াৰ দ্বাৰা বঢ়িয়াকৈ ওলাই পৰে। সামাজিক শ্ৰম নিহিত থকা বস্তুমাত্ৰে বিনিময়যোগ্য। এনে যিকোনো বস্তুৰ লগত অন্যান্য বস্তুৰ সামাজিক সম্পৰ্ক স্থাপন হয়।

কোনো পণ্যৰ মূল্যক যিকোনো পণ্যই প্ৰকাশ কৰা সম্ভৱ হ'ল যদিও তাৰ ফলত আহুকালৰো সৃষ্টি হ'ল। নতুন নতুন পণ্যৰ মাজত নতুন নতুন সম্পৰ্ক স্থাপন হৈ থকা আৰু কোনো মূৰ্ত শ্ৰমজাত দ্ৰব্যই বিমূৰ্ত মানবীয় শ্ৰমক পৰিপূৰ্ণভাৱে প্ৰকাশ কৰাত সমস্যাই দেখা দিলে। সম্প্ৰসাৰিত মূল্য ৰূপৰ এই অন্তৰ্নিহিত দ্বন্দ্বৰ সমাধান হিচাবে আহে সাধাৰণ মূল্যৰূপ। এই মূল্যৰূপত মাথো এটা পণ্যই নিজৰ ব্যৱহাৰ মূল্যত অন্যান্য সমস্ত পণ্যৰ মূল্য প্ৰতিনিধিত্ব কৰে। এটা বিশেষ পণ্য পৃথিবীৰ যিকোনো পণ্যৰ সমানুপাতিক হিচাবে স্বীকৃত হয় আৰু অন্য কোনো পণ্যই এই বিশেষ পণ্যৰ ভূমিকা পালন কৰিব নোৱাৰা হয়। এই নিৰ্দিষ্ট পণ্যটো পৰিণত হয় সাৰ্বজনীন সমানুপাতিকত (universal equivalent)। সমাজৰ প্ৰতিটো পণ্যই সাৰ্বজনীন সমানুপাতিকৰ মূল্য আপেক্ষিকভাৱে প্ৰকাশ কৰিবলৈ আৰু বিনিময় মূল্য হিচাবে আত্মপ্ৰকাশ কৰিবলৈ বাধ্য হ'ল। ব্যৱহাৰ মূল্য আৰু মূল্যৰ মেৰু বিভাজন সম্পূৰ্ণ হ'ল। এই সমস্ত প্ৰক্ৰিয়াই পণ্যৰ সামাজিক চৰিত্ৰ সৰ্বাত্মকভাৱে প্ৰকট কৰি দেখুৱালে।

অৱশেষত সাৰ্বজনীন সমানুপাতিক হিচাবে সাব্যস্ত হ'ল সোণ। সাধাৰণ মূল্যৰূপ অন্তৰ্হিত হ'ল, তাৰ ঠাইত আহিল মুদ্ৰাৰূপ। সোণেই মুদ্ৰা; মুদ্ৰাপণ্য। মুদ্ৰাৰ হিচাপত পণ্যৰ আপেক্ষিক মূল্যৰ প্ৰকাশ ঘটিল। A পণ্য X = ১ আউন্স সোণ। এই ১ আউন্স সোণ ২ মিটাৰ লিনেনৰ দাম বা প্ৰাইচ ফৰ্ম। মুদ্ৰাৰ লগত পণ্যবোৰৰ তুলনা কৰা একক অনুপাতটোৱেই দাম। সোণৰ দামে পণ্যবোৰৰ মূল্য প্ৰকাশ কৰে, সেয়ে সোণ হ'ল মূল্যৰ পৰিমাপক বা মুদ্ৰা (ধন)।

মুদ্ৰা হ'ল বিনিময়ৰ ঐতিহাসিক গতিপথত উদ্ভৱ হোৱা প্ৰয়োজনৰ পুঞ্জীভূত অভিব্যক্তি। মুদ্ৰাৰ ৰহস্য দৰাচলতে পণ্যৰ ৰহস্য; এই ৰহস্য হ'ল পণ্যৰ ব্যৱহাৰ মূল্য আৰু মূল্যৰ মাজৰ দ্বন্দ্ব—যিটোক বিনিময়ৰ বিকাশে তীব্ৰ কৰি তোলে। বিনিময় প্ৰক্ৰিয়াত পণ্য এতিয়া ব্যৱহাৰ মূল্য হিচাবে নহয় বৰং মূল্য হিচাপে পৰস্পৰৰ মুখামুখী হয়। পণ্যই মুদ্ৰা ৰূপ ল'বলৈ

OKDISCD

বাধ্য হয়। বিনিময় প্ৰক্ৰিয়া সেয়ে একেধাৰে মুদ্ৰাগঠন প্ৰক্ৰিয়াও। মুদ্ৰা আহৰণ বা গঠন প্ৰক্ৰিয়াবোৰক সামগ্ৰিকভাৱে কোৱা হয় সঞ্চালন প্ৰক্ৰিয়া ( circulation process) ।

সঞ্চালন প্ৰক্ৰিয়াত প্ৰতিটো পণ্যৰ নিয়ামক হ'ল দাম। দাম থকা যিকোনো পণ্য পৰিণত হয় মুদ্ৰাত। কাৰণ মুদ্ৰাই দাম থকা পণ্যক সঞ্চালিত কৰে। C—M প্ৰক্ৰিয়াত পণ্য পৰিণত হয় মুদ্ৰাত। ক্ৰয়—বিক্ৰয়ৰ এই বিচ্ছিন্নতা আৰু স্বতন্ত্ৰতাই মুদ্ৰাৰ স্থিতিক অধিক সংহত কৰি তোলে। অৰ্থাৎ মুদ্ৰা মাথো পণ্য-সঞ্চালনৰ অন্তৰৰ্ত্তী পৰ্য্যায় হৈয়ে নাথাকে, বৰং তাৰ চূড়ান্ত ফল হৈ উঠে। পণ্যৰ বিনিময় মূল্য সাব্যস্ত হোৱাৰ একমাত্ৰ উপযুক্ত ৰূপ হিচাপে সঞ্চালনত মুদ্ৰাৰ ভূমিকা প্ৰশ্নাতীত আৰু অপৰিহাৰ্য্য হৈ পৰে। মুদ্ৰাৰ স্বত্ব পোৱা মানেই যিকোনো পণ্যৰ স্বত্ব লাভ কৰা যায়; ধন থাকিলেই বস্তু পোৱা যায়; বস্তু কিনাৰ বাবে সেই মুদ্ৰা সঞ্চয় কৰিব পৰা হয়—মুদ্ৰাৰ এই অসীম ক্ষমতাৰ বাবেই কালক্ৰমত সি পৰিণত হয় সাৰ্ব্বিক পণ্যত।

পণ্যৰ ব্যৱহাৰ মূল্যৰ পৰা মূল্য সামগ্ৰিকভাৱে বিচ্ছিন্ন হৈ মুদ্ৰাত পৰিণত হয়; মুদ্ৰাত পৰিণত হোৱাৰ বাবে পণ্যৰ মূল্যৰূপে বিকাশৰ এই প্ৰক্ৰিয়াত অগ্ৰসৰ হৈছে—প্ৰাথমিক মূল্যৰূপ, সম্প্ৰসাৰিত মূল্যৰূপ, সাধাৰণ মূল্যৰূপ, মুদ্ৰাৰূপ, পুঁজিৰূপ। মূল্যৰূপতো নিহিত থাকে দুই বিপৰীত ৰূপ, আপেক্ষিক মূল্যৰূপ আৰু সমানুপাতিক মূল্যৰূপৰ ঐক্য আৰু সংগ্ৰাম। মূল্যৰূপৰ এই দুই বিপৰীত চৰিত্ৰৰ সংগ্ৰামৰ ফলহিচাবে সাৰ্ব্বজনীন সমানুপাতিক বা মুদ্ৰাৰূপৰ উদ্ভৱ হৈছে যি পণ্য-দুনিয়াৰ প্ৰতিটি বাসিন্দাৰ যথাযথ মূল্যক প্ৰকট কৰে: পণ্য—মুদ্ৰা ( সকলো পণ্যই মুদ্ৰাৰ মূল্য আপেক্ষিকভাৱে প্ৰকাশ কৰে আৰু মুদ্ৰা সকলো পণ্যৰ সমানুপাতিক )।

বিনিময়ৰ বাবে পণ্যই মুদ্ৰাৰূপ ল'বলৈ বাধ্য; যি নিৰ্দিষ্ট প্ৰক্ৰিয়াত পণ্য মুদ্ৰাত পৰিণত হয় তাকে কোৱা হয় সঞ্চালন। সঞ্চালনক C-M, M-C আদি সংকেটচিহ্নৰে সূচোৱা হয়। সঞ্চালন প্ৰক্ৰিয়া অন্যকথাত মুদ্ৰা গঠন প্ৰক্ৰিয়া। পণ্য এই প্ৰক্ৰিয়াৰে মুদ্ৰাত পৰিণত হয়। অৱশেষত এই মুদ্ৰা গঠন প্ৰক্ৰিয়াৰ লগত বস্তুগত উৎপাদন প্ৰক্ৰিয়া সংযুক্ত হৈ পৰে; মুদ্ৰা আহৰণৰ উদ্দেশ্যেই ব্যৱহাৰ মূল্য উৎপাদন কৰা হ'ব ধৰে অৰ্থাৎ উৎপাদন প্ৰক্ৰিয়াৰ লক্ষ্যই হৈ পৰে মূল্যক মুদ্ৰাত ৰূপান্তৰিত কৰা। মূল্যৰ এই ৰূপ



পণ্য উৎপাদন প্ৰক্ৰিয়াৰ নিৰ্দিষ্ট চৰিত্ৰৰেই ধাৰাবাহিকতা। বিনিময়ত আমি বিভিন্ন ধৰণৰ দ্ৰব্যসামগ্ৰীক মূল্য হিচাপে সমীকৃত কৰোঁ আৰু বিভিন্ন ধৰণৰ শ্ৰমক সৰল মানবীয় শ্ৰম হিচাপে সমীকৃত কৰোঁহক।

মুদ্ৰাৰ এই স্থিতিৰ লগে লগে বিনিময় দুটা স্বয়ংসম্পূৰ্ণ কাৰ্য্যত পৰিণত হয়: মুদ্ৰাৰ বাবে পণ্য ( C-M ) আৰু পণ্যৰ বাবে মুদ্ৰা ( M-C )। পণ্য সঞ্চালনৰ জগতখন এনেধৰণৰ এলানি স্বতন্ত্ৰ গতিৰ সমষ্টি। গতিকে সঞ্চালনৰ জগতখনৰ অস্তিত্বই নাথাকিব যদিহে তেনে প্ৰতিটো স্বতন্ত্ৰ কাৰ্য্যৰ নিৰৱচ্ছিন্নতা বা ধাৰাবাহিকতা নাথাকে। উদাহৰণ স্বৰূপে মুদ্ৰাৰ জৰিয়তে পণ্য ক্ৰয় কৰা বা পণ্যৰ জড়িয়তে মুদ্ৰা আহৰণ কৰা ( M-C; C-M ) কাৰ্য্য মাথো এবাৰ নহয়, বাৰম্বাৰ, অনন্ত গতিত সেই কাৰ্য্য সম্পন্ন হ'ব লাগিব বা সেয়ে হয়। প্ৰতিটো স্বতন্ত্ৰ কাৰ্য্য সঞ্চালন প্ৰক্ৰিয়াৰ অঙ্গীভূত হৈ পৰে ক্ৰয়—বিক্ৰয় কাৰ্য্যবোৰ পৰস্পৰৰ লগত যুক্ত হৈ পৰাৰ জড়িয়তে; এই সংযুক্তি আপাততঃ সম্পন্ন হয় দুই ধৰণৰ আৱৰ্ত্তত (circuit): C-M-C বা পণ্য—মুদ্ৰা—পণ্য আৰু M-C-M বা মুদ্ৰা পণ্য-মুদ্ৰা। C-M-C বা প. মু. প. আৱৰ্ত্ত C-M আৰু M-C এই দুই কাৰ্য্যৰ অৰ্থাৎ এবাৰ বেচা আৰু এবাৰ কিনা কাৰ্য্যৰ সংহতি; অন্য হাতে M-C-M আৱৰ্ত্ত M-C আৰু C-M এই দুটা কাৰ্য্য অৰ্থাৎ এবাৰ কিনা আৰু এবাৰ বেচা কাৰ্য্যৰ সংহতি।

C-M-C ত একেখিনি মুদ্ৰাৰ হস্তান্তৰ ঘটিছে দুবাৰ; এবাৰ C-M হিচাবে, অন্যবাৰ M-C হিচাবে। M-C-M ত কিন্তু একেখিনি পণ্যৰ হস্তান্তৰ ঘটিছে দুবাৰ, M-C; C-M হিচাবে। অৰ্থাৎ M-C-M ত ক্ৰেতা (M-C) আৰু বিক্ৰেতা (C-M) একেজন ব্যক্তি হোৱা বাবে কিনোতে খৰছ হোৱা মুদ্ৰা বিক্ৰিৰ পিচত পুণৰ তেখেতৰ হাতলৈ ঘূৰি আহিছে; আৰম্ভণি বিন্দুলৈ মুদ্ৰাৰ এই প্ৰত্যাবৰ্ত্তন (reflux) ঘটিছে একেখিনি পণ্যৰ হস্তান্তৰকৰণৰ ফলত। এই প্ৰত্যাবৰ্ত্তন ঘটিবলৈ বাধ্য যদিহে পণ্যৰ হস্তান্তৰ কৰা হয়। ক্ৰয় কৰা পণ্য পুণৰ বিক্ৰয় হলে মুদ্ৰাৰ প্ৰত্যাৱৰ্ত্তন হ'বই। কিন্তু C-M-C ত মুদ্ৰা খৰছ হয় পণ্যৰ বাবে, ইয়াত মুদ্ৰা খৰছ কৰাৰ লগত মুদ্ৰাৰ প্ৰত্যাৱৰ্ত্তনৰ কোনো সম্পৰ্ক নাই। C-M-C ৰ C আৰু C ৰ মাজত গুণগত পাৰ্থক্য আছে; উভয়ে পৃথক পৃথক পণ্য। সেইবাবে C বা পণ্যসমূহ সঞ্চালনৰ পৰা অদৃশ্য হৈ যায়। বিনিময় প্ৰক্ৰিয়ালৈ পণ্য আহে

OLDISCD

আৰু যায়, আকৌ নতুন পণ্য আহে—মাথো তাৰ পৰা অন্তৰ্হিত হ'বলৈ। প্ৰতিক্ষেত্ৰতে আঁতৰি যোৱা পণ্যৰ ঠাই পুৰণ কৰে মুদ্ৰাই। মুদ্ৰা পণ্যৰ পৰিবৰ্ত্তিত ৰূপ হৈ পৰে। গতিকে পণ্য সঞ্চালনৰ প্ৰতিক্ৰিয়া হিচাবেই মুদ্ৰা সচল হৈ থাকে। C-M-C অৰ্থাৎ পণ্য সঞ্চালনত পণ্যৰ মূল্য তাৰ ব্যৱহাৰ মূল্যৰ পৰা বিচ্ছিন্ন হৈ এটা স্বতন্ত্ৰ ৰূপ পায় মুদ্ৰা হিচাপে। মুদ্ৰা হিচাপে সঞ্চালনত সি পণ্যৰ সম্পৰ্কহে প্ৰতিনিধিত্ব কৰে। পণ্য সঞ্চালন মুদ্ৰা সঞ্চালনৰ পূৰ্ব্বচৰ্ত্ত আৰু মুদ্ৰা সঞ্চালন পণ্য সঞ্চালনৰ অভিব্যক্তি। কিন্তু পণ্য সঞ্চালন আৰু মুদ্ৰা সঞ্চালন অৰ্থাৎ C-M-C আৰু M-C-M ৰ মাজত প্ৰভেদ আছে। M-C-M প্ৰক্ৰিয়াত মুদ্ৰা খৰছ কৰাৰ লক্ষ্যই হ'ল সেই মুদ্ৰাৰ প্ৰত্যাৱৰ্ত্তন; কিন্তু সমপৰিমাণৰ মুদ্ৰা ঘুৰাই পাবৰ বাবে নহয়, বৰং খৰছ কৰা মুদ্ৰাৰ পৰিমাণতকৈ সৰহ মুদ্ৰাৰ ঘুৰাই পোৱাৰ বাবেহে তাক খৰছ কৰা হয়। M-C-M প্ৰক্ৰিয়াটোৰ চৰিত্ৰ আৰু প্ৰৱণতা হ'ল M আৰু M অৰ্থাৎ খৰছ কৰা আৰু ঘুৰাই পোৱা মুদ্ৰাৰ পৰিমাণগত প্ৰভেদ বা সৰহ ধন আহৰণ কৰা। এই ঘটনাক কোৱা হয় 'মূল্যৰ সম্প্ৰসাৰণ'। মূল্যক সম্প্ৰসাৰিত কৰাৰ উদ্দেশ্য নিৰ্দ্ধাৰণ হোৱাৰ লগে লগে মুদ্ৰা সঞ্চালনৰ উদ্দেশ্যও হৈ পৰে অধিক মুদ্ৰা আহৰণ কৰা বা মুদ্ৰাৰ পৰা অধিক মুদ্ৰা অৰ্জ্জন কৰা। মুদ্ৰাই এতিয়া কেৱল পণ্য সম্পৰ্কক প্ৰতিনিধিত্ব নকৰে; তাৰ উত্তৰণ ঘটে, সি এতিয়া নিজকে প্ৰকাশ কৰে স্বাধীন সত্তা হিচাপে। সি নিজস্ব গতি প্ৰকৃতি লাভ কৰে। মূল্য নিজস্ব প্ৰক্ৰিয়াত পৰিণত হয় যি প্ৰক্ৰিয়াত তাৰ আত্ম সম্প্ৰসাৰণ ঘটে। এয়ে হ'ল মূল্য-প্ৰক্ৰিয়া (value proces) বা পুঁজি (capital) অৰ্থাৎ মূল্যই নিজকে সম্প্ৰসাৰিত কৰে আৰু মুদ্ৰাৰ জড়িয়তেই সি সম্পন্ন হয়। M-C-M প্ৰক্ৰিয়াত মুদ্ৰা আৰু পণ্য উভয়ে পুঁজি হিচাবে দেখা দিয়ে। বেচাৰ কাৰণে কিনা বা M-C-M প্ৰক্ৰিয়াত মুদ্ৰা সম্ভাৱনাপূৰ্ণ পুঁজি হৈ পৰে আৰু সঞ্চালনৰ ফলত সি পৰিণত হয় পুঁজিত। সকলো ৰকমৰ পুঁজি প্ৰাৰম্ভতে মুদ্ৰাৰ আকাৰত বজাৰলৈ আহে, ইতিহাসত পুঁজি আবিৰ্ভূত হয় প্ৰথমে মুদ্ৰাৰ ৰূপত—সি লাগে বণিক পুঁজিয়েই হওক বা সুদখোৰী পুঁজিয়েই হওক। মুদ্ৰাৰূপী পুঁজিৰ সঞ্চালন প্ৰক্ৰিয়াটোৰেই M-C-M।

এক নিৰ্দিষ্ট পৰিমাণৰ মুদ্ৰাই নিৰ্দিষ্ট পৰিমাণৰ মূল্যৰহে প্ৰতিনিধিত্ব কৰিব পাৰে। মুদ্ৰাৰ মূল্য প্ৰকাশ ক্ষমতা সসীম। এই সীমাবদ্ধতা আৰু



সমানুপতিক মূল্যৰূপ হিচাপে তাৰ সৰ্ব্বজনীনতা—মুদ্ৰাৰ এই দুয়োটা দিশ পৰস্পৰ বিৰোধী আৰু সংঘৰ্যমুখী। কিন্তু পণ্য আৰু মুদ্ৰা পৰস্পৰ বিৰোধী নহয়। পণ্য আৰু মুদ্ৰা- উভয়ে মূল্যৰ দুটা ৰূপ মাত্ৰ; মুদ্ৰাৰ অস্তিত্বই প্ৰৱহমান পণ্য সম্পৰ্কক প্ৰকাশ কৰি থাকে। মূল্যই এই দুয়োটা ৰূপেই পৰিগ্ৰহ কৰিবলৈ বাধ্য; এতিয়া মুদ্ৰা আৰু পণ্য—মূল্যই ধাৰণ কৰা দুটা ৰূপ মাথো, তাতকৈ বেছি একো নহয়। গতিকে পণ্য সম্পৰ্কৰ পৰা মুদ্ৰাক বিচ্ছিন্ন কৰি আনিলে মুদ্ৰাই পণ্যৰ সমানুপাতিক মূল্য প্ৰকাশ কৰিব নোৱাৰে, সি সঞ্চালনত অনিবাৰ্য্য ভাৱেই উপস্থিত থাকিব লগা হয় আৰু তাৰ দ্বাৰা সঞ্চালন প্ৰক্ৰিয়া গতিশীল হৈ থাকে। পণ্য সম্পৰ্কক প্ৰতিনিধিত্ব কৰিয়েই মুদ্ৰাই অধিক মুদ্ৰা আহৰণ কৰা সম্ভৱ হৈ উঠে। এনেদৰেই C-M-C প্ৰক্ৰিয়াৰ সীমাবদ্ধতা মুদ্ৰাই অতিক্ৰম কৰে M-C-M প্ৰক্ৰিয়াত—য'ত সি মূল্যক প্ৰতিনিধিত্ব কৰে স্বাধীন সত্তা হিচাপে। মুদ্ৰা ইয়াত কেৱল বিনিময়ৰ মাধ্যমেই নহয়, বিনিময়ৰ উদ্দেশ্যও।

সমানুপতিক মূল্য হিচাপে মুদ্ৰাৰ সাৰ্ব্বজনীনতাই সঞ্চালনত তাৰ উপস্থিতি অপৰিহাৰ্য্য কৰি তোলে আৰু মূল্য প্ৰকাশৰ ক্ষমতা সীমাবদ্ধ হোৱা বাবে তাৰ সম্প্ৰসাৰণ প্ৰয়োজনীয় হৈ উঠে। এই সম্প্ৰসাৰণ ঘটে M—C—M প্ৰক্ৰিয়াৰ অব্যাহত গতিৰ ফল স্বৰূপে। সম্প্ৰসাৰণৰ অৰ্থে মুদ্ৰা সঞ্চালন—এয়ে পুঁজিৰ প্ৰক্ৰিয়া আৰু এই সঞ্চালন সচেতন ভাৱে পৰিচালিত কৰে পুঁজিপতিয়ে। সঞ্চালন প্ৰক্ৰিয়াটোৰ নিৰৱছিন্ন গতিৰ দ্বাৰা পুঁজিপতিয়ে লাভ আহৰণ কৰে অব্যাহত ভাৱে আৰু সঞ্চালনত বাৰম্বাৰ মুদ্ৰা বিনিয়োগ কৰি পুঁজিপতিয়ে লাভৰ প্ৰক্ৰিয়াক অব্যাহত ৰাখে।

অধিক দামত বেচাৰ বাবে কিনা—M—C—M'—সদাগৰী পুঁজিৰ এয়ে নিৰ্দিষ্ট ৰূপ। শিল্প পুঁজিও মুদ্ৰা, সি পণ্যলৈ ৰূপান্তৰিত হয় আৰু অধিক মুদ্ৰাত পৰিণত হয়।

ঋণ পুঁজি (M—M') ত M—C—M প্ৰক্ৰিয়াটো সংক্ষিপ্তাকাৰে আবিৰ্ভূত হয়।

মুদ্ৰাৰ পৰাই অধিক মুদ্ৰা; M—C—M'— এই প্ৰক্ৰিয়াটো পুঁজিৰ সাধাৰণ সূত্ৰ।

পণ্যৰ পূৰ্বচৰ্ত হিচাবে আমি দেখা পাওঁ শ্ৰমৰ সামাজিক বিভাজন আৰু ব্যৱহাৰ মূল্য তথা বিনিময় মূল্যৰ বিচ্ছিন্নতা।

OKDISCD

মুদ্ৰাৰ পূৰ্বচৰ্ত হিচাবে দেখোঁ। পণ্য বিনিময়ৰ বিকাশ। কিন্তু পণ্য বা মুদ্ৰাৰ অস্তিত্বৰ বাবে কিছু আদিম ধৰণৰ পণ্য সঞ্চালনেই যথেষ্ট।

ইয়াৰ বিপৰীতে পুঁজিৰ পূৰ্বচৰ্ত্ত হিচাবে আমি দেখা পাওঁ এক নতুন স্তৰৰ সামাজিক বিভাজন; উৎপাদনৰ আহিলা পাতিৰ মালিকসকল আৰু সৰ্বস্বান্ত শ্ৰমিকসকলৰ মাজৰ নতুন ধৰণৰ এক সম্পৰ্ক। সামাজিক উৎপাদন প্ৰক্ৰিয়াত ই এক নতুন যুগৰ সূচনা কৰিলে। মানুহৰ সামাজিক সম্পৰ্ক সম্পূৰ্ণ ওলট পালট হৈ পৰিল।

উৎপাদকসকল পৰস্পৰৰ মাজত সামাজিক সান্নিধ্যলৈ অহা তেতিয়াহে সম্ভৱপৰ হ'ল যেতিয়া তেওঁলোকে উৎপাদিত পণ্য বিনিময় কৰিবলৈ ধৰিলে। অৰ্থাৎ ব্যক্তিৰ মাজৰ সম্পৰ্ক হ'ল পণ্যৰ সম্পৰ্ক আৰু পণ্যৰ মাজৰ সম্পৰ্ক হ'ল 'সামাজিক সম্পৰ্ক। মানুহৰ মাজৰ সম্পৰ্কই বস্তুৰ মাজৰ সম্পৰ্কত আত্মপ্ৰকাশ কৰিলে। উৎপাদক সকলৰ লগত তেওঁলোকে উৎপাদন কৰা বস্তুবোৰৰ সম্পৰ্কই হৈ পৰিল উৎপাদক সকলৰ সামাজিক সম্পৰ্ক। এই ৰহস্যৰ নামেই পণ্য-ৰতি বা commodity fetishism। তাৰ উৎস শ্ৰমৰ সামাজিক বৈশিষ্ট। দৈনন্দিন বাস্তৱ জীৱনৰ সম্পৰ্কবোৰ মানুহৰ ওচৰত সম্পূৰ্ণকৈ বোধগম্য নহয় আৰু বাস্তৱ জগতখন সেইবাবেই যুক্তিপূৰ্ণ হৈ নুঠে। সামাজিক সম্পৰ্কৰ এই অপূৰ্ণতা বা সংকীৰ্ণতাৰ বাবেই মানুহৰ চেতনাত ধৰ্মীয় জগত এখন গঢ়ি উঠে, যিখন জগতত বাস্তৱ জীৱনৰ বিকৃতি আৰু অন্যায়-অসঙ্গতিবোৰ নাই! এঙ্গেলছৰ মতে, যি সমাজত পণ্য উৎপাদনৰ প্ৰাধান্য, তাত মান্য ধৰ্ম হ'ল খ্ৰীষ্ট ধৰ্ম বিশেষত; প্ৰটেষ্টাণ্ট মত। সমাজৰ জীৱন প্ৰক্ৰিয়াক আৱৰি থকা ৰহস্যময় আঁৰ কাপোৰখনে পণ্য আৰু উৎপাদক সকলৰ মাজৰ আপাত দুৰ্বোধ্য সম্পৰ্কটোকে প্ৰতিভাত কৰিছে।

উৎপাদিত পণ্যবোৰ বিনিময় কৰোঁতে মানুহ কিছুমান নিৰ্দিষ্ট উৎপাদন সম্পৰ্কৰ মাজত প্ৰৱেশ কৰে, এই প্ৰৱেশ অজানিতেই ঘটে; মানুহৰ বোধগম্যই নহয় যে এই সম্পৰ্কবোৰ উৎপাদনৰ সামাজিক সম্পৰ্ক। এই বস্তুগত সামাজিক সম্পৰ্ক সমূহৰ বিশ্লেষণে আমাক 'সমাজ ব্যৱস্থা' —এই মৌলিক ধাৰণাত উপনীত কৰায়গৈ—যিটো ধাৰণা দৰাচলতে পৃথিবীৰ সমসাময়িক সমস্ত দেশৰ বৈচিত্ৰময় ব্যৱস্থাবোৰৰ সাধাৰণীকৰণ; 'সমাজ ব্যৱস্থা'—এই ধাৰণাই পৃথিৱীৰ প্ৰচলিত সমস্ত ৰকম ব্যৱস্থাৰ মৌলিক বৈশিষ্ট আৰু গতিক



স্পষ্ট কৰি তোলে। যি উৎপাদন প্ৰথাত উৎপাদিত দ্ৰব্যই পণ্যৰ ৰূপ পৰিগ্ৰহ কৰিছিল, সেই প্ৰথা হৈ পৰিছিল বুৰ্জোৱা উৎপাদনৰ আটাইতকৈ সাধাৰণ আৰু আটাইতকৈ প্ৰাথমিক ৰূপ বা ভ্ৰুণাৱস্থা। পণ্যৰ চৰিত্ৰ ক্ৰমশঃ জটিল হৈ আহিল যেতিয়া বুৰ্জোৱা উৎপাদনৰ নিৰ্দ্দিষ্ট ৰূপবোৰ বিকশিত হৈ উঠিল। লেনিনে কৈছেঃ "সামাজিক অৰ্থনীতিত পণ্য ব্যৱস্থা কেনেকৈ বিকশিত হ'ল, কেনেকৈ সি পৰ্যবসিত হ'ল পুঁজিবাদী ব্যৱস্থাত; সৃষ্টি কৰিলে বৈৰীতামূলক শ্ৰেণী সমূহ (উৎপাদন সম্পৰ্কৰ পৰিধিৰ ভিতৰতে এতিয়া গঢ়ি উঠিল সেই বৈৰীতা), অৰ্থাৎ বুৰ্জোৱা আৰু সৰ্ব্বহাৰা শ্ৰেণীক, কেনেকৈ সামাজিক শ্ৰমৰ উৎপাদনশীলতা সি বঢ়াই তুলিলে আৰু তাৰ পিছত সৃষ্টি কৰিলে এনে এটা উপাদান যিটো স্বয়ং পুঁজিবাদী ব্যৱস্থাৰ ভিত্তি সমূহৰ বাবেই হৈ উঠিল প্ৰচণ্ড বিৰোধাত্মক—মাৰ্ক্সে এইবোৰ বোধগম্য কৰি তুলিলে। এয়ে হ'ল 'দাছ কেপিটেল'ৰ মূলকাঠামো। কিন্তু এই উৎপাদন সম্পৰ্কসমূহৰ লগত সংশ্লিষ্ট উপৰি সৌধটোও বিৰামহীন ভাৱে পৰীক্ষা কৰাৰ জৰিয়তে মাৰ্ক্সে কাঠামো তেজ আৰু মঙহেৰে পৰিপূৰ্ণ কৰি থৈ গৈছে।" ক্ৰমশঃ ●

সমকালীন মাৰ্ক্সবাদলৈ প্ৰবন্ধ-পাতি, চিঠি-পত্ৰ আৰু বৰঙণি পঠোৱাৰ ঠিকনা:

শ্ৰীপ্ৰবীৰ বৰঠাকুৰ

মাৰফৎ: শ্ৰীপুলক বৰুৱা

কমলাকান্ত পথ, চেনিকুঠী, গুৱাহাটী, অসম

পিন—৭৮১ ০০৩

OKDISCD

# অসমৰ কৃষিৰ সামাজিক বিৱৰ্তন

মনমোহন দাস॥

অসম এখন কৃষিপ্ৰধান ৰাজ্য। প্ৰধানকৈ কৃষিয়েই হৈছে এই ৰাজ্যখনৰ আৰ্থ-সামাজিক ভেটি। ৰাজ্যখনৰ সৰ্বমুঠ আয়ৰ ৫০ শতাংশতকৈও অধিক লাভ হয় কৃষিৰ পৰা আৰু সৰ্বমুঠ জনসংখ্যাৰ ৭৪ শতাংশই বাস কৰে কৃষক পৰিয়ালত। গ্ৰামাঞ্চলৰ সৰ্বমুঠ জনসংখ্যাৰ ৮১ শতাংশই কৃষিৰ পৰাই জীৱিকা অৰ্জন কৰে। অসমত বৰ্ত্তমান প্ৰায় ২০ লাখ কৃষিমাটিৰ গোট আছে। এই গোটসমূহৰ বেছিভাগতেই একোটা কৃষক পৰিয়ালে খেতি কৰে। অসমৰ কৃষিকাৰ্য্য পৰিয়ালভিত্তিক অৰ্থাৎ পৰিয়ালৰ আটাইবোৰ মানুহেই কৃষিকাৰ্য্যৰ লগত জড়িত। একেঠাইতে বাস কৰা কৃষক পৰিয়ালবোৰক লৈ একোখন গ্ৰাম্য সমাজ গঠিত হৈছে। যুগ যুগ ধৰি একোখন গ্ৰাম্য সমাজে নিজস্ব ৰীতি নীতিৰে আৰ্থ-সামাজিক স্থিতাৱস্থা বাহাল ৰাখি চলি আহিছিল— বৰ্ত্তমানৰ বহিৰাগত বজাৰভিত্তিক অৰ্থনীতিৰ প্ৰভাৱত নপৰা পৰ্য্যন্ত। বিশেষকৈ স্বাধীনোত্তৰ কালত চৰকাৰী পৃষ্ঠপোষকতাত কৃষি, কৃষক পৰিয়াল আৰু গ্ৰাম্য সমাজৰ আৰ্থ-সামাজিক গাঠনিৰ দ্ৰুত পৰিবৰ্তন হবলৈ ধৰিছে। এনেকুৱা পৰিবৰ্ত্তন অৰ্থনৈতিক লাভ আৰু সামাজিক ন্যায় স্থাপন উভয়ৰে বাবে শুভ নে অশুভ তাক চালি-জাৰি চোৱাটো নিতান্ত প্ৰয়োজনীয়। বৰ্ত্তমানৰ পৰিবৰ্ত্তনৰ বুজ লবলৈ হলে আমি ইয়াৰ ঐতিহাসিক যোগসূত্ৰ বিচাৰি উলিয়াব লাগিব।

ইংৰাজ শাসনৰ আগতে অসমীয়া সমাজত কৃষকশ্ৰেণী আৰু সম্ভ্ৰান্ত শ্ৰেণীৰ মাজত মধ্যবিত্ত শ্ৰেণী নাছিল। ভূস্বামী, পুৰোহিত, শাসক গোষ্ঠী আৰু তেওঁলোকৰ অনুগামীসকলক লৈ সম্ভ্ৰান্ত শ্ৰেণী গঠিত হৈছিল। কৃষক শ্ৰেণী আৰু সম্ভ্ৰান্ত শ্ৰেণীক লৈয়েই অসমীয়া সমাজ আছিল। বিদেশীশাসন আৰু পুঁজিবাদী অৰ্থনীতিৰ প্ৰচলনৰ লগে লগে হঠাৎ এই সামাজিক গাঠনিৰ ওৰ পৰা নাছিল। আগৰ দৰেই ই প্ৰায় একেধৰণৰ অৰ্দ্ধ-জনজাতীয়, অৰ্দ্ধ-সামন্তবাদী গ্ৰাম্য সমাজৰ ৰূপতেই ৰৈ গৈছিল। সৰ্বমুঠ মাটিৰ ৮০ শতাংশই কৃষকসকলৰ নিজা স্বত্বত আছিল বাবে বাকী ২০ শতাংশতহে বৃহৎ ভূস্বামীসকলে কৃষকসকলক শোষণ কৰাৰ সুবিধা পাইছিল। ইংৰাজ



শাসনৰ অধীনত অবিভক্ত গোৱালপাৰা জিলাৰ সৰহ অংশত আৰু কৰিমগঞ্জ জিলাত স্থায়ী বন্দোবস্তীৰ জমিদাৰ প্ৰথা চলিছিল। ই আছিল সম্পূৰ্ণ সামন্তপ্ৰথা। কেৱল দৈহিক শ্ৰমৰ ওপৰত নিৰ্ভৰ কৰি জীৱনধাৰণ কৰা কৃষকসকল আছিল প্ৰায় সামন্তপ্ৰভুৰ দাস স্বৰূপ। আনহাতে জমিদাৰসকলে কৃষকৰ শ্ৰমৰ দ্বাৰা উৎপাদিত কৃষিজাত সামগ্ৰীৰ সৰহ অংশ হস্তগত কৰি ভোগ-বিলাসৰ জীৱন উপভোগ কৰিছিল। ইয়াৰ ফলত সামগ্ৰিকভাৱে অৰ্থনৈতিক বিকাশৰ পথ ৰুদ্ধ হৈ পৰিছিল।

জমিদাৰী প্ৰথা প্ৰচলিত নথকা অঞ্চলবোৰত গ্ৰাম্য পৰিয়ালসমূহ পৰম্পৰাগত ভাৱে তলত দেখুৱা ধৰণে চাৰিটা শ্ৰেণীত বিভক্ত আছিল— [১] উত্তম শ্ৰেণীঃ— যিবিলাকৰ তিনিখন বা ততোধিক নাঙল আছিল, [২] মধ্যমশ্ৰেণীঃ— যিবিলাকৰ দুখনকৈ নাঙল আছিল, [৩] সামান্যশ্ৰেণীঃ— যিবিলাকৰ এখনকৈ নাঙল আছিল আৰু [৪] নিকৃষ্ট শ্ৰেণীঃ— যিবিলাকৰ নিজা নাঙল নাছিল, অন্যৰ পৰা ধাৰ কৰি অনা নাঙলেৰে হালবাই খেতি কৰিছিল (তেওঁলোকক মৰকীয়া বোলা হৈছিল)। এইশ্ৰেণীৰ ভিতৰত বছেৰেকীয়া নাইবা চিৰকলীয়া চুক্তিত আৱদ্ধ বন্ধা-হালোৱা আৰু দাস সকলকো ধৰা হৈছিল। ইয়াত 'নাঙল' মানে অকল নাঙলখনকে বুজোৱা নাই, নাঙল বোৱা গৰুহাল আৰু হালোৱাজনকো বুজোৱা হৈছে।[০] 'নাঙল'ৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি বিভাজিত চাৰিটা কৃষক শ্ৰেণী অকল উৎপাদনৰ আহিলাৰ সম্পৰ্কতহে যে পৃথক তেনে নহয়, শ্ৰমৰ সামাজিক গঠনত বিভিন্ন শ্ৰেণীৰ ভূমিকাও বেলেগ বেলেগ। সিহঁতে সৃষ্টি কৰা সামাজিক সম্পদৰ অংশৰ পৰিমাণ আৰু সেইবোৰ লাভ কৰাৰ ধৰণও বেলেগ বেলেগ। কেৱল 'নাঙল'ৰ সংখ্যাৰ গণনা কৰিয়েই ঐতিহাসিকভাৱে নিৰ্দ্ধাৰিত উৎপাদন ব্যৱস্থাত বিভিন্ন শ্ৰেণীৰ স্থান উপযুক্তভাৱে নিৰ্ণয় কৰিব নোৱাৰি। উৎপাদনৰ আহিলা হিচাবে 'নাঙল'ৰ ওপৰিও 'মাটি'ৰ লগত থকা সম্পৰ্কৰ ভিত্তিতহে গ্ৰাম্য সমাজক শ্ৰেণী বিভাগ কৰাটো সমীচিন আছিল। অসমৰ সাময়িক ভূমি বন্দোবস্তি প্ৰচলিত অঞ্চলৰ মাটিৰ পট্টা ব্যৱস্থাক ৰায়তোৱাৰী বোলা হয়। এনেকুৱা ভূমি ব্যৱস্থাত মাটিৰ মালিক বা কৃষকসকলে কোনো মধ্য-ভোগী নোহোৱাকৈ প্ৰত্যক্ষভাৱে চৰকাৰৰ লগত ম্যাদী পট্টাৰ বন্দোবস্তি কৰিব পাৰে আৰু চৰকাৰক নিয়মিতভাৱে খাজনা দি থকা পৰ্য্যন্ত মাটিৰ দখল বংশ পৰম্পৰাগতভাৱে ভোগ কৰি থাকিব পাৰে। অৱশ্যে ত্ৰিশ বছৰৰ

OKDISCD

মূৰে মূৰে মাটিৰ বন্দোবস্তি নবীকৰণ কৰি লব লাগে। এনেকুৱা মাটিৰ মালিকৰ স্বইচ্ছাই নিজৰ মাটি বিক্ৰী, দান আদি বিভিন্ন ধৰণে হস্তান্তৰ কৰাৰ অধিকাৰ থাকে। ৰায়তোৱাৰী মাটিৰ অধিকাৰ তিনি ধৰণৰ, যেনে, 'লাখেৰাজ', নিস্পিখেৰাজ আৰু খেৰাজ ( ম্যাদী, খেৰাজ আৰু একচনীয়া )। 'লাখেৰাজ' মানে সম্পূৰ্ণ খাজনামুক্ত মাটিৰ মালিকানা যিবোৰ ৰাজপুৰোহিত আৰু ৰাজবিষয়াসকলে অসমৰ পূৰ্বকালৰ ৰজাসকলৰ পৰা লাভ কৰিছিল। 'নিস্পিখেৰাজ' মানে অৰ্দ্ধাংশ খাজনামুক্ত মাটিৰ মালিকানা যিবোৰ দলৈ নামৰ ধৰ্ম-মন্দিৰৰ মেনেজাৰে, গোসাই নামৰ সত্ৰাধিকাৰ বা ধৰ্মগুৰুসকলে আৰু মন্দিৰৰ বিশেষ দায়িত্বত থকা পাইকসকলে ৰজাৰ পৰা লাভ কৰিছিল। 'খেৰাজ' নামৰ ভূমিস্বত্বৰ বাবে ৰজা বা চৰকাৰক সম্পূৰ্ণ খাজনা দিব লাগে। ম্যাদী খেৰাজ ত্ৰিশ বছৰৰ মূৰত আৰু একচনীয়া খেৰাজ বছৰে বছৰে নবীকৰণ কৰিব লাগে। লাখেৰাজদাৰ আৰু নিস্পিখেৰাজদাৰসকলে মুঠতে ডেৰ লাখ হেক্টৰবো অধিক মাটি দখল কৰি আছিল। তেওঁলোকে নিজে খেতি নকৰিছিল, মাত্ৰ আনৰ হতুৱাই কৰা কৃষিকাৰ্য্য পৰিচালনাহে কৰিছিল। এনেকুৱা সামাজিক মৰ্য্যদা লাভ কৰাৰ বাবে তেওঁলোক সাধাৰণ কৃষক সম্প্ৰদায়ৰ পৰা ভিন্ন আছিল আৰু সমাজৰ উচ্চশ্ৰেণীত পৰিণত হৈছিল। দ্বিতীয়তে তেওঁলোকৰ হাতত প্ৰচুৰ পৰিমাণৰ মাটি পুঞ্জীভূত হোৱাৰ বাবে তেওঁলোকে বহুত পৰিমাণৰ মাটি লীজত দিছিল। লীজত দিয়া মাটিৰ বাবদ লাভ কৰা কৰৰ পৰিমাণ তেওঁলোকৰ অন্যান্য আয়ৰ তুলনাত বহুত বেছি আছিল।

ধনী কৃষক আৰু ক্ষুদ্ৰ কৃষকৰ উৎপাদনৰ ধৰণ প্ৰায় একে আছিল। কাৰণ উভয়ে কৃষিকাৰ্য্যত অংশ গ্ৰহণ কৰিছিল আৰু উভয়ে কৃষি শ্ৰমিক ব্যৱহাৰ কৰিছিল। তেওঁলোকৰ মাজত মূল পাৰ্থক্য আছিল স্বত্বভোগ কৰা মাটিৰ কম বেছি পৰিমাণ আৰু জাতিভেদৰ বাবে।

ওপৰোক্ত কথাখিনি বিবেচনা কৰি 'উত্তম' শ্ৰেণীক দুটা শ্ৰেণীত ভাগ কৰিব পাৰি—(১) ভূস্বামী আৰু (২) ধনী কৃষক। মধ্যম শ্ৰেণী আচলতে এটি অস্থায়ী শ্ৰেণীহে। কাৰণ এই শ্ৰেণীৰ কিছুমান কৃষক সুবিধা বুজি ধনী কৃষক নাইবা ভূস্বামীলৈ উন্নীত হব পাৰে আৰু কেতিয়াবা দুৰ্য্যোগত পৰি ক্ষুদ্ৰ কৃষকত পৰিণত হব পাৰে।



অসমৰ গ্ৰাম্যসমাজ সৰহ সংখ্যক সামান্য নাইবা ক্ষুদ্ৰ কৃষক শ্ৰেণীৰ লোকৰ দ্বাৰা গঠিত। ক্ষুদ্ৰ কৃষকসকলৰ ভিতৰত কিছুমানে নিজা মাটিত খেতি কৰে আৰু কিছুমানে আনৰ মাটিত ৰায়ত ( tenant ) হিচাবে খেতি কৰে। কিন্তু প্ৰত্যেকৰে একোখনকৈহে নাঙল থাকে। অবিভক্ত কামৰূপ জিলাত নিজা মাটি নথকা ৰায়তসকলৰ খেতি কৰা মাটিৰ পৰিমাণ সৰ্বমুঠ কৃষিমাটিৰ শতকৰা ২৫ ভাগ; কিন্তু আন কোনো জিলাতে এনেকুৱা মাটিৰ পৰিমাণ ৭ শতাংশৰ তলত নহয়। ক্ষুদ্ৰ কৃষক পৰিয়ালে নিজ পৰিয়ালৰ শ্ৰমৰ ওপৰত নিৰ্ভৰ কৰি কৃষিকাৰ্য্য চলায় আৰু কেতিয়াবা অতিৰিক্ত শ্ৰমৰ আৱশ্যক হলে পৰম্পৰা নীতি অনুসাৰে গাওঁৰ অন্য পৰিয়ালৰ পৰা সহযোগ লাভ কৰে। তেওঁলোকে সাধাৰণতে মজুৰী বা হাজিৰা দি কৃষি বনুৱা নিয়োগ নকৰে। কিন্তু কেতিয়াবা দুখীয়া ঘৰৰ মাইকী মানুহ বা লৰা-ছোৱালীয়ে অৱস্থাপন্ন পৰিয়ালত হাজিৰা কৰি জীৱিকা অৰ্জন কৰে। ভূমিহীন আৰু নাঙলহীন সকলেই নিকৃষ্ট শ্ৰেণীৰ লোক। তেওঁলোকৰ বেছি ভাগেই পূৰ্বতে ভূ-স্বামী আৰু ধনী কৃষকৰ ঘৰত দাস বা বন্ধা হিচাবে থাকি কৃষিৰ কাম কৰিছিল। ১৮৪৩ চনৰ দাসমুক্তি আইন বলবৎ কৰাৰ ফলত আজিকালি তেনেকুৱা দাসৰ সংখ্যা কমি গৈছে। কিন্তু উৎপাদনৰ আহিলা নথকা ভূমিহীন সকলে বৰ্তমান ভূস্বামী আৰু ধনী কৃষকৰ মাটিত কৃষি বনুৱা হিচাবে কাম কৰি জীৱিকা অৰ্জন কৰে। এই শ্ৰেণীত সাধাৰণতে নিম্নজাতিৰ লোকৰ সংখ্যাই বেছি। বৰ্তমান কিন্তু আৰ্থিক দুৰাৱস্থাৰ দ্বাৰা আক্ৰান্ত হোৱা বিভিন্ন জাতিৰ বহুতো ক্ষুদ্ৰ কৃষক ভূমিহীন কৃষক বনুৱালৈ অধঃপতিত হোৱা দেখা গৈছে। পুঁজিবাদী বজাৰ অৰ্থনীতিৰ প্ৰসাৰণ আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ প্ৰভাৱত পৰি অসংখ্য ক্ষুদ্ৰ আনকি কিছু সংখ্যক মধ্যম-শ্ৰেণীৰ কৃষকো সৰ্বহাৰা শ্ৰেণীত পৰিণত হবলৈ ধৰিছে।

ওপৰত উল্লেখ কৰা অসমীয়া সমাজৰ স্তৰীভূত শ্ৰেণীৰ গাঠনি মূলতঃ ইংৰাজ শাসনৰ আগৰে পৰা চলি আহিছে। উপনিবেশ প্ৰক্ৰিয়াত ইংৰাজসকলে যিমান পাৰে সিমান সম্পদ আহৰণ কৰি নিয়াৰ স্বাৰ্থত অসমীয়া সমাজৰ পুৰ্ণবিন্যাস আৰু অৰ্থনীতিত মুদ্ৰাৰ প্ৰচলনৰ দ্বাৰা মুক্তবজাৰ নীতি প্ৰচলন কৰাৰ চেষ্টা কৰিছিল। এনেকুৱা প্ৰক্ৰিয়াত পুৰণা সমাজৰ শ্ৰেণী ব্যৱস্থাৰ পৰাই ব্যৱসায়ী, চাকৰিয়াল আৰু পেশাদাৰসকলৰ দ্বাৰা গঠিত

OKDISCD

অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ হৈছিল। সুবিধাভোগী উচ্চ বৰ্ণৰ ভূস্বামী, অন্যবৰ্ণৰ মাটিৰ মালিক আৰু সেইবোৰ ধনী কৃষক যিসকলে আনৰ শ্ৰম শোষণ কৰি নাইবা কৃষিৰ লগতে বেপাৰ-বাণিজ্য আৰু বিভিন্ন শিল্পকৰ্ম সংযুক্ত কৰি ধনী হৈছিল—এইবোৰৰ পৰাই এটা নতুন মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ হোৱাটো সম্ভৱ হৈছিল। কিন্তু এই মধ্যবিত্ত শ্ৰেণীৰ বিকাশ মন্থৰ গতিৰে হৈছিল। তাৰ কাৰণবোৰ আছিল—(১) পুঁজি সঞ্চয়ৰ অভাৱ, (২) অধিক যোগ্যবান অনা-অসমীয়া ব্যৱসায়ীৰ প্ৰতিযোগিতা আৰু (৩) অসমীয়া মধ্যবিত্তৰ মাটিৰ লগত থকা গভীৰ সম্পৰ্ক।

ইংৰাজ শাসনৰ আৰম্ভণীতেকে কামৰূপ জিলাত কৃষিজাত আৰু গ্ৰাম্যশিল্পজাত দ্ৰব্যৰ বেপাৰীসকলে বাণিজ্যৰ ক্ষেত্ৰত প্ৰতিপত্তি লাভ কৰি আহিছিল। কিন্তু ইংৰাজ শাসনৰ দিনত বহিৰাগত ব্যৱসায়ীসকলৰ লগত কামৰূপীয়া ব্যৱসায়ীসকল তিষ্ঠি থাকিব নোৱাৰিলে। সেই সময়তে বিভিন্ন পেশা আৰু চাকৰিৰ সুবিধাসমূহো বহিৰাগত লোকসকলে একচেটিয়া ভাবে লাভ কৰি স্থানীয় লোকসকলক বঞ্চিত কৰে। তাৰোপৰি ইংৰাজ শাসকসকলে শিক্ষাৰ ক্ষেত্ৰত সামান্য ধন খৰছ কৰি শিক্ষাৰ বিস্তাৰ আৰু মানদণ্ড উন্নত কৰাৰ বাবে বিশেষ যত্ন নোলোৱাৰ ফলত স্থানীয়লোকসকল সকলো ক্ষেত্ৰতে পিচ পৰা হৈ থাকে।

এনেকুৱা প্ৰতিকূল আৰ্থ-সামাজিক পৰিবেশৰ মাজতো মৌজাদাৰ, মণ্ডল-কানুনগো, হাকিম, উকীল, ডাক্তৰ, শিক্ষক, অফিচাৰ, কেৰাণী, মহৰি আৰু চাহবাগানৰ বিষয়াসকলৰ দ্বাৰা গঠিত অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ ক্ৰমঃবিকাশ হবলৈ ধৰে। এই শ্ৰেণীটোৰ মূল ভিত্তি আছিল মাটিৰ মালিকানা। সেয়েহে তেওঁলোকৰ মনত ভূমি-কেন্দ্ৰীক সামন্তবাদী ধ্যান-ধাৰণাবোৰ বৈ গৈছিল। অৱশ্যে তেওঁলোকৰ উদ্‌বৃত্ত আয়ৰ সৰহ অংশ লাভ হৈছিল ব্যৱসায়ৰ মুনাফা, পেশাৰ উপাৰ্জন আৰু চাকৰিৰ দৰমহাৰ পৰাহে, মাটিৰ পৰা বা কৃষিজাত সামগ্ৰীৰ পৰা হোৱা আয়ৰ পৰা নহয়। তেওঁলোকৰ বেছি ভাগেই এনেকুৱা উদ্‌বৃত্ত আয় কৃষি উন্নয়নৰ পৰিবৰ্ত্তে ব্যৱসায় আৰু অন্যান্য লাহ-বিলাহত খৰছ কৰিছিল। ইংৰাজৰ অনুগ্ৰহত পশ্চিমীয়া শিক্ষা লাভ কৰা সকলে সহজে নতুন মধ্যবিত্ত শ্ৰেণীৰ অন্তৰ্ভুক্ত হোৱাৰ সুবিধা লাভ কৰে। যিবিলাকৰ মাটি আৰু শিক্ষা দুয়োটাই নাই তেওঁলোক অনুন্নত হৈয়ে থাকিবলগীয়া হয়।



প্ৰাক্ বৃটিছ কালতে কিছু পৰিমাণে প্ৰাচ্যশিক্ষা লাভ কৰা উচ্চ বৰ্ণজাত লোকসকলে এনেকুৱা অৱস্থাৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰে। অসমীয়া মধ্যবিত্ত শ্ৰেণীক বহলভাৱে দুটা ভাগত ভগাব পাৰি—[১] বুৰ্জোৱা আৰু [২] পেটি বুৰ্জোৱা। অসমীয়া চাহবাগানৰ মালিক, ব্যৱসায়ী আৰু বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠানৰ মালিক যিসকলে মজুৰী দি শ্ৰমিক নিযুক্ত কৰে আৰু বজাৰ-নীতিৰ সম্পৰ্কক প্ৰতিনিধিত্ব কৰে তেওঁলোকক বুৰ্জোৱা বোলে। ডাঙৰ ডাঙৰ পেশাধাৰী আৰু উচ্চ দৰমহাপ্ৰাপ্ত চৰকাৰী চাকৰিয়াল সকলকো এই শ্ৰেণীত ধৰা হয়। ঔপনিবেশিক ব্যৱস্থাৰ ভিতৰত সীমিত হৈও এই বুৰ্জোৱা শ্ৰেণীয়েই ক্ৰমবিকশিত পুঁজিবাদী উৎপাদন সম্পৰ্কক প্ৰতিনিধিত্ব কৰিছিল। তেওঁলোক এনেকুৱা উৎপাদন সম্পৰ্কৰ প্ৰাসংগিক 'আধুনিক' সংস্কৃতিৰো অংশীদাৰ আছিল।

বুদ্ধিজীৱি, ছাত্ৰ, শিক্ষক, চৰকাৰী চাকৰিয়াল, উকীল, কেৰাণী, মহৰি আৰু ক্ষুদ্ৰ বেপাৰী সকলক লৈ পেটি বুৰ্জোৱা শ্ৰেণী গঢ়ি উঠিছিল। পেটি বুৰ্জোৱা-সকলো বুৰ্জোৱাসকলৰ দৰেই 'আধুনিক' সংস্কৃতিৰ অংশীদাৰ আছিল। এইদৰেই দেখা যায় যে, অসমীয়া মধ্যবিত্ত শ্ৰেণী বাস্তৱিকতে কোনোধৰণৰ শিল্পোদ্যোগ উৎপাদনৰ ভিত্তিত গঢ় লৈ উঠা নাছিল বাবেই সাংগঠণিকভাৱে ইয়াৰ পুঁজিবাদী কেন্দ্ৰ দুৰ্বল আছিল।

ওপৰোক্ত বিশ্লেষণৰ পৰা এইটো স্পষ্ট হৈ পৰে যে, অসমীয়াসমাজৰ শ্ৰেণীগত গাঠনি আংশিকভাৱে সমাজিক আৰু অৰ্থনৈতিক শক্তিৰ আন্তঃক্ৰিয়াৰ দ্বাৰা আৰু আংশিকভাৱে বিভিন্ন সময়ত বিভিন্ন ৰাজত্বৰ তাগিদাত দৰ্কাৰ হোৱা সেৱাকাৰ্য্যৰ দ্বাৰা উদ্ভৱ হৈছিল। জাতিভেদ প্ৰথা, পশ্চিমীয়া শিক্ষা, ধৰ্ম, আৰু ৰাজকীয় পৃষ্ঠপোষকতাৰ সুবিধা লৈ মুষ্টিমেয় সংখ্যকলোকে আৰ্থ-সামাজিক উন্নয়নৰ জখলাত উঠিছিল। তাৰোপৰি আইন ব্যৱস্থাৰ দ্বাৰা বৃটিছশাসক সকলে বহু-থলপীয়া মাটিৰ মালিকানাৰ সৃষ্টি কৰিছিল আৰু যাতে ৰাজ্যখনৰ ঔপনিবেশিক শোষণৰ সুবিধা সুচল হৈ থাকে তাৰবাবে প্ৰকৃত কৃষক আৰু চৰকাৰৰ মাজত জমিদাৰ, জোটদাৰ, মৌজাদাৰ, আৰু সুবিধাপ্ৰাপ্ত ৰায়তৰ দৰে বহুতো উৎপাদন কাৰ্যত প্ৰত্যক্ষ ভাৱে জড়িত নোহোৱা মধ্য-ভোগী সামন্ত প্ৰভুৰ অস্তিত্ব বাহাল ৰাখিছিল। ঔপনিবেশিক শাসনৰ প্ৰভাৱত বহুধা শ্ৰেণীবিভক্ত অসমীয়া সমাজত এক বৃহৎ সংখ্যক গাওঁবাসী পোষণ

OKDISCD

অৰ্থনীতিৰ ওপৰত নিৰ্ভৰ কৰি চৰম দৰিদ্ৰতা আৰু অজ্ঞতাৰ অন্ধকাৰত ডুব গৈ আছিল।

স্বাধীনোত্তৰ কালত গণতান্ত্রিক চৰকাৰে সামন্তবাদী মধ্যভোগীৰ অস্তিত্ব লোপ আৰু ৰায়তসকলক ভূমিস্বত্ব দি নিৰাপত্তা প্ৰদান কৰাৰ অৰ্থে বহুতো ব্যৱস্থা হাতত লৈছিল যাতে কৃষকসকলৰ আৰ্থিক অৱস্থাৰ মান উন্নত কৰি কৃষি-অৰ্থনীতিৰ সৰ্বাংগীন উন্নয়ন সাধন কৰিব পাৰে। জমিদাৰী উচ্ছেদ আৰু চৰকাৰে প্ৰণয়ন কৰা বিভিন্ন ধৰণৰ ভূমি সংস্কাৰ আইন বলবং কৰাৰ ফল-স্বৰূপে প্ৰাক্-বৃটিছ আৰু বৃটিছ যুগত চলি থকা অসমীয়া কৃষক সমাজৰ শ্ৰেণীগত গাঠনি স্পষ্টকৈ মাত্ৰ তিনিটা শ্ৰেণীত পৰিবৰ্তিত হবলৈ ধৰে। এই তিনিটা শ্ৰেণী হৈছে — (১) ভূমিস্বত্বধিকাৰী কৃষক, (২) আধিয়াৰ আৰু (৩) ৰায়ত (যিবোৰে আনৰ মাটি ভাড়াত লৈ খেতি কৰে)। সামন্ত প্ৰথা ৰদ কৰি কৃষকক ভূমিৰ স্বত্বাধিকাৰী পতাটো ভাৰতৰ গণতান্ত্রিক চৰকাৰৰ এটি ৰাজনৈতিক কৌশলগত নীতি। যিহেতু ক্ষুদ্ৰ ভূম্যধিকাৰী কৃষকসকলেই দেশৰ সৰহ সংখ্যক ভোটদাতা, শাসক দলটোৰ ৰাজনৈতিক ক্ষমতা বহুপৰিমানে কৃষক-সকলৰ ভোটৰ ওপৰত নিৰ্ভৰ কৰে। তাৰোপৰি ভূমিসংস্কাৰৰ দ্বাৰা ভূমিহীন আৰু দুখীয়া কৃষকৰ মাজত ভূমি বিতৰণ কৰিলে সিহঁতৰ পুঞ্জীভূত হতাশাৰ পৰা হবপৰা বিদ্ৰোহৰ জ্বালামুখীৰ পৰা শাসকগোষ্ঠী নিৰাপদ হৈ থাকিব পাৰে। কাৰণ, অসংগঠিত কৃষিখণ্ডত ক্ৰমান্বয়ে সাংঘাটিক ধৰণে বাঢ়ি অহা জনসংখ্যাৰ এক বিপুল সংখ্যকক ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষিভূমি গোটৰ মালিকত পৰিণত কৰিলে তেওঁলোকৰ মনত জাগৃত হব পৰা বৈপ্লৱিক সচেতনতা অন্ততঃ কিছুদিনৰ বাবে ম্লান হৈ পৰিব। কমিউনিষ্ট দেশসমূহৰ দৰে ভাৰত চৰকাৰে ভূমি ৰাষ্ট্ৰীয়কৰণ কৰিবলৈ সাহস কৰিব নোৱাৰে। দলীয় সংসদী ৰাজনীতিয়ে তেনে কৰাৰ সুবিধা নিদিয়ে। কাৰণ এইবিধ ৰাজনীতিত সংসদী সদস্যসকল আৰু শাসকগোষ্ঠীৰ সৰহসংখ্যকেই সামন্তপ্ৰভু, বুৰ্জোৱা নাইবা পেটিবুৰ্জোৱা শ্ৰেণীৰ লোক। ভূমিৰাষ্ট্ৰীয়কৰণ কৰিলে যিহেতু তেওঁলোকৰ ন্যস্ত স্বাৰ্থত আঘাত পৰিব, সেইকাৰণে তেওঁলোকে কেনেই সংসদত তেনেকুৱা আইন উত্থাপনত বাধা নিদিব ?

এইদৰেই দেখা যায় যে ভাৰতৰ অন্যান্য অঞ্চলৰ দৰে অসমৰ সামাজিক গাঠনিৰ স্বাভাৱিক বিৱৰ্তন হোৱা নাই। সৰ্বাংগীন অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাৰ প্ৰতি কোনো বিবেচনা নকৰাকৈ শাসক



শ্ৰেণীয়ে অৱলম্বন কৰা বিশেষ ৰাজনৈতিক কৌশলৰ দ্বাৰাহে সামাজিক গাঠনিৰ বিকৃত পৰিবৰ্ত্তন হৈছে। দাৰিদ্ৰ্যপীড়িত অগনণ জনসংখ্যাক খাদ্যৰ যোগান ধৰাৰ অৰ্থে আৰু দেশখনক খাদ্য উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰাৰ উদ্দেশ্যে আজি কিছুদিনৰ পৰা দেশৰ কিছু অংশত কৃষিপদ্ধতিৰ নবীকৰণৰ জৰিয়তে ‘সেউজীয়া বিপ্লৱ’ প্ৰৱৰ্ত্তন কৰা হৈছে। ভাৰতৰ অন্য অঞ্চলৰ তুলনাত অসমে এই ক্ষেত্ৰত বহুত পিছ পৰি আছে, যদিও ৰাজ্যিক চৰকাৰে বিগত দশকৰ পৰা সীমিত ধৰণেৰে এক দুৰ্বল প্ৰচেষ্টা চলাই আহিছে। কৃষকসকলে যাতে তেওঁলোকৰ আওপুৰণি কৃষিপদ্ধতি পৰিত্যাগ কৰি আধুনিক কৃষিপদ্ধতি অৱলম্বন কৰিবলৈ সক্ষম হয় তাৰবাবে বেংকসমূহৰ জৰিয়তে কৃষিঋণ আৰু আধুনিক নিৱেশ (input) কৃষকসকলক দিবলৈ যত্ন কৰা হৈছে। যাতায়ত-পৰিবহন আৰু বজাৰৰ সুবিধাও দিবলৈ যত্ন কৰা হৈছে যাতে কৃষক সকলে তেওঁলোকৰ উৎপাদিত কৃষিদ্ৰব্য সহজে বিক্ৰী কৰি লাভবান হব পাৰে। এহাতে পাচবছৰীয়া পৰিকল্পনাৰ জৰিয়তে গাওঁ অঞ্চলত মুদ্ৰা অৰ্থনীতি (money economy)ৰ প্ৰৱৰ্ত্তন আৰু আনহাতে ক্ষুদ্ৰ, বিখণ্ডীকৃত অৰ্থনৈতিক ভাৱে অযোগ্য ভূমিগোটৰ মালিক প্ৰান্তিক কৃষকে (marginal peasants)ৰ সৃষ্টি হোৱাৰ ফলস্বৰূপে কৃষিৰ ক্ষেত্ৰত সুস্থ অৰ্থনৈতিক নীতিৰ বিৰুদ্ধে এক নতুন ধৰণৰ শ্ৰেণীবিভেদৰ সৃষ্টি হবলৈ ধৰা দেখা গৈছে। চৰকাৰৰ কৃষি আধুনিকীকৰণৰ ব্যৱস্থাসমূহৰ দ্বাৰা চহকী মাটিৰ মালিক সকলহে বেছিকৈ উপকৃত হৈছে আৰু কৃষিপদ্ধতিৰ কাৰিকৰী দিশত হোৱা পৰিবৰ্তনে ধনী আৰু দুখীয়া কৃষকৰ মাজত আয়ৰ বৈষম্য বেছি প্ৰকট কৰিহে তুলিছে যাৰ ফলত অসমীয়া গ্ৰাম্যসমাজ ধনী কৃষক আৰু ভূমিহীন কৃষি বনুৱা এই দুটা পৰস্পৰ বিপৰীতধৰ্মী শ্ৰেণীত পৰিণত হবলৈ ধৰিছে। এই দুই বিপৰীতধৰ্মী শ্ৰেণীৰ মাজত থকা ক্ষুদ্ৰ কৃষকসকলৰ অস্তিত্ব ক্ষণস্থায়ী হৈ পৰিছে ; কাৰণ তেওঁলোকৰ অস্তিত্ব সোনকালে বা দেৰীকৈ হলেও লুপ্ত হোৱাৰ সম্ভাৱনা আছে ; গতিকে তেওঁলোকে কৃষিৰ বাহিৰে অন্য কিবা জীৱিকাৰ সন্ধান কৰিব লাগিব, নহলে পুঁজিবাদী কৃষক আৰু কাৰখানাৰ মালিকৰ শ্ৰম বজাৰত যোগদান কৰিব লাগিব। গতিকে দেখা গ’ল যে, চৰকাৰৰ নীতি স্ববিৰুদ্ধ। কৃষি পদ্ধতিৰ আধুনিকীকৰণ এটি অৰ্থনৈতিক ব্যৱস্থা আৰু ক্ষুদ্ৰ ভূমি-স্বত্বাধিকাৰী কৃষকৰ সৃষ্টি কৰাটো তাৰ সম্পূৰ্ণ বিপৰীত ব্যৱস্থা। দুয়োটা ব্যৱস্থা একেলগে কৃতকাৰ্য্য হোৱাটো সম্ভৱ হব নোৱাৰে। শক্তিশালী পুঁজিবাদী

OKDISCD

অর্থনৈতিক ব্যৱস্থাৰ সন্মুখত চৰকাৰী পৃষ্ঠপোষকতা থকা স্বত্ত্বেও তুৰ্বল প্ৰাক্-পুঁজিবাদী কৃষকীয় উৎপাদন প্ৰণালী ( peasant mode of production ) তিষ্ঠি থকাটো সম্ভৱ নহয়। ৰাজহুৱা ধনভঁৰালৰ পৰা অজস্ৰ ধন খৰছ কৰি আগবঢ়োৱা চৰকাৰী আৰ্থিক সাহাৰ্য্যৰ অবিহনে ক্ষুদ্ৰ ব্যক্তিগত কৃষিপামবোৰ আধুনিক পদ্ধতি ব্যৱহাৰৰ দ্বাৰা অৰ্থনৈতিকভাৱে উৎপাদনক্ষম কৰাটো সম্ভৱপৰ হব নোৱাৰে। যিহেতু অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতা এটি মুষ্টিমেয় বুৰ্জোৱা আৰু ধনীশ্ৰেণীৰ হাতত পুঞ্জীভূত হোৱাৰ ফলত উৎপাদক-বজাৰ ক্ৰটিপূৰ্ণ হৈ পৰিছে, তেনেক্ষেত্ৰত গাওঁৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষকসকলৰ বাবে উৎপাদনৰ আহিলাসমূহ ( means of production ) সহজলভ্য নোহোৱাটোৱে স্বাভাৱিক। এনেকুৱা অৱস্থাত বৃহৎসংখ্যক কৃষকৰ বাবে কৃষিপদ্ধতি পৰিবৰ্ত্তন কৰাটো সম্ভৱপৰ হৈ উঠা নাই। পুঁজিবাদী কৃষিপ্ৰণালী ( capitalist mode of production ) অৱলম্বন কৰা এটি মুষ্টিমেয় সুবিধাভোগী কৃষকশ্ৰেণীৰ দ্বাৰা আনিবলৈ বিচৰা 'সেউজীয়া বিপ্লৱ' হৈছে শ্ৰেণী-নিৰপেক্ষভাৱে সৰ্ব্বোপৰি কৃষিৰ উৎপাদকতা আৰু কৃষি সামগ্ৰীৰ উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰাৰ উদ্দেশ্যে লোৱা ব্যৱস্থাহে; ই নিশ্চয়কৈ সামাজিক ন্যায় প্ৰতিষ্ঠা আৰু অৰ্থনৈতিক বৈষম্য দূৰীকৰণৰ বাবে লোৱা ব্যৱস্থা নহয়। অন্যহাতে একোটি ক্ষুদ্ৰ নিৰাপত্তাবিহীন কৃষিভূমিৰ গোটত বাহিৰে অন্যান্য আধুনিক উৎপাদনৰ আহিলা লাভৰ পৰা বঞ্চিত লাখ লাখ ক্ষুদ্ৰ কৃষকৰ সৃষ্টিৰ দ্বাৰা কেৱল ক্ষন্তেকীয়া সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাটো সম্ভৱ হব পাৰে ; কিন্তু ই কেতিয়াও সৰ্বাংগীন অৰ্থনৈতিক উন্নয়ন নাইবা স্থায়ী সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে লোৱা ব্যৱস্থা হব নোৱাৰে।

বৰ্ত্তমান চৰকাৰৰ এনেকুৱা স্ববিৰুদ্ধবাদী নীতিৰ ওৰ পেলাবলৈ মাত্ৰ একেটি উপায়হে আছে। সেইটো হৈছে—ক্ষুদ্ৰ কৃষকৰ ব্যক্তিগত উৎপাদনৰ আহিলাসমূহ একগোট কৰি যৌথ সমবায় কৃষিপাম গঠন। কৃষিক অৰ্থনৈতিক উদ্যোগ হিচাবে আৰু গ্ৰাম্যসমাজৰ সংগঠিত সমবায়ভিত্তিক জীৱন-ধাৰণৰ এক আদৰ্শ অনুষ্ঠান হিচাবে গঢ়ি তোলাৰ উদ্দেশ্যে যৌথ সমবায় কৃষিপাম গঠন কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে।

চৰকাৰে বৰ্তমানলৈকে হাতত লোৱা ভূমিসংস্কাৰ ব্যৱস্থাসমূহ কৃষকৰ মাজত ভূমিৰ সমবিতৰণ কৰা, ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষিপামৰ আকাৰ অৰ্থনৈতিকভাৱে সক্ষমতাৰ স্তৰলৈ উন্নীত কৰা, কৃষকসকলক আৰু ৰাজ্যখনক অৰ্থনৈতিক



সা-সুবিধা দিয়া আৰু বিখণ্ডীকৃত ভূমি গোটসমূহ একত্ৰীকৰণ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হোৱা দেখা গৈছে। মুঠতে চৰকাৰী ব্যৱস্থাসমূহে কৃষকসকলক অৰ্থনৈতিক উন্নতিৰ বাবে সমান সুবিধা প্ৰদান কৰা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। ক্ষুদ্ৰ কৃষক মালিকানাৰ অপঅৰ্থনীতি (diseconomy ) ৰ সমস্যাটো হয়তো বৃহৎ আকাৰৰ পুঁজিবাদী কৃষিক প্ৰসাৰ লাভ কৰিবলৈ উদ্‌গনি দি নাইবা ক্ষুদ্ৰ কৃষকসকলক সমবায় কৃষিপামত সংগঠিত কৰিহে সমাধান কৰিব পৰা যাব। এই তুই ধৰণৰ উপায়ৰ ভিতৰত শাছৰ অনুষ্ঠান-টোৱেই অসমৰ দৰে অনুন্নত অঞ্চলৰ বাবে বেছি উপযোগী। যিহেতু অসমৰ সৰহসংখ্যক কৃষিপাম [ farms ] ৰ আকাৰ অৰ্থনৈতিক ভাৱে অক্ষম অৰ্থাৎ সৰ্বমুঠ কৃষিপামৰ ৮১ শতাংশই অৰ্থনৈতিক ভাৱে সক্ষম হব পৰা নিম্নতম সীমাৰেখা ( ২ হেক্টৰ বা প্ৰায় ১৫ বিঘা ) ৰ তলত আছে, তেনে ক্ষেত্ৰত যৌথ সমবায় কৃষিপাম গঠন হলেহে ৰাজ্যখনৰ জটিল কৃষিসমস্যাৰ সমাধান হব। তাকে নকৰি যদি নিৰক্ষৰ, অজ্ঞ, দৰিদ্ৰ আৰু অক্ষম কৃষকসকলৰ হাতত কৃষি উৎপাদনৰ দায়িত্ব এৰি দি চৰকাৰে ওপৰগধূৰ কৃষি আমোলাৰ বগাহাতী পুহিয়েই কৃষিৰ উন্নয়নৰ নামত প্ৰচাৰ-মাধ্যমৰ বেলুন উৰুৱাই থাকে, তেতিয়াহলে এটা কথা নিশ্চিত যে, গাওঁ অঞ্চলত কৃষকসকলে মাটি-বাৰী হেৰুৱাই সৰ্বস্বান্ত হৈ পৰিব আৰু এদল ধনী কৃষক শ্ৰেণীৰ উদ্ভৱ হৈ সাধাৰণ কৃষকক কৃষি বনুৱাত পৰিণত কৰিব যাৰ ফলত শ্ৰেণী সংঘৰ্ষ অনিবাৰ্য্য হৈ পৰিব। তেনেকুৱা পৰিস্থিতিত সুনেতৃত্ব দিব পৰা ৰাজনৈতিক দলৰ অভাৱত অসমৰ গাওঁ অঞ্চলত বিকৃত ৰাজনৈতিক অশান্তিৰ জুই জ্বলি উঠিব পাৰে আৰু মেহনতী শ্ৰমিক বনুৱাৰ সংগঠিত সুসংগ্ৰামৰ পৰিবৰ্তে সাম্প্ৰদায়িক, ধৰ্মীয়, ক্ষুদ্ৰ ক্ষুদ্ৰ আঞ্চলিক মনোবৃত্তিৰ ভ্ৰাতৃঘাতী সংঘৰ্ষসমূহে গা কৰি উঠিব পাৰে, যাৰ ফলস্বৰূপে মুষ্টিমেয় সুবিধাবাদী শ্ৰেণীয়ে সকলো ধৰণৰ মুনাফা লাভ কৰিব।

OKDISCD

# সমাজবাদী তত্ত্ব আৰু অগ্ৰগতি

।। সমীক্ষক ।।

বিশ্বজুৰি সমাজতন্ত্ৰ সম্পৰ্কে নতুনকৈ চিন্তাভাৱনা আৰু বিতৰ্কৰ সূত্ৰপাত হৈছে। বিশ্বৰ প্ৰথম সমাজতান্ত্ৰিক দেশ ছোভিয়েট ৰুছিয়াত পুঁজিবাদৰ পুণৰুত্থান হোৱা বুলি প্ৰায় ২৫ বছৰৰ আগেয়ে চীনা কমিউনিষ্ট পাৰ্টিক কেন্দ্ৰ কৰি বিপ্লৱী কমিউনিষ্ট সকলে ঘোষণা কৰিছিল আৰু তাৰ কিছুবছৰৰ পিছতে ছোভিয়েটক 'সাম্ৰাজ্যবাদী' শক্তি হিচাপে অভিহিত কৰা হৈছিল। তাৰো আগত '৫০ ৰ দশকত যুগোশ্লাভিয়াক নব্য-পুঁজিবাদী দেশ হিচাপে আখ্যা দিয়া হৈছিল—ছোভিয়েট পাৰ্টিৰ নেতৃত্বত। মাও জে দঙৰ মৃত্যুৰ পিছত এতিয়া চীনক পুঁজিবাদী পথৰ পথিক বুলি আখ্যা দিয়া হ'ল। মাৰ্শ্বাল টিটোৰ নেতৃত্বত যুগোশ্লাভিয়াত আৰু খ্ৰুশ্চভৰ আমোলত ৰুচিয়াত অৰ্থনৈতিক ক্ষেত্ৰত কিছুমান পুঁজিবাদী পদক্ষেপ গ্ৰহণ কৰা হৈছিল। কেন্দ্ৰীভূত পৰিকল্পনা আৰু উৎপাদনৰ উপকৰণসমূহৰ ৰাষ্ট্ৰীয় মালিকানাৰ ওপৰত মৌলিক গুৰুত্ব আৰোপ কৰাৰ লগে লগে বজাৰ-শক্তিবোৰৰ ওপৰত থকা নিয়ন্ত্ৰণ কিছুপৰিমাণে শিথিল কৰা আৰু ব্যক্তিগত মালিকানা, বাণিজ্য আদিক কিছুপৰিমাণে অনুমোদন জনোৱা—ইত্যাদি পদক্ষেপ দৰাচলতে সমাজবাদী অৰ্থনীতিক গতিশীল আৰু শক্তিশালী কৰি তোলাৰ বাবে সমাজতান্ত্ৰিক দিক্-নিৰ্দেশনাত পৰিচালিত পুঁজিবাদী পদক্ষেপ। ব্যাপকতা আৰু গভীৰতাৰ ফালৰ পৰা চীনত এনে পদক্ষেপ সমূহে এক আন্দোলনৰ ৰূপ পৰিগ্ৰহ কৰিলে আৰু কেৱল অৰ্থনৈতিক ক্ষেত্ৰতে নহয়, আইন, ৰাজনীতি আদি মতাদৰ্শগত ক্ষেত্ৰসমূহতো সংস্কাৰৰ ঢল নমোৱা হ'ল। এই ঘটনাৱলী জনাজাত হ'ল 'ডেঙৰ সংস্কাৰ' হিচাপে। লগে লগে মাও যুগৰ লগত বৰ্ত্তমান আমোলৰ ব্যৱধানক এক বিৰাট বিষয় হিচাপে প্ৰতিষ্ঠা কৰা হ'ল আৰু চীনৰ অধঃপতন সম্পৰ্কে চাহৰ কাপত ধুমুহা অনা হ'ল। তাৰ পিছত ছোভিয়েট ৰুছিয়াত পূৰ্ণোদ্যমে প্ৰৱৰ্ত্তন কৰা হ'ল 'গৰ্ব্বাশ্চভ সংস্কাৰ'। ৰুছিয়াৰ আভ্যন্তৰীণ আৰু বৈদেশীক স্থিতিলৈ বিৰাট পৰিবৰ্ত্তন অনা এই নতুন নীতিবোৰ পৰিচিত হ'ল 'গৰ্ব্বাশ্বভ ঘটনাৱলী' হিচাপে, সাম্প্ৰতিক বিশ্ব



পৰিস্থিতিত, এতিয়া 'গৰ্ব্বাশ্বভ ফেন'মেনা'ই আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা হিচাবে সাব্যস্ত হ'ল। প্ৰখ্যাত হৈ পৰিল 'গ্লাচন'ষ্ট', 'পীচ অফেনচিভ', চীনৰ বিকেন্দ্ৰীভূত অৰ্থনীতি ইত্যাদি। এনে এক পৰিস্থিতিতে অনুষ্ঠিত হৈ গ'ল ছোভিয়েট ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ সপ্তবিংশ কংগ্ৰেছ আৰু চীনা কমিউনিষ্ট পাৰ্টিৰ ত্ৰয়োদশ কংগ্ৰেছ।

স্বাভাৱিকভাৱেই পৰিবৰ্ত্তনকামী জনগণ আৰু বিপ্লৱী কৰ্ম্মীসকলে সমাজতন্ত্ৰৰ জীৱন্ত প্ৰক্ৰিয়াটো চাব খোজে ৰুছিয়া আৰু চীনৰ বুকুত, য'ত সম্পন্ন হৈছিল মহান ৰুছ আৰু চীন বিপ্লৱ, যি দুখন দেশৰ বুনিয়াদ ৰচনা কৰি গৈছিল লেনিন, ষ্টেলিন আৰু মাও জে দঙে, যি দুখন দেশৰ বিপ্লৱ আৰু বিপ্লৱোত্তৰ কালৰ সমাজতান্ত্ৰিক গঠন কাৰ্য্যত মাৰ্ক্সবাদৰ সৃজনশীল প্ৰয়োগৰ জড়িয়তে গঢ়ি উঠিছিল আৰু সমৃদ্ধ হৈছিল লেনিনবাদ আৰু মাও জে দং চিন্তাধাৰা।

বুৰ্জোৱা দৃষ্টিভংগীৰ স্বাৰ্থপৰতা আৰু সংকীৰ্ণতাৰ বাবে সংবাদ-মাধ্যমত সমাজতান্ত্ৰিক সমাজৰ বিশেষ বিকৃতি আৰু ত্ৰুটিবোৰ একপক্ষীয়ভাৱে প্ৰতিফলিত হ'বলৈ বাধ্য। আমাৰ দেশতো ব্যাপক সংখ্যক সংবাদসেৱী আৰু বুদ্ধিজীৱি খাচ মাৰ্কিনী ঢঙত সোচ্চাৰ হৈ উঠিছেঃ মিখাইল গৰ্ব্বাশ্বভৰ পত্নী ৰেইচ্ছা গৰ্ব্বাশ্বভৰ ব্যক্তি অধিকাৰ কিমান? ৰুছ সমাজত জাৰৰ আমোলৰ 'নষ্টালজিয়া' কিমাৰ গভীৰ? ৰুছিয়া আৰু চীনৰ জনগণ বেছিকৈ 'চিনিক' হৈ পৰিছে নেকি? সমাজতন্ত্ৰলৈ আৰু কিমান যুগ বাকী, ৬০ বছৰ নে ৫০ বছৰ? তেওঁলোকে গৰ্ব্বাশ্বভ ঘটনাৱলীৰ কাৰণ হিচাপে দেখে ৰুছিয়াত হলীউদী চিনেমাৰ প্ৰভাৱত একোটাকৈ 'ক্ৰেমাৰৰ প্ৰাসাদ' পাবলৈ প্ৰতিজন ৰুছ নাগৰিকৰ তিব্ৰ আকাংক্ষা!

আনহাতে সমাজতন্ত্ৰৰ লগত আদৰ্শগতভাৱে নিজক চামিল কৰা অনেক বুদ্ধিজীৱিৰ ওচৰত সমাজতন্ত্ৰ এক বাস্তৱ প্ৰক্ৰিয়াৰ সলনি পৰিণত হৈছে এক অপাপবিদ্ধ সনাতন আদৰ্শৰ প্ৰতিৰূপ হিচাবে। সমাজতন্ত্ৰৰ বাস্তৱ অগ্ৰগতি বদ্ধমূল ধাৰণাৰ পৰা ক্ৰমশঃ আতৰি এক জটিল প্ৰক্ৰিয়াত পৰিণত হোৱাত তেওঁলোক সমাজতন্ত্ৰৰ অস্তিত্ব সম্পৰ্কেই সংশয়বাদী হৈ পৰিছে।

কিন্তু বিপ্লৱী কমিউনিষ্ট শিবিৰতো সমাজতন্ত্ৰ সম্পৰ্কে বিমূৰ্ত্ত আৰু বিশুদ্ধতাবাদী দৃষ্টিভঙ্গীৰ প্ৰভাৱ যথেষ্ট শক্তিশালী। অতিশয় আশাৰ কথা যে মাৰ্ক্সবাদী—লেনিনবাদী শিবিৰৰ পৰা এটি ধাৰাই তাৰ বিকাশমান ৰূপত

OKDISCD

আত্মপ্ৰকাশ কৰা আমি দেখিবলৈ পাইছোঁ। য'ত তত্বতকৈ জীৱন, সংস্কাৰতকৈ সৃষ্টিশীল মন আৰু বিমূৰ্ত্ত দৃষ্টিভংগীতকৈ বাস্তৱৰ মুখামুখী হোৱাৰ সাহস অধিক শক্তিশালী হিচাবে প্ৰকট হৈছে। এই ধাৰাটোৱে সমাজতন্ত্ৰ সম্পৰ্কে বদ্ধমূল ধ্যানধাৰণা আৰু কাল্পনিক চিন্তা-কাঠামা ছিন্নভিন্ন কৰি ক্ষুৰধাৰ যুক্তি আৰু স্ফটিকস্বচ্ছ বক্তব্যৰে সমাজতন্ত্ৰৰ বহুবৰ্ণসমুজ্জ্বল ৰূপৰেখা তুলি ধৰিবলৈ সক্ষম হৈছে।

এটা বিষয় পৰিস্কাৰ যে সমাজতন্ত্ৰৰ বিকাশৰ বাস্তৱ সমস্যাবোৰ আমাৰ প্ৰচলিত ধাৰণাতকৈ হাজাৰ গুণ জটিল। এইটো অনস্বীকাৰ্য্য যে প্ৰতিথন সমাজবাদী দেশতে সমাজতান্ত্ৰিক অৰ্থনীতিৰ চমকপ্ৰদ অগ্ৰগতি আৰু সামাজিক সম্পৰ্কসমূহৰ বিৰোধাত্মক চৰিত্ৰ মূলতঃ বিলুপ্ত হ'লেও কিছুমান গুৰুতৰ বিচ্যুতি আৰু সংকট মুৰ দাঙি উঠে। সমাজবাদৰ ইতিহাসত নেতিবাচক অভিজ্ঞতা কম আহৰিত হোৱা নাই। কিন্তু এই নেতিবাচক বিকাশসমূহো নিৰ্দিষ্ট ঐতিহাসিক পৰিস্থিতিৰেই ফল। সমাজতান্ত্ৰিক দেশবোৰৰ ভিতৰত কিছুমান কাৰ্য্যকলাপ প্ৰতি-বিপ্লৱী হিচাবে যুক্তিসঙ্গত ভাৱেই পৰিগণিত হৈছে। চীনৰ ক্ষেত্ৰতো সমাজতান্ত্ৰিক প্ৰমূল্যসমূহ গুৰুতৰ ধৰণৰ ভাবুকীৰ সন্মুখীন হোৱাটো বাস্তৱ ঘটনা।

তেনেহ'লে সমাজতন্ত্ৰ সম্পৰ্কে আমাৰ দৃষ্টিভংগী কি হ'ব? সমাজতন্ত্ৰৰ নেতিবাচক দিশ অথবা বিকৃতিবোৰ সেই একেটি ঐতিহাসিক পৰিস্থিতিৰ ফল— যি পৰিস্থিতিত সৃষ্টি হৈছিল তাৰ ইতিবাচক দিশ তথা সুফলবোৰ। দুয়োটা প্ৰক্ৰিয়া পৰস্পৰ বিচ্ছিন্ন নহয় বৰং একেটি প্ৰক্ৰিয়াৰ দ্বাৰা, সমাজতন্ত্ৰৰ ঐতিহাসিক অগ্ৰগতিৰ প্ৰক্ৰিয়াৰ দ্বাৰা পৰস্পৰ বিজড়িত। এই দৃষ্টিকোণ গ্ৰহণ কৰাৰ লগে লগে আমি ব্ৰতী হ'ব লাগিব তাৰ গভীৰ অনুসন্ধানত। দায়িত্বহীন গৰিহণা দিয়াৰ অৱস্থানৰ পৰা উন্নত স্তৰলৈ, উদ্দেশ্যমুখী সমালোচনাৰ স্তৰলৈ যাব লাগিব, উৎসাহেৰে পূৰ্বধাৰণা আৰু অন্ধবিশ্বাসৰ নাগপাশ কাটি উঠিব লাগিব।

সমাজতন্ত্ৰ সম্পৰ্কে ঘণীভূত হৈ পৰা বিভ্ৰান্তি আৰু সংশয়ৰ পৰা মুক্ত হ'বলৈ আমি সমাজতান্ত্ৰিক তত্ব আৰু প্ৰয়োগৰ দ্বান্দ্বিক বিকাশ প্ৰক্ৰিয়াক বিশ্লেষণ কৰিব লাগিব, তত্বক চাব লাগিব প্ৰাণৱন্ত অনুশীলনৰ মাজত।

সেই উদ্দেশ্যে বৰ্ত্তমান প্ৰবন্ধত আমি দুটা বিষয় থুলমুলকৈ আলোচনা কৰিম, (ক) সমাজতান্ত্ৰিক তত্বত প্ৰধান (fundamental) কি আৰু অপ্ৰধান কি, অনুশীলনত কেনেভাৱে তাৰ ৰূপান্তৰসাধন হয়; (খ) চীন আৰু ৰুছিয়াৰ সাম্প্ৰতিক সংস্কাৰ আন্দোলনৰ মৰ্ম্মবস্তু আৰু ভিত্তি কি? ক্ৰমশঃ

# মাৰ্ক্সবাদৰ এটি মৌলিক নীতি

সামগ্ৰিকভাৱে মাৰ্ক্সবাদ-লেনিনবাদ-মাও-জে-দং চিন্তাধাৰাৰ তত্ব আৰু মৌলিক নীতিসমূহ অখণ্ডনীয়, কিন্তু তাৰ কিছুমান নিৰ্দিষ্ট নীতি, সিদ্ধান্ত আৰু ধ্বনি ঐতিহাসিক অৱস্থাৰ পৰিবৰ্ত্তনৰ লগে লগে পৰিবৰ্ত্তিত হয়। পৃথিবী সম্পৰ্কে মানুহৰ জ্ঞানৰ পৰিধি সদায় ঐতিহাসিক পৰিস্থিতি আৰু অনুশীলনৰ স্তৰৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। যেতিয়া ঐতিহাসিক অৱস্থাৰ পৰিবৰ্ত্তন ঘটে আৰু অনুশীলন উপনীত হয় উন্নত স্তৰত, তেতিয়া জ্ঞানৰো অগ্ৰগতি ঘটে। চেয়াৰমেন মাওৱে কৈছে, 'যেতিয়াৰ পৰা আমি সমাজতান্ত্ৰিক যুগত প্ৰৱেশ কৰিছো আৰু আমাৰ সন্মুখত দেখা দিছে এটাৰ পিছত এটাকৈ নতুন সমস্যা তেনে অৱস্থাত ইতিমধ্যে লিখিত গ্ৰন্থাদিয়ে যথেষ্ট নহয়। নতুন প্ৰয়োজনৰ দাবী পূৰাবলৈ এতিয়া নতুন গ্ৰন্থাদিৰ দৰকাৰ। আগেয়ে ধাৰণা আছিল বুৰ্জোৱাহঁতৰ ধ্বংসসাধন আৰু সমাজতন্ত্ৰৰ বিজয় অৰ্জ্জন কঠিন কাৰ্য্য নহয়। এতিয়া উপলব্ধি হৈছে যে এই কাম সহজ সাধ্য নহয়।' সেইবাবে চেয়াৰমেন মাওৱে কৈছিল, আমি চূড়ান্ত বিজয় সম্পৰ্কে শিথিল মনোভাৱ অৱশ্যেই নলওঁ।

মাৰ্ক্স, এঙ্গেলচ, লেনিন আৰু মাওৱে তেওঁলোকৰ নিজৰ সিদ্ধান্ত সমূহো অচল হ'লে তাৰ পৰিমাৰ্জনা অথবা সংশোধন কৰিবলৈ আৰু নতুন সিদ্ধান্ত গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। ইয়াৰ দ্বাৰা তেওঁলোকৰ নিজৰ তত্ব সমূহকে বাতিল কৰা অথবা সেইবোৰৰ সঠিকতা সম্পৰ্কে 'সন্দিহান' হোৱা বুজাব বুলি তেওঁলোকে কেতিয়াও ভবা নাছিল। তেওঁলোকে বৈজ্ঞানিক কামেই কৰিছিল আৰু সত্য তথা তথ্যৰ প্ৰতি দায়বদ্ধ আছিল।

আমি যেতিয়া সত্যৰ অসম্পূৰ্ণতাক পৰিমাৰ্জনা, সংযোজনা আৰু সংশোধনৰ কথা কওঁ তাৰ দ্বাৰা জ্ঞান আৰু তত্বৰ বিকাশৰ মাজত থকা যোগসূত্ৰৰ কথাকে বুজাও। মাৰ্ক্সবাদ-লেনিনবাদ-মাও জে দং চিন্তাধাৰাৰ ভিত্তিত আৰু বাস্তৱ পৰিস্থিতিৰ পোহৰত অচল নীতিবোৰক সংশোধন কৰা প্ৰয়োজনীয়, স্বাভাৱিক আৰু অপৰিহাৰ্য। তাক সংশোধনবাদৰ লগত একে বুলি ভবা নাযায়, আপেক্ষিক সত্যক যেনেদৰে আপেক্ষিকবাদৰ লগত একে কৰি পেলোৱা নহয়, বাস্তৱ অভিজ্ঞতাৰ ওপৰত গুৰুত্ব দিয়াক যিদৰে অভিজ্ঞতাবাদ নোবোলে।

OKDISCD

মাও জে দং চিন্তাধাৰা অন্ধবিশ্বাস, গোড়ামীবাদ আৰু মৰ্মহীন বিষয়ৰ আটাইতকৈ ডাঙৰ শত্ৰু। এঙ্গেলচে কৈছিল, 'যিমান নিৰ্দয় আৰু নিঃস্বাৰ্থভাৱে বিজ্ঞান আগ বাঢ়ে, শ্ৰমিক শ্ৰেণীৰ স্বাৰ্থ আৰু আকাংক্ষাৰ লগত বিজ্ঞান সিমানেই সঙ্গতিপূৰ্ণ হয়।' মাও জে দঙে কৈছে, 'আমি অৱশ্যেই বিজ্ঞানক বিশ্বাস কৰিব লাগিব, তাৰ বাহিৰে অন্য একোতে আমাৰ বিশ্বাস নাই, অৰ্থাৎ কোনো ক্ষেত্ৰতেই আমাৰ অন্ধবিশ্বাস থাকিলে নহ'ব।' যদি আমি অনুশীলন আৰু বিজ্ঞানক শ্ৰদ্ধা কৰোঁ, অন্ধবিশ্বাস পৰিহাৰ কৰো আৰু আমাৰ মন কৰি তোলো মুক্ত, তেনেহলে আমি তত্বক উন্নীত কৰিব আৰু নতুন সত্য অৰ্জন কৰিব পাৰিম। ইতিহাসৰ এক মহান সন্ধিক্ষণত লেনিনে কৈছিল, 'এতিয়া সমগ্ৰ বিষয়টোৱেই হ'ল ব্যৱহাৰিক কামৰ, সেই সন্ধিক্ষণ এতিয়া আমাৰ সম্মুখত যেতিয়া তত্ব বাস্তবায়িত হৈছে অনুশীলনত, প্ৰাণবন্ত হৈছে অনুশীলনত, সংশোধিত হৈছে অনুশীলনত, পৰীক্ষিত হৈছে অনুশীলনত।

১৯৫৯ চনৰ ১০ জুলাইত আমাৰ মহান শিক্ষক স্বয়ং মাওৱে এক ভাষণত কৈছিল: 'এটা লাইন সঠিক নে বেঠিক তাক প্ৰমাণ কৰাটো এটা তাত্বিক প্ৰশ্ন নহয় বৰং প্ৰয়োগ সম্পৰ্কিত এটি প্ৰশ্ন, প্ৰয়োগৰ ফলাফলৰ দ্বাৰা তাক পৰীক্ষা কৰোতে সময়ৰ দৰকাৰ হয়।'

এই দৃষ্টিকোণ কি সঠিক? নিঃসন্দেহে সঠিক। লাইনৰ প্ৰশ্নত এয়ে হ'ল যথাৰ্থ বস্তুবাদী দৃষ্টিকোণ, "সকলোকে সন্দেহ কৰাৰ" দৃষ্টিকোণ নহয়। (বেইজিং ৰিভিউ - ১৪ আৰু ২১ জুলাই, ১৯৭৮ সংখ্যাত প্ৰকাশিত এটি সমীক্ষাৰ অংশবিশেষৰ অনুবাদ।)

**সমকালীন মাৰ্ক্সবাদৰ সমূহ পাঠকলৈ**
**নৱবৰ্ষৰ সম্ভাষণ জনাইছোঁ—**

**লাৱণ্য আৰ্ট প্ৰেছ**
**গুৱাহাটী-৭৮১০০৭**

# অসমৰ ৰাজনৈতিক ঘটনা প্ৰবাহ

—দিলীপ বৰা—

সমাজ সচেতন শক্তিৰ বাবে কোনো এক আন্দোলনক মূল্যায়ন কৰাটো দৰাচলতে এক দায়িত্বশীল মনোভাৱৰ প্ৰশ্ন। আন্দোলন এটাক পোণচাটেই নাকচ কৰি দিয়া বা সেই লৈ সোচ্চাৰ হৈ পৰা— এই দুয়োটি প্ৰৱনতাৰ বিপৰীতে তাক জটিল ভাবে বিশ্লেষণ কৰাটোৱেই ঐতিহাসিক বিচাৰত শুদ্ধ পন্থা। কোনো আন্দোলনতেই সকলোবোৰ দিশ সঠিক আৰু সকলোবোৰেই বেঠিক নহয়। গতিকে আন্দোলন এটাত এইখিনি ভাল এইখিনি বেয়া বুলি কৈ থোৱাটোও অত্যন্ত পালমৰা বিধৰ কাম। আন্দোলন এটা জটিল সামাজিক প্ৰক্ৰিয়া, সেয়েহে তাক ঐতিহাসিক প্ৰেক্ষাপটৰ পৰা বিচাৰ কৰাটো বিজ্ঞানসন্মত। কোনটো আন্দোলনত গুৰুত্বপূৰ্ণ ঐতিহাসিক প্ৰাসঙ্গিকতা বিদ্যমান তাক ঠিৰাং কৰাৰ মাৰ্ক্সবাদ সন্মত পদ্ধতি-এটাই, সেইটো হ'ল এটা আন্দোলন গঢ়ি উঠা আৰু তাৰ বিকাশ প্ৰক্ৰিয়াক নিৰ্দিষ্ট পৰিস্থিতিৰ ভিত্তিত আলোচনা কৰা। সমাজত যেতিয়া এটা আন্দোলন মূৰ্ত্ত হৈ উঠে তেতিয়া কোনো মাৰ্ক্সবাদী আন্দোলনটোৰ বাঞ্চনীয়তা বা অবাঞ্চনীয়তাক লৈ ব্যস্ত হৈ নপৰে। তেখেতৰ কৰ্ত্তব্য হৈ পৰে আন্দোলনটোৰ ঐতিহাসিক যোগসূত্ৰ, অংশগ্ৰহণকাৰী জনগণৰ বাস্তৱ আশা-আকাংক্ষাৰ লগত আন্দোলনটো কি ভাবে বিজড়িত, আন্দোলনটোৰ গতি প্ৰকৃতি আৰু পৰিণতি পশ্চাদমুখী নে ভবিষ্যমুখী কেনেধৰণৰ সামাজিক শক্তিৰ প্ৰাধান্য আছে, কেনেধৰণৰ উপাদান লৈ নেতৃত্ব গঠিত হৈছে, প্ৰচলিত ৰাষ্ট্ৰব্যৱস্থাৰ লগত তাৰ সম্পৰ্ক কেনেধৰণৰ, আন্দোলনটোৰ জৰিয়তে জাতীয় দোষ দুৰ্বলতা সমূহ অতিক্ৰম কৰাৰ আৰু গুণগত উত্তৰণৰ সম্ভাৱনা আৰু আন্দোলনৰ পৰিধি ব্যাপকতৰ হৈছে নে নাই, আন্দোলনটোৰ মুখ্য বিষয়বস্তু, আকৌ সি প্ৰকট কৰা সামাজিক দ্বন্দ্ব এই সকলোবোৰ গভীৰ সহমৰ্মীতাৰে অনুসন্ধান আৰু বিশ্লেষণ কৰা। এই সামাজিক বাস্তৱতাৰ পৰা ব্যৱধানৰ সৃষ্টি হলে কিছুমান বিমূৰ্ত্ত নীতি আৰু তত্ব তেনে মাৰ্ক্সবাদীৰ জীয়াই থকাৰ সমল হৈ পৰে। সন্দেহ নাই, এজন নিষ্ঠাবান মাৰ্ক্সবাদীৰ ওচৰত বিপ্লৱেই জীৱনৰ লক্ষ্য হোৱা উচিত, কিন্তু

OKDISCD

বিপ্লৱৰ চিৰায়ত বৈশিষ্ট বিলাক ফুটি নুঠিলেই কোনো সামাজিক ঘটনাক উপেক্ষা কৰাটো নিশ্চয় বিপ্লৱী উদ্দেশ্যৰ লগত বিসঙ্গতি পূৰ্ণ হব। সমাজৰ সকৰৰ সকলো ঘটনাই বিপ্লৱৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত আৰু বিপ্লৱ এক দীৰ্ঘস্থায়ী প্ৰস্তুতিৰহে বিষয়বস্তু—সেই মানসিকতা বিপ্লৱী পৰিপ্ৰেক্ষিতৰ পৰা সৃজনশীলভাৱে সকলো বিচাৰ কৰাৰ মাজেদিহে প্ৰস্ফুটিত হয়। মুঠতে সমাজৰ জটিল আৰু সামগ্ৰিক ক্ৰিয়া কাণ্ডৰ মাজত অন্তৰ্নিহিত হৈ থকা বিভিন্ন বস্তুগত ধাৰা অথবা আন্দোলনক (মনোগত ধাৰণাৰ পৰা সি সুকীয়া হলেও বা বহিৰঙ্গত সি বিপ্লৱৰ বিপৰীতমুখী হলেও) উদ্ধ'ত তুলি ধৰা অনিবাৰ্য্য হৈ পৰে, কাৰণ কোনো নিৰ্দিষ্ট পন্থৰ পৰা দৃঢ়তাৰে থিয় হলেহে তেনে আন্দোলনৰ ধাৰা সম্পৰ্কে থকা ধাৰণাত্মক অথবা তত্বগত মূল্যায়নে এক নিৰ্দিষ্ট ৰূপ পায় বা তাৰ বিকাশ ঘটে—হয়তোবা পূৰ্বৰ মূল্যায়ন নাকচ কৰিবলগীয়াও হব পাৰে।

অসমৰ নিৰ্দিষ্ট পটভূমিত নিষ্ঠাবান মাৰ্ক্সবাদী তথা বিপ্লৱী গণতন্ত্ৰী সকলৰ এই অৱস্থান তথা ভূমিকাৰ কোনো সংকট হৈ গৈছে নেকি? —বৰ্ত্তমান প্ৰবন্ধটোৰ বিষয়বস্তু যদিও এইটো নহয় তথাপি প্ৰবন্ধৰ মাজেদি তাকো পৰীক্ষা কৰি চোৱাৰ প্ৰয়াস থাকিব। আমাৰ বৰ্তমান আলোচনাৰ বিষয়বস্তু অসম আন্দোলনৰ এক বিশ্লেষণ পদ্ধতি হিচাবে আমি অসম আন্দোলনৰ প্ৰাৰম্ভিক কালৰপৰা শেষ বছৰটোলৈকে আৰু তাৰ পৰা আগুৱাই তাৰ ধাৰাবাহিকতা অনুধাৱন কৰাৰ বাবে '৮৯ চনলৈকে যাম। ১৯৭৭ চনৰ পৰা ১৯৮৭ চনলৈকে এই গোটেই দশকটো হ'ব—আমাৰ আলোচনাৰ কাল পৰ্য্যায়। এই কাল পৰ্য্যায়ৰ ৰাজনৈতিক গতিৰ (dynamism) অধ্যয়নেই আমাৰ উদ্দেশ্য। এই কাল পৰ্য্যায়টোক আমি তিনিটা ভাগত ভগাব পাৰো—আন্দোলনৰ প্ৰাক্কাল, আন্দোলন কাল আৰু আন্দোলন পৰবৰ্ত্তী কাল। প্ৰতিটি কালৰে নিজস্ব বৈশিষ্ট্য আছে কিন্তু অসম আন্দোলনেই তাৰ কেন্দ্ৰবিন্দু। এইখিনিতেই উনুকিয়াই থোৱা ভাল যে আমি উপনীত হবলৈ আগবাঢ়িছো এই শতিকাৰ অন্তিম দশকটোত। আলোচিত দশকৰ ধাৰা বিশ্লেষণে শতিকাৰ শেষ দশকৰ ঐতিহ্য আৰু চৰিত্ৰ দুয়োটাকে বহু পৰিমাণে নিয়ন্ত্ৰিত কৰিব।

প্ৰাৰম্ভতেই আমি উভতি চাওঁ ১৯৭৯ চনৰ ঠিক আগৰ বছৰ কেইটিলৈ। '৭৭ পৰা' ৭৯ চনলৈ এই বছৰ কেইটিত আমাৰ ৰাজনৈতিক অৱস্থা আছিল



অস্বাভাৱিক ধৰণে শিথিল, তৰল আৰু অসংহত। জৰুৰী কালীন অৱস্থাৰ ফলত হোৱা দেশ জোৰা ধুমুহাই সমগ্ৰ ভাৰতৰ দৰে অসমতো সৃষ্টি কৰিছিল 'জনতা-ঢৌ' ৰ দৰে এটি ক্ষণস্থায়ী ঢৌ, যি তাৰ সামাজিক ভিত্তি সংহত কৰি তুলিব নোৱাৰিলে। জৰুৰী কালীন অৱস্থাত পূৰ্ণাংগ ৰূপ পোৱা স্বাধীনোত্তৰ কালৰ ৰাজনীতিৰ প্ৰতিক্ৰিয়া হিচাবে সমাজৰ অন্তৰ্ভাগত কিছুমান দীৰ্ঘস্থায়ী প্ৰমূল্যৰ সৃষ্টি হৈছিল। কিন্তু এই প্ৰমূল্য সমূহক জনতা-ঢৌৱে প্ৰতিফলিত আৰু প্ৰতিনিধিত্ব কৰিব নোৱাৰিলে। অৱশ্যে স্বাধীনোত্তৰ ভাৰতত কংগ্ৰেছী শাসন আৰু জনসাধাৰণৰ মাজত বাঢ়ি অহা ব্যৱধানটোক জনতা শাসনে আনুষ্ঠানিক ভাবে প্ৰতিনিধিত্ব কৰিছিল। অসম আন্দোলনৰ সূত্ৰপাত হৈছে জনতাৰ দিনত, এই তথ্যৰ গুৰুত্ব কম নহয়। অসম আন্দোলনৰ সৃষ্টিৰ মূল প্ৰেৰণা আহিছিল এক পৰিবৰ্ত্তনৰ প্ৰয়োজনীতাৰ পৰা, জনগণে বিচাৰিছিল এক বিকল্প। তাৰ বাবে জনতা শাসনো অসমৰ ৰাইজৰ ওচৰত খুউব এটা গ্ৰহনযোগ্য হব পৰা নাছিল। অৱশ্যে সাধাৰণ ভাবে জনতা শাসন প্ৰতিষ্ঠিত হোৱাত ৰাইজ সন্তুষ্ট হৈছিল, সিমানেই। তাতকৈ অধিক অসমীয়া ৰাইজৰ পুঞ্জীভূত ক্ষোভবোৰৰ সি মুখপত্ৰ হৈ উঠিব পৰা নাছিল। কেন্দ্ৰীয় অৱহেলা, পশ্চাদপদ অৰ্থনীতি, দুৰ্বল কৃষি অৰ্থনীতি আৰু শিল্প গাঁথনি, বিপুল জনস্ফীতি আৰু ভূমিৰ ওপৰত হেঁচা, পৰিকল্পিত অৰ্থনীতিৰ পুতৌলগা ফলাফল, বহুজাতিক ভাৰতীয় সমাজ গাঁথনিত প্ৰকট হোৱা জাতিসত্তা সমূহৰ অসম বিকাশৰ বিপদ—এই গভীৰ কাৰণ সমূহৰ ফলস্বৰূপে গঢ়লোৱা অসমীয়া ৰাইজৰ অসন্তুষ্টিয়ে দাবী কৰিছিল কংগ্ৰেছৰ পৰা এক স্পষ্ট মেৰু বিভাজন কাৰণ শেহতীয়া ৰাজনৈতিক পৰিবৰ্ত্তনত অভ্যুত্থিত জনতাদলৰ মাজত জনসাধাৰণে সেই অসন্তুষ্টি সমূহ দূৰ হোৱাৰ চৰ্ত্ত বিচাৰি পোৱা নাছিল। তাৰ ফলত জনগণৰ মাজত ব্যাপক ভাবে অঙ্কুৰিত আৰু বৰ্দ্ধিত হৈছিল কংগ্ৰেছৰ কুশাসনৰ বিপৰীতে এক আঞ্চলিক ক্ষমতামুখী ৰাজনীতিৰ বীজ। জনতা দলে তাৰ সৰ্বভাৰতীয় আৰু বহুদলীয় গাথনিৰ বাবে আৰু উত্তৰ ভাৰতীয় ভিত্তিৰ বাবে এই আঞ্চলিক চিন্তাত 'সাৰ-পানী' দিব নোৱাৰিলে। জনতা দলৰ প্ৰেমাৰ আন্দোলনৰ প্ৰথম খুন্দাতে চিন-চাব নোহোৱা হ'ল, আন্দোলনকালত ই হৈ পৰিল ছাত্ৰ নেতৃত্বৰ অনুগামী আৰু পৰবৰ্তী কালত দেখা গল ই তাৰ শেষ ৰাজনৈতিক আশ্ৰয়কণো হেৰুৱাই পেলালে। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব লাগিব যে জৰুৰীকালীন অৱস্থাৰ পিছত প্ৰাসঙ্গিক হৈ

OKDISCD

উঠা মৌলিক গণতন্ত্ৰ আৰু সামাজিক ন্যায়ৰ প্ৰশ্নসমূহে বামপন্থী শক্তিসমূহক প্ৰাসঙ্গিক আৰু শক্তিশালী কৰি তুলিছিল। কিন্তু ঘাঁইকৈ দুটা কাৰণত অসমৰ ৰাজনীতিত প্ৰচুৰ অৱকাশ আৰু সম্ভাৱনা থকা স্বত্ত্বেও সেই গুৰুত্বপূৰ্ণ সন্ধিক্ষণত বামপন্থী শক্তিসমূহে নিজকে যোগ্যতাৰে সাব্যস্ত কৰিব নোৱাৰিলে। প্ৰথমতে এক উপযুক্ত কংগ্ৰেছবিৰোধী ৰণনীতি তেওঁলোকে ৰূপ দিব পৰা নাছিল আৰু দ্বিতীয়তে অসম আন্দোলনে ব্যাপক ৰূপ ধাৰণ কৰাৰ পিচতো তেওঁলোকৰ আশু-কৰ্মকৌশলৰ (tactics) ওপৰত থিয় হৈ আন্দোলনটোৰ নিৰ্বিচাৰে বিৰোধিতা কৰিলে। তদুপৰি অসমীয়া ৰাইজৰ কিছুমান আবেগ আকাঙ্ক্ষাৰ ঐতিহাসিক মৰ্মবস্তুক বিচাৰ নকৰাকৈ তেওঁলোকে তুচ্ছ-তাচ্ছিল্য কৰিলে।

যি কি নহওক '৭৯ ৰ পৰা আন্দোলনে ব্যাপক ৰূপ ললে আৰু নেতৃত্ব হিচাবে প্ৰতিষ্ঠিত হ'ল 'আছু।' নিকাভাৰমূৰ্ত্তি সম্পন্ন আৰু থলুৱা আকাঙ্ক্ষা সম্বলিত ব্যাপক মঞ্চ হিচাবে 'আছু'ৰ প্ৰভাৱ বাঢ়ি আহিল। অৱশ্যে ৰাজনৈতিক দল সমূহৰ বিপৰীতে অদলীয় চৰিত্ৰৰ এই সংগঠনটি এটি সামাজিক আন্দোলনৰ নেতৃত্ব হিচাবে প্ৰতিষ্ঠিত হোৱাটো সেই পৰিস্থিতিত অৱধাৰিতই আছিল। আন্দোলনৰ লক্ষ্যবস্তু আছিল বিদেশী নাগৰিকৰ বিতাৰণ কিন্তু তাৰ মাজতো জাতীয় সংস্কৃতি আৰু অস্তিত্ব বিপন্ন হোৱাৰ সংশয় আৰু আঞ্চলিক স্বাৰ্থক ৰক্ষণাবেক্ষণ দিয়াৰ গুৰুতৰ প্ৰশ্নটো আহি পৰিছিল। অতি লক্ষণীয় বিষয় হ'ল যে জাতিগত অস্তিত্ব, ভাষা-সংস্কৃতি এইবোৰক উজ্জিৱীত কৰি তোলাৰ আকাঙ্ক্ষা আন্দোলনটোৰ ভিতৰত অতি নিৰ্ভেজাল ভাৱে আছিল।

আন্দোলনৰ নেতৃত্বশীল সংগঠন হিচাবে আমি সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদকে ব্যাখ্যা কৰিব লাগিব। নেতৃত্বৰ বেছি ভাগেই পেটি বুৰ্জোৱা গণতান্ত্ৰিক ব্যক্তি যি সকলে নিজৰ জাতিগত আবেগক প্ৰতিনিধিত্ব কৰিছিল। সংগঠন হিচাবে এক অ-পাৰ্টি মধ্যৱৰ্তী চৰিত্ৰৰ ছাত্ৰ সংগঠন, আৰু মুখ্যতঃ জাতীয়তাবাদী আৰু পূৰ্বাঞ্চলীয় লোক পৰিষদৰ দৰে আঞ্চলিক ভাবাবেগক তুলি ধৰি ক্ষমতাসীন হব বিচৰা আঞ্চলিক ৰাজনৈতিক দলৰ দ্বাৰা পৰিচালিত গণ-সংগ্ৰাম পৰিষদ—এই দুই সংগঠনৰ সমন্বিত নেতৃত্বত ই পৰিচালিত। কিছু সংখ্যক প্ৰতিক্ৰিয়াশীল ব্যক্তিও আকৌ নেতৃত্বৰ মাজত সোমাই পৰিছিল। ব্যাপক ৰাইজৰ আবেগক জয় কৰাৰ অমোঘ কৌশলেৰে



সুসজ্জিত হলেও শ্ৰেণীগত ভাবে ব্যাপক কৃষিজীৱি ৰাইজৰ নেতৃত্বশীল সংগঠন হিচাবে থিয় দিয়াৰ প্ৰৱণতা ইয়াৰ মাজত নাই। আনহাতে আন্দোলনটোৰ নিজস্ব গতিৰ ফালৰ পৰাও ইয়াত তেনে ধৰণৰ নেতৃত্ব গঢ় লৈ উঠা নাই, কাৰণ সামগ্ৰিক ভাৱে অৱস্থাৰ পৰিবৰ্তন আন্দোলনটোৰ মৰ্মবস্তু নহয় বৰং আমাৰ সামাজিক কাঠামোৰেই ই এক নিজস্ব বৈশিষ্ট।

এনে অৱস্থাত সো-বাওঁ নিৰ্বিশেষে সকলোবোৰ দল আনকি তাৰ বহু সং কৰ্মী অপ্ৰাসঙ্গিক হৈ পৰিছিল। এই সকলোবোৰেই আন্দোলনকাৰী শিবিৰৰ প্ৰতি চৰ্তহীন সমৰ্থন দিছিল অথবা নিজস্ব উদ্যোগ হেৰুৱাই বহি পৰিছিল। আন্দোলনটোৰ মাজভাগৰ পৰা আকৌ এক বামপন্থী চিন্তা ভিতৰি ভিতৰি বাঢ়ি আহিছিল আৰু আন্দোলনৰ লক্ষ্যবস্তুক স্বৈৰতান্ত্ৰিক শাসনৰ বিপৰীতে পৰিচালিত কৰাৰ প্ৰচেষ্টা চলাইছিল—অৱশ্যে ৰাষ্ট্ৰযন্ত্ৰৰ অমানৱিক দমন পীড়নেও জনগণৰ চিন্তাক সেই দিশে প্ৰবাহিত কৰিছিল। আন্দোলনটোৱে স্বৈৰতান্ত্ৰিক শাসনৰ লগত অভাৱনীয় ভাৱে মোকাবিলা কৰিব লগা হোৱাৰ বাবে বস্তুগত ভাৱেই অসমীয়া জনগণৰ মাজত স্বৈৰতন্ত্ৰ বিৰোধী তীব্ৰ অসন্তোষ বাঢ়ি আহিছিল, কিন্তু নেতৃত্বই জনগণৰ সংগ্ৰামী উদ্যোগৰ ওপৰত ভিত্তি কৰি যদিও দুই এটা স্বৈৰতন্ত্ৰ বিৰোধী কাৰ্য্যসূচী গ্ৰহণ কৰিছিল তথাপি আন্দোলনটোক সামগ্ৰিকভাৱে সেই পথে পৰিচালিত কৰাৰ পক্ষপাতি নাছিল, বৰং অত্যন্ত স্বাভাৱিক ভাৱেই আপোচ কৰাৰ অথবা তুষ্ট কৰাৰ এটা প্ৰৱণতা থাকি গৈছিল। আনহাতে কিছু অংশই ৰাজ্যন্তৰৰ ক্ষমতালাভৰ সংকীৰ্ণ লক্ষ্যত আন্দোলনটোক ব্যৱহাৰ কৰিব বিচাৰিছিল। বাস্তৱ অভিজ্ঞতাৰ পৰা দেখা যায় যে এই সমস্ত কাৰণৰ বাবেই অসম আন্দোলনৰ মাজত স্বৈৰতন্ত্ৰ বিৰোধী প্ৰৱণতা আৰম্ভ হোৱাৰ লগে লগে ৰাষ্ট্ৰযন্ত্ৰৰ নিপীড়নে তীব্ৰ ৰূপ ধাৰণ কৰিছিল; আনহাতে জনগণৰো এই উদ্যমে '৮৩ ৰ নিৰ্বাচন প্ৰতিৰোধ সংগ্ৰামত সমস্ত জড়তা নেওচি অত্যন্ত বলিষ্ঠ ৰূপত আত্মপ্ৰকাশ কৰিছিল আৰু সেয়াই আছিল অসম আন্দোলনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শীৰ্ষবিন্দু য'ৰ পৰা নেতৃত্বই কৌশলগত ভাবেই এই উদ্যোগক হতাশাৰে পৰ্য্যবসিত কৰালে আৰু ব্যাকুল কৰি তুলিলে এক আপোচৰ বাবে। শেষৰ ফালে প্ৰান্তিকৰ পাতত এটি সাক্ষাৎকাৰত সাক্ষাৎ গ্ৰহণ কৰ্তা পৰাগ কুমাৰ দাসৰ এটি প্ৰশ্ন—"আগন্তুক আলোচনাৰ

OKDISCD

বাবে আপোনালোক ইমান বেছি আশাবাদী হোৱাৰ কাৰণ কি?’ তাৰ উত্তৰ হিচাবে ‘আছু’ৰ সভাপতি শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই কোৱা—“অসম সমস্যা সমাধানৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে পূৰ্বৰ আলোচনাবোৰতকৈ এইবাৰ দেখুৱা আগ্ৰহ আৰু একাগ্ৰতাৰ পৰিপ্ৰেক্ষিতত আমি সমস্যা সমাধানৰ আশা কৰিছো। অৱশ্যে প্ৰধান মন্ত্ৰীৰ সিদ্ধান্তৰ ওপৰতেই সমস্যাটোৰ সমাধান বৰ্তমান নিৰ্ভৰকৰিছে”—কথাখিনিয়েই নেতৃত্বৰ চৰিত্ৰক স্পষ্ট কৰি দিছে। এটা ব্যাপক গণ আন্দোলনৰ নেতা হিচাবে শ্ৰীমহন্তই দিয়া এই বক্তব্যই আন্দোলনৰ নেতৃত্বৰ আপোচকামী মনোভাৱক উন্মুক্ত কৰি দিছে। বস্তুতঃ আন্দোলনৰ ফল হিচাবেও আমি তাকেই দেখা পালো, যিটো নিৰ্ভৰ কৰিলেগৈ একমাত্ৰ প্ৰধান মন্ত্ৰীৰ ওপৰতে। চুক্তিৰ পিচত ৰাজহুৱা সভাত দিয়া শ্ৰীমহন্তৰ “এটা আঞ্চলিক চৰকাৰ অবিহনে এই চুক্তি ব্ৰহ্মপুত্ৰৰ পানীত দলিয়াই পেলাব লাগিব” (ছাত্ৰ সন্থাৰ সভাপতিৰ পদৰ পৰা)—বক্তব্যই ৰাজ্যস্তৰৰ ক্ষমতা লাভৰ আকাঙ্ক্ষাকো উন্মুক্ত কৰি দিলে। লক্ষণীয় বিষয় হ’ল আন্দোলনকাৰী ব্যাপক জগণৰ লগত নেতৃত্বৰ এনে কোনো চুক্তি হোৱা নাছিল যে নেতৃত্বই যি চুক্তি সম্পাদিত কৰিব তাক কাৰ্য্যকৰী কৰাৰ একমাত্ৰ চৰ্ত্ত হ’ব এখন আঞ্চলিক চৰকাৰ গঠন কৰি দিয়া। তথাপি দীৰ্ঘদিনৰ অনিশ্চয়তা আৰু নিৰাপত্তাহীনতাৰ অৱসান ৰাইজে বিচাৰিছিল, গতিকেই অন্তৰ্নিহিত উদ্দেশ্যক বিশ্লেষণ কৰাৰ প্ৰাসঙ্গিকতা তেতিয়া বহু দূৰত থাকি গৈছিল। পৰিস্থিতি হৈ পৰিছিল অত্যন্ত গতিময়, য’ত সুস্থিৰ আলোচনা চলোৱাৰ অথবা আচনি গ্ৰহণ কৰাৰ অৱকাশ নাছিল। অত্যন্ত ততাতৈয়াকৈ সকলো উদ্বেগ আৰু উচ্ছাসৰ সামৰণি পৰিছিল আৰু ৰাইজে আশাৰে বাট চাইছিল পৰবৰ্ত্তী অধ্যায়লৈ। গোটেই সমস্যাটোৰ এটা সন্মানজনক মীমাংসা ৰাইজে বিচাৰিছিল আনহাতে বিদেশী নাগৰিক প্ৰশ্নটোৰেই অসমৰ সামগ্ৰিক উন্নয়নত একমাত্ৰ বাধা আৰু সমস্যাটো ততাতৈয়াকৈ মীমাংসা কৰাৰ ধাৰণাই ৰাইজৰ মাজত গ্ৰহণযোগ্যতা বহু পৰিমানে হেৰুৱাইছিল।

অতি ক্ষিপ্ৰতাৰে বিভিন্ন অৱস্থাবোৰ পাৰ হৈ গলেও এই বোৰৰ মাজত কিছু গুৰুত্বপূৰ্ণ ইতিবাচক দিশ আছিল। ব্যাপক শ্ৰমিকৰ লগতে কৃষক, অৰ্থাৎ জাতীয় গনতন্ত্ৰীসকলৰ অংশগ্ৰহণ আন্দোলনটোৰ এটা গুৰুত্বপূৰ্ণ দিশ। এই আন্দোলনে সৰ্বভাৰতীয় আৰ্থ-সামাজিক কাঠামোৰ পৰা বিছিন্ন কোনো



প্ৰৱনতাক প্ৰতিনিধিত্ব কৰা নাছিল বৰং বিভিন্ন জাতিসত্তা, জাত আৰু ধৰ্মৰ মাজত যি বৈষম্যসমূহ আছে সেইবোৰৰ পৰিণতি হিচাবেই অনিবাৰ্য্যভাবে এই ধৰণৰ সামাজিক অভ্যুত্থান সমূহ ঘটে।

আন্দোলনটোৰ প্ৰকৃত দিক নিৰ্দ্দেশনা অস্পষ্ট থাকিলেও অথবা শেষৰ ফালে ইয়াৰ মাজত ৰাজ্যস্তৰৰ ক্ষমতা লাভৰ আকাঙ্ক্ষাই এক স্পষ্ট ৰূপ ধাৰণ কৰিলেও বস্তুগত ভাবে এই আন্দোলনে কেন্দ্ৰীয় চৰকাৰৰ নীতিবোৰৰ ওপৰত আঘাত হানিছিল আৰু আন্দোলনটোৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ সৰ্বাত্মক বিৰোধিতাৰ পিছফালে থকা জাতিসত্তা আৰু জাতীয় সংখ্যালঘু সকলৰ প্ৰতি ভাৰতীয় বৃহৎ বুৰ্জোৱা, বৃহৎ জমিদাৰ বৰ্গৰ উগ্ৰজাতি দম্ভৰ মনোভাবক স্পষ্ট কৰি দিছিল। অনিবাৰ্য্য ভাবেই এই আন্দোলন ৰাষ্ট্ৰযন্ত্ৰৰ চূড়ান্ত দমন পীড়ণৰ সন্মুখীণ হৈছিল, নেতৃত্ব অথবা আন্দোলনটোৰ সামগ্ৰিক লক্ষ্যবস্তু কেন্দ্ৰীয় নীতিক বিৰোধিতা কৰা নহলেও এক নিপীড়ন বিৰোধী সংগ্ৰামৰ বীজ অঙ্কুৰিত হৈছিল। জনগণৰ ভূমিকা হৈ পৰিছিল অভাৱনীয় ভাবে অগ্ৰনী আৰু জংগী। আত্মত্যাগৰ এক তেজাল ইতিহাসো ইয়াৰ মাজেদিয়েই গঢ় লৈ উঠিছিল। আত্মত্যাগৰ দুৰন্ত প্ৰতিযোগিতাই সমস্ত আন্দোলনটোক শতগুণে উজ্জীৱিত কৰি তুলিছিল। আন্দোলনটোৰ মাজেৰে গতিময় হৈ পৰিছিল অসমীয়া জাতি আৰু অন্যায় অবিচাৰৰ বিৰুদ্ধে বিস্ফোৰিত হৈছিল চূড়ান্ত গণ অসন্তোষ যাৰ ফল স্বৰূপেই আত্মত্যাগৰ এই তেজাল ৰূপটো ঠন ধৰি উঠিছিল। জনগণেই যে একমাত্ৰ শক্তি সেই সত্য প্ৰতীয়মান হৈ উঠিছিল। এই ধাৰণা স্পষ্ট হৈ পৰিছিল চৰকাৰৰ সমস্ত কৌশলক ওফৰাই দি নিৰ্বাচন প্ৰতিৰোধ সংগ্ৰামত জণগণৰ সন্মিলিত শক্তিৰ তেজাল আত্মপ্ৰকাশৰ মাজেৰে।

গণতান্ত্ৰিক মূল্যবোধক ই বিকশাই তুলিছিল। জনগণে ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰতিক্ৰিয়াশীলতাৰ উমান পাবলৈ আৰম্ভ কৰিছিল আৰু স্বকীয় ভাবেই এইবোৰৰ বিপৰীতে প্ৰতিবাদী হৈ পৰিছিল। নিপীড়ণৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিবলৈ আৰু শেষ বিন্দু ৰক্ত প্ৰৱাহিত হৈ থকালৈকে যুজঁৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। নিশ্চিত ভাবেই ই আছিল গণ চেতনাৰ এক অভাৱনীয় উত্তৰণ। অৱশ্যে নেতৃত্বই তৎকালীণ ভাবে আন্দোলণটোত ৰাইজৰ এই স্বকীয় উদ্যোগক নিয়ন্ত্ৰিত কৰি পেলালে আৰু সমস্ত ভয়, সংশয় আৰু অলসতা কাটি উঠি ৰাইজে লোৱা এই তেজস্বী উদ্যোগক হতাশালৈ পৰিবৰ্ত্তিত কৰিলে। তত্বগত পৰিপুষ্টিহীণতাৰ বাবেই আন্দোলনটোৰ মাজলৈ কিছু সংচিন্তা

OKDISCD

আবেগিক ভাবেই আহিল আৰু আবেগিক ভাবেই আঁতৰি গ'ল। উদাহৰণ স্বৰূপে স্বাৱলম্বিতাৰ প্ৰশ্নটোকে আঙুলিয়াব পাৰি। কিন্তু সামাজিক গাঁথনিৰ পৰিবৰ্ত্তন অবিহনে যে স্বাৱলম্বিতাৰ এই ঢৌ আকৌ বহতীয়াবাদৰে নামান্তৰ হৈ পৰিব তাৰ তত্বগত শিক্ষাৰ বিবেচনা কৰা নহল। সমস্ত আবেগ আৰু উচ্ছাসত স্বাৱলম্বিতাৰ নামত কিছু তৎকালীন পদক্ষেপ গ্ৰহণ কৰিলেও সময়ত স্বাৱলম্বিতাৰ এই সমস্ত শিক্ষাটোৱেই ধানখেৰৰ জুইৰ দৰে ভমক কৰে জ্বলি ছাই হৈ পৰিল।

আন্দোলনটোৰ মাজত এই সং চিন্তাবোৰ যি দৰে গঢ় লৈ উঠিছিল, সেইদৰে কিছু ভূল প্ৰৱণতাও ৰিকশিত হৈছিল, যিবোৰে আমাৰ সামাজিক গাথনিত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছে— উদাহৰণ স্বৰূপে আন্দোলনকাৰী সকলে তুলি ধৰা ৰাজনীতি সম্পৰ্কীয় ধাৰণাই ৰাইজৰ এক শুদ্ধ দৃষ্টিভংগী গঢ়ি উঠাত সহায় কৰা নাছিল। অ-ৰাজনৈতিক পৰিচয় বহুক্ষেত্ৰতে প্ৰচলিত ৰাজনীতিৰ অনুগামীতা। অন্য কি অশুভ ৰাজনীতিৰ ভিত্তি ই গঢ়ি তোলে। উদাহৰণস্বৰূপে এক বিশেষ সন্ধিক্ষণত সংঘটিত হোৱা নেলী, গহপুৰ, চমৰীয়াৰ ঘটনাবোৰো ৰাজনৈতিক শিক্ষা হিচাবে সুপৰিকল্পিত ভাৱে ব্যাপক জনগণৰ মাজলৈ লৈ যোৱাৰ চেষ্টা কৰা হোৱা নাছিল। আকৌ ৰাজনীতি বুলি কলে আমি কি বুজিম? সকলো ধৰণৰ ৰাজনীতিতেই শেষ লক্ষ্য দুটা হব পাৰে: (১) নিৰ্দিষ্ট কিছুমান স্বাৰ্থক (বৃহত্তৰ অথবা সংকীৰ্ণ) প্ৰতিনিধিত্ব আৰু সুৰক্ষিত কৰিবলৈ ৰাষ্ট্ৰীয় ক্ষমতা দখল কৰা— নিৰ্বাচন অথবা বিপ্লৱৰ যোগেদি, (২) প্ৰত্যক্ষ ভাবে ক্ষমতা দখল নকৰি অন্য কোনো শক্তিক ক্ষমতাত বহুৱাই নিজৰ স্বাৰ্থ সমূহক সুৰক্ষিত কৰাৰ প্ৰচেষ্টা। মুঠতে ৰাজনীতিৰ শেষ বিন্দু এটাই— ৰাষ্ট্ৰক্ষমতা আয়ত্ব কৰা আৰু তাৰ লগত সামাজিক সম্পৰ্কৰ পুণৰ বিন্যাস ঘটোৱা। ৰাষ্ট্ৰক্ষমতা আয়ত্ব কৰাৰ ভিত্তি হ'ব পাৰে স্থিতাবস্থা বাহাল ৰখা অথবা ব্যৱস্থাৰ পৰিবৰ্ত্তন সাধন কৰা। অৰাজনৈতিক মনোভাবক ৰাইজৰ মাজত প্ৰচাৰ কৰি ৰাইজক বাস্তৱ বিমুখ আৰু ৰাজনৈতিক ভাৱে অসচেতন কৰি তোলাৰ বাদে অন্য একো অৰ্থ নাথাকে। কাৰ্য্যত: অসম আন্দোলনৰ নেতৃত্বই আন্দোলন কালত ঠিক এই ভূমিকাটোকেই লৈছিল আৰু পৰিসমাপ্তি ঘটাইছিল এক ৰাজনৈতিক চুক্তিৰ জৰিয়তে, গঠন কৰিছিল এক ৰাজনৈতিক দল, অৱশেষত আয়ত্ব কৰিছিল আঞ্চলিক ক্ষমতা আৰু এনেদৰেই নিজকে অৰাজনৈতিক বুলি ভূৱা দিয়া



নেতৃবৃন্দই অবিশ্বাস্য ভাৱে মাত্ৰ কেইটামান মাহৰ ভিতৰতে উপনীত হ'ল ৰাজনীতিৰ অন্তিম বিন্দুত। তাৰ পিছত ৰাজনীতিৰ পৰৱৰ্তী পদক্ষেপেই বা কি হ'ব পাৰে? কাৰণ তেওঁলোক ৰাজনীতিৰ অন্তিম বিন্দুত। গতিকেই তেওঁলোকে এতিয়া স্থিতাবস্থাৰ ৰাজনীতি কৰাটোৱেই অবধাৰিত। সেই বাবেই আন্দোলনকালীন অৱস্থাৰ পৰবৰ্তী অৱস্থাটো গুণগত ভাৱে পৃথক হৈ পৰিল। এই পাৰ্থক্যই আন্দোলন পৰবৰ্তী বছৰ কেইটাৰ মূল ৰাজনৈতিক গতিক নিয়ন্ত্ৰণ কৰিছে। এই পৰিপ্ৰেক্ষিতৰ পৰাই আমি আন্দোলনকালীন নেতৃত্বৰ নতুনকৈ মূল্যায়ন কৰাৰ প্ৰাসঙ্গিকতা আহি পৰিছে।

নেতৃত্বশীল সংগঠন হিচাবে আন্দোলনকালীন 'আছু'ৰ প্ৰতিষ্ঠা নিৰংকুশ হৈ পৰাত সংগঠনটোৰ কাৰ্য্যধাৰাৰ অৱদান কম নহয়। এই কাৰ্য্যধাৰাৰ বৈশিষ্ট হ'ল সিদ্ধান্ত লোৱা অথবা নীতি নিৰ্দ্ধাৰণ কৰাত সংগঠনৰ সৰ্বোচ্চ নেতৃত্বৰ সৰ্বময় কৰ্তৃত্ব, অন্যহাতে ইয়াক কাৰ্য্যকৰী ৰূপ দিয়াত সমগ্ৰ সংগঠনক সমাবেশিত কৰাৰ দক্ষতা। আপাতত: এক বিৰাট গণতান্ত্ৰিক কাৰ্য্যৰীতি বজাই ৰখাৰ বাবেই এইটো সম্ভৱ হয়। সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰতো সংগঠনৰ লগত আনুষ্ঠানিকভাৱে যুক্ত নোহোৱা আস্থাভাজন ব্যক্তিক সিদ্ধান্তৰ অনুকূলে সমাবেশিত কৰাত সংগঠনটোৱে পৰিপক্কতাৰ পৰিচয় দিছিল। তদুপৰি গণ সমাবেশ, অভিবৰ্ত্তন আদি নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ জৰিয়তেও এক গণতান্ত্ৰিক ভাৱমুৰ্ত্তি বজাই ৰাখিছিল। এই আপাত গণতান্ত্ৰিক ভাৱমুৰ্ত্তিৰ অন্তৰালত সমাজৰ একমাত্ৰ শক্তি হিচাবে আৰু নেতৃত্বক সৰ্বোচ্চ সত্তা হিচাবে সাব্যস্ত কৰাৰ প্ৰৱণতাই সময়ে সময়ে অগণতান্ত্ৰিক— অন্যকি ফেচীবাদী ৰূপো লোৱা দেখা গৈছিল।

কিন্তু আন্দোলনটোৰ সামগ্ৰিক ঢৌৰ মাজত জনগণৰ সমূহীয়া ইচ্ছাৰ এটি সাধাৰণ প্ৰাধান্যতা লক্ষ্যণীয় আছিল। বাস্তৱত সি ৰূপ নাপালে। তলৰ ফালৰ পৰা জনগণৰ লগত অতি ঘনিষ্ঠ কিছু প্ৰকৃত সংগ্ৰামী যুৱক গঢ় লৈ উঠিছিল। কিন্তু চূড়ান্ত নেতৃত্বৰ কাৰ্য্যকলাপ অথবা চিন্তা চৰ্চাৰ ফলত এইসকল যুৱক বিছিন্ন হৈ পৰিল অথবা কেন্দ্ৰীয় নেতৃত্বৰ অমনোযোগিতা আৰু অসহযোগিতাৰ ফলত হতাশাত ভাগি পৰিল। সৰ্ব্বোচ্চ নেতৃত্ব হ'ল সিদ্ধান্তকাৰী আৰু কৰ্ম্মী হ'ল আজ্ঞাবাহী গণতন্ত্ৰৰ চূড়ান্ত অৱক্ষয় এইখিনিতেই ধৰা পৰে, কাৰণ নেতৃত্ব সমূহীয়া নাছিল। 'আছু'ৰ ভিতৰত এই প্ৰক্ৰিয়াটো প্ৰাধান্যশীল হোৱা বাবে সৰ্বোচ্চ নেতৃত্বত থকা বহু গণতান্ত্ৰিক মনোভাবাপন্ন ব্যক্তিও কাৰ্য্যকৰী ভাৱে

OKDISCD

এই প্ৰবণতাৰ বিৰুদ্ধে যাব নোৱাৰিলে। অন্যহাতে যিকোনো সামাজিক আন্দোলনত তলৰ স্তৰত—ধাপে ধাপে সঠিক নেতৃত্বৰ সৃষ্টি হয় আৰু সমূহীয়া নেতৃত্বক সবল কৰে—এই অৱকাশ তাত নাছিল যাৰ বাবে আন্দোলনকালত—আন্দোলন পৰিচালনা কৰা বহু সম্ভাৱনাপূৰ্ণ নেতা পৰৱৰ্ত্তীকালত নিষ্ক্ৰিয় আৰু স্থবিৰ হৈ পৰা দেখা যায়। পাছত তৰলমতি আৰু আত্মপ্ৰতিষ্ঠাকামী এচামে সেই শূন্য ঠাই পূৰণ কৰি 'আছু'ৰ ভেকুৰাম বঢ়াই তুলিলে।

এক ব্যাপক আন্দোলনৰ নেতা হিচাবে পোৱা প্ৰশংসাই নেতাসকলক কৰি তুলিলে প্ৰশংসামুখী আৰু প্ৰতিটো প্ৰশ্নতে ছাত্ৰৰ এক নিয়ন্ত্ৰণ কায়েম কৰাৰ ভ্ৰষ্ট মানসিকতা গঢ় লৈ উঠিল। আন্দোলনকাৰী বুলিলেই সকলোতে বিশেষীকৰণৰ সুযোগ বিচৰা এটা অভ্যাস হৈ পৰিল। বস্তুতঃ ছাত্ৰ সংগঠনৰ নিজস্ব দায়িত্বৰ পৰাও ই মুক্ত হব বিচাৰিলে আৰু চৰকাৰৰ পিছতেই আটাইতকৈ শক্তিশালী আৰু ক্ষমতাসীন সংগঠন হিচাবে প্ৰতিষ্ঠা হোৱাৰ প্ৰৱণতা স্পষ্ট হৈ পৰিল। ছাত্ৰ সকলৰ সমস্যা গোটেই শৈক্ষিক সম্প্ৰদায়টোৰ বিভিন্ন সমস্যা,-সামগ্ৰিক ভাৱে গোটেই শিক্ষা ব্যৱস্থাটোৰ অৱক্ষয় এইবোৰ আজি অসমৰ ছাত্ৰৰ আলোচ্য বিষয়ৰ বাহিৰত বৈ গল। অৱশ্যে ছাত্ৰ সংগঠন এটাৰ পক্ষে অকল নিজস্ব সমস্যাতে ডুব গৈ থকাটো আত্মহত্যাৰে নামান্তৰ হ'ব। কিন্তু সামগ্ৰিক শিক্ষা ব্যৱস্থা অথবা শিক্ষানুষ্ঠান সমূহৰ ব্যৱস্থাৰ বিপৰীতে সংগ্ৰাম চলোৱা আৰু সমাজত দুৰ্নীতিগ্ৰস্ত একনায়কত্ববাদী ৰাজত্বৰ বিৰুদ্ধে সংগ্ৰাম চলোৱা আৰু এনে সংগ্ৰামত তেওঁলোকৰ অগ্ৰণী ভূমিকাক স্পষ্ট কৰা—ছাত্ৰ আন্দোলনৰ এই মৌলিক প্ৰশ্ন দুটাক বাদ দিলে নচলিব। ছাত্ৰ সকল হৈ উঠিব লাগিব সকলোৰে বাবে আদৰ্শ। ৰাজনীতিত ছাত্ৰ সকলে অংশ গ্ৰহণ কৰা বেয়া ব্যৱস্থাৰ পৰিবৰ্ত্তনৰ বাবে থিয় হোৱা বেয়া অৰ্থাৎ বিপ্লৱী ৰাজনীতিৰ পক্ষত থিয় দিয়াটো বেয়া এই ধৰণৰ কথা বুৰ্জোৱা সকলে সদায় কয়, কিন্তু ছাত্ৰ সকলে এই বক্তব্যৰ উৰ্দ্ধত নিজকে প্ৰতিষ্ঠা কৰিব লাগিব সচেতন ৰাজনীতিজ্ঞ হিচাবে, দেশ আৰু জাতিৰ আঁহি হিচাবে। যদিও আছুৱে এতিয়াও নিজক অৰাজনৈতিক বুলি কয় বা অ-দলীয় অৱস্থানত ৰখাৰ চেষ্টা কৰে তথাপি ছাত্ৰ সস্থাৰ এই নিৰ্দিষ্ট অৱস্থানে সমাজত কিছুমান বিপৰীতমুখী ধাৰাৰ সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে ছাত্ৰ যুৱকৰ মাজত নতুনকৈ সংগঠিত হোৱাৰ প্ৰৱনতা শক্তিশালী হৈ পৰিছে আৰু



এটি পুনৰ বিন্যাস প্ৰক্ৰিয়া গতিশীল হৈ পৰিছে। আমাৰ জাতীয় জীৱনতো কেতবোৰ গুৰুতৰ ধৰণৰ ঘটনা সংঘটিত হৈছে। উদাহৰণ স্বৰূপে জনজাতীয় ৰাইজৰ মাজত নকৈ সংগঠিত হোৱাৰ আৰু নতুন কেন্দ্ৰৰ চৌপাশে গোট-পিট খোৱাৰ প্ৰবণতা ঠন ধৰি উঠিছে। ব্যাপক কৃষিজীৱি ৰাইজ আৰু কৰ্মচাৰী সকলৰ মাজতো বিক্ষুব্ধতা বাঢ়িছে। অৰ্থনৈতিক দিশত নতুন চৰকাৰে একো নতুন অথবা গ্ৰহণযোগ্য পদক্ষেপ লব পৰা নাই। এই গোটেইবিলাকৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ 'আছু' সংগঠনটোৰ ভিতৰতো পৰিবলৈ বাধ্য। আছুৰ স্থিতি এই নতুন পৰিস্থিতিত পুনৰ নিৰূপণ কৰাৰ তাগিদা সংগঠনৰ ভিতৰতে বাঢ়িছে। এইবোৰৰ ফলাফলে অঃ গঃ প-ৰ বাকী কেইটা বছৰৰ ঘটনাৱলীত বহু পৰিমাণে প্ৰভাৱ পেলাব।

ইতিমধ্যে অঃ গঃ পঃ চৰকাৰ গঠনৰ দুটা বছৰ সম্পূৰ্ণ হৈছে। এই দুটা বছৰত সমগ্ৰ দশকটোৰ আশা, আকাঙ্ক্ষা, বিন্যাস—পুনৰ বিন্যাস, পট পৰিবৰ্ত্তন, ধাৰা-সংঘাত এই সকলোবোৰে এক মূৰ্ত্ত ৰূপ পৰিগ্ৰহ কৰিবলৈ লৈছে। অঃ গঃ পই বাঞ্চা কৰাৰ দৰে সমস্ত সমাজখন তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল, নিষ্ক্ৰিয়, নিৰ্লিপ্ত আৰু নিশ্চিন্ত হৈ থকা নাই। সমাজত নতুন স্তৰৰ সক্ৰিয়তাৰ বিকাশ ঘটা দেখা গৈছে। তাৰে বহুবোৰ নেতিবাচক আৰু এই নেতিবাচক দিশবোৰো এটা পৰিণত অৱস্থাৰেই ফলশ্ৰুতি। সমাগত দশকটোৰ কথা মনত ৰাখি আৰু বিগত দশকটোৰ সমস্ত শিক্ষাৰ পৰিপ্ৰেক্ষিতত সাম্প্ৰতিক ঘটনাৱলীক আমি এই দৃষ্টি-ভঙ্গীৰে বিচাৰ কৰিব লাগিব যে আমাৰ সন্মুখত আচল ইচু বা সংকটবোৰ যাতে তল পৰি নাযায়। অসমৰ বিদ্যমান ৰাজনৈতিক ধাৰা প্ৰবাহৰ বিভিন্নতা আছে, জটিলতা আছে আৰু প্ৰভেদ আৰু জটিলতাবোৰক—বৈৰীতামূলক আৰু স্থায়ী হিচাবে প্ৰতিষ্ঠা কৰাৰ ৰাজনীতিও চলিছে। কিন্তু বহল অসমীয়া সমাজৰ অগ্ৰগতিৰ বাবে এই প্ৰভেদবোৰ চিৰন্তন কৰি ৰখাটো নহয় বৰং তাৰ এক সমাধানৰ প্ৰচেষ্টাহে। জনজাতীয়—অজনজাতীয়, চৰকাৰ বিৰোধী চৰকাৰ পন্থী, সন্ত্ৰাসবাদী গান্ধীবাদী, অভি-যোগ-প্ৰতি অভিযোগ, উজনি-নামনি উত্তৰপাৰ-দক্ষিণপাৰ, পাহাৰ-ভৈয়াম, উচ্চ-নীচ, সংখ্যা গুৰু-সংখ্যালঘু, ধৰ্মীয়-বিধৰ্মী, জাতীয়-বিজাতীয়, থলুৱা-প্ৰবাসী, আঞ্চলিকতাবাদী সৰ্বভাৰতীয়বাদী—এইবোৰ প্ৰভেদ চিৰন্তন নহয় আৰু বহুবোৰ বৈৰীতামূলকো নহয়। কিন্তু এই বাস্তব ধাৰা প্ৰবাহক বিশ্লেষণ কৰি চোৱাৰ

OKDISCD

এটাই মাত্ৰ বিজ্ঞানসন্মত প্ৰথা আছে—কোনবোৰ ধাৰা বৈপ্লৱিক আৰু কোনবোৰ প্ৰতিবৈপ্লৱিক তাক বিচাৰ কৰাটো। অসমৰ জনসাধাৰণৰ চেতনাত এই প্ৰশ্নৰ প্ৰাসঙ্গিকতাই এতিয়া সৰ্বাধিক। এই দ্বন্দ্বই হব সমাগত দশকটোৰ মূল চালিকা শক্তি।

শেষ বিচাৰত এই সমস্ত গণ আন্দোলনটো আৰু সমস্ত দশকটোত জনগণৰ মাজত বিপ্লৱী গণতন্ত্ৰীসকলৰ ভূমিকা অতি লক্ষনীয়। জাতীয় আবেগ আকাঙ্ক্ষাক লৈ ঠন ধৰি উঠা এটি গণ আন্দোলনৰ মাজতো নিজৰ ভূমিকা সঠিক ভাৱে ৰাখি এক বিপ্লৱী গণতান্ত্ৰিক অনুশীলন চলাই যোৱাটো নিশ্চয় এক ইতিবাচক অভিজ্ঞতা। ভৱিষ্যতৰ সংকটময় দিনবোৰত এই অভিজ্ঞতাৰ পূৰ্ণ অনুশীলনেই মাত্ৰ জনগণৰ মাজত এক বিপ্লৱী সচেতনতাৰ উন্মেষ ঘটাব আৰু পৰিস্থিতিক মোকাবিলা কৰিব পৰাকৈ কৰি তুলিব দৃঢ় আৰু সাহসী।

২৬ নৱেম্বৰ ১৯৮৭ ত পৰলোক প্ৰাপ্তি ঘটা কমল শৰ্মাক আমি শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ আমাৰ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

এজন সাংস্কৃতিক কৰ্মী হিচাবে প্ৰথম যৌৱনতে তেখেতে সাৰোগত কৰি লৈছিল সাম্যবাদৰ বৈপ্লৱীক আদৰ্শক; জীৱনৰ অন্তিম বছৰ কেইটাতো তেখেত সক্ৰিয় ৰাজনীতিৰ পৰা বাহিৰত থকা নাছিল—যদিওবা সংঘাত আৰু সংগ্ৰাম, অভাৱ আৰু অনাটন আছিল তেখেতৰ বিশ্বস্ত সদা-সঙ্গী। জীৰ্ণ পঁজাক পূৰ্ণতা দিবলৈ তেখেতৰ জীৱনলৈ আহিছিল শ্ৰীমতী ভানুশ্যাম শৰ্মা—তেখেতৰ পৰিবাৰ, সহযোদ্ধা।

অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ লগত ঘণিষ্ঠ সম্পৰ্ক ৰক্ষা কৰি চলাৰ উপৰিও তেখেত হৈছিল ইণ্ডিয়ান পিপুলচ ফ্ৰন্টৰ অন্যতম আহ্বায়ক, সদৌ অসম জনসাংস্কৃতিক পৰিষদৰ এজন উদ্যোক্তা। সমাজক গণতান্ত্ৰিক সমালোচনাৰে সচকিত কৰিবলৈ প্ৰকাশ কৰিছিল 'নতুন বাঁহী।' তেখেতৰ ব্যস্ততাৰ অন্ত নাছিল। সেই ব্যস্ততাৰ অৱসান ঘটিল, ২৬ নৱেম্বৰৰ পুৱাবেলা! উদিত সুৰুজে দশোদিশ উদ্ভাষিত কৰক—যি উজ্জ্বলতা আছিল কমল শৰ্মাৰ জীৱনৰ কামনা।

# থাপনাৰ বন্তী আৰু সূৰ্য্যমাৰ্কা লেম্পটো

—প্ৰমোদ কুমাৰ দত্ত॥

ৰাষ্ট্ৰপতিৰ পুৰস্কাৰেৰে পুৰস্কৃত নহলেও লক্ষীমাষ্টৰৰ সুদীৰ্ঘ মাষ্টৰী জীৱনত সাৰেগাওঁত এক সামাজিক প্ৰতিপত্তি আছিল। লক্ষীমাষ্টৰক গাঁৱৰ বুঢ়া-মেথা, ল'ৰা-ছোৱালী, ডেকা-গাভৰু সকলোৱেই সমীহ কৰি চলে। সমাজৰ বিভিন্ন মেল-মোকৰ্দমা, নামঘৰৰ ৰাজহুৱা কামত—মাষ্টৰ নহলেই নহয়—তেওঁৰ পৰা দিহা পৰামৰ্শ লয়—কীৰ্ত্তনৰ ভাঙনি শুনে।

সাৰেগাৱঁৰ নন্দেশ্বৰ কলিতাৰ পুতেক লক্ষীৰাম কলিতা। পঢ়া-শুনা এম্ ই লৈকে কৰিয়েই—ৰাইজৰ সহযোগত বাঁহ-কাঠ, খেৰ বিচাৰি সাৰেগাওঁ নিম্ন বুনিয়াদী বিদ্যালয় খন তৰিলে। প্ৰথম অৱস্থাত দৰমহা পাতি নাছিলেই। নৈ কাষৰীয়া স্কুল, ল'ৰা-ছোৱালী প্ৰায়ে নাহেই। অমুক দিনা বোলে পানী—বাঢ়িছে, তমুকদিনা বোলে মাছ মাৰিবলৈহে—গৈছে; মাষ্টৰেও এইদৰেই পাৰ কৰিছে বহুদিন। এনেকুৱা দিনবিলাকত মাষ্টৰেও গাঁৱৰে পাঠক (কীৰ্ত্তনপঢ়া মানুহজন) ৰৰবাপৰ ঘৰতে দুই আষাৰ আলাপ আলোচনা কৰিবলৈ বহে।

লক্ষীমাষ্টৰ স্কুললৈ বুলি ওলাইছে। ঘৈণীয়েক সাবিত্ৰী মৰাৰ পৰা ৰাতিপুৱা স্কুললৈ ওলাওঁতে প্ৰায়েই পলম হয়। সাবিত্ৰীক পিছে সকলোৱে সাবী বুলিহে মাতিছিল। ৰাতিটো একেখন বিচনাতে শুইও মানুহজনীয়ে ৰাতিপুৱা কেতিয়ানো উঠে মাষ্টৰে গমকেই নেপায়। সাবিত্ৰী যে সাবিত্ৰী, মানুহজনীৰ কথা ভাবিলেই হৃদয়ৰ ক'ৰবাত বিষোৱা যেন লাগে। আজিকালি গাভৰু জীয়েক তিনিজনীক লৈয়ে মাষ্টৰে দিন ৰাতি পাৰ কৰিছে।

গৰু চৰাই থাকোতেও তেওঁৰ বাৰে বাৰে মনত পৰে তাহানিৰ স্কুলৰ দিনবিলাকৰ কথা। ভূগোল পঢ়াই থাকোতে কোৱা—"পৃথিবী সূৰ্য্যৰ চাৰিওফালে ঘূৰে; ল'ৰা-ছোৱালীবোৰে আপত্তি কৰে—ছাৰ পৃথিবীতো ঘূৰা নাই। মাষ্টৰো দেমোজাত পৰে, প্ৰকৃততে পৃথিবী ঘূৰা নাইনেকি? তেওঁ পুনৰ দৃঢ়কণ্ঠে কয়—পৃথিবী ঘূৰিছে। —এইদৰেই চিন্তা কৰি থাকোতে দেখে যে গছ-জোপাৰ ছাঁ আতৰি গৈছে—সূৰ্য্যৰ পোণপটীয়া উত্তাপত ঘামি জামি পৰিছে।

OKDISCD

ছাতিটোলৈ উঠোতেই দেখে যে আলিমুৰৰ ফালৰ পৰা বৰবাপ আহিছে; বৰবাপক দেখিয়েই মাষ্টৰ আগ বাঢ়ি গ'ল। "অ, হয়নে বোলো, কিমানদূৰ পালাগৈনো ? বৰবাপে মাষ্টৰৰ মাত শুনি ওচৰেই পালেহি। কিনো কবাহে মই টাউনেই পালোগে, ছোৱালীজনীক চোলা কাপোৰ লগা হ'ল—তাকে আনিবলৈকে বুলি গলো।"

বৰবাপো মাষ্টৰৰ সন্মুখতে ছাতিটো পাৰি বহিল। জেপৰ পৰা বান্দৰ বিড়ীৰ মুঠিটো উলিয়াই এটা নিজেও জ্বলালে—মাষ্টৰকো দিলে।

আৰম্ভ হ'ল আলোচনা।

বিড়ীটোত হোপা মাৰি বৰবাপে আৰম্ভ কৰিলে—"হেৰি নহয় এ মাষ্টৰ তুমি এটা খবৰ বোধকৰো গমেই নোপোৱা। মুহিৰামক এতিয়াতো আমি একেখেলত ৰাখিব নোৱাৰিম নহয়।"

মাষ্টৰেও বিড়ীটোত দীঘলিয়া হোপা এটা মাৰি প্ৰত্যয়ভৰা চাৱনিৰে অপেক্ষা কৰিলে বৰবাপৰ উক্তিলৈ "মুহিৰামৰ যোৱা বইছা উলিয়াই দিয়া ছোৱালীজনী—পাঁচমাহতে ল'ৰা পালে নহয়—ছোৱালী বাপেকৰ ঘৰত চমজাই থৈ গৈছেহি—লৰাটো তাৰ ভাগৰ নহয় আৰু তেনেকুৱা লেঠা থকা ছোৱালী বিয়া দিয়া বাবে মুহিৰামক নিন্দা কৰিছে।"

মাষ্টৰেও কথাতে সুৰ মিলাই কলে—কালিলৈ দিনৰ আইসকলে নাম লোৱাতে কথাটো উলিয়াব লাগে। "বিচাৰ কৰি কিবা এটা কৰিব লগা হ'ল। এইবোৰ লেটি পেটি কথাহে। কণল'ৰাইও সিদিনা ধৰ্মেশ্বৰ বৰুৱাৰ ঘৰত ভোজ খাবলৈ গৈছে; বৰুৱাটো শংকৰী সংঘৰ মানুহ। এইবোৰ কথা ঢিলাই দিলেই বিপদ।"

তিনিচাৰিটামান বিড়ী শেষ কৰি বৰবাপ যাবলৈ উঠিল। মাষ্টৰেও বিড়ীটোৰ শেষ হোপাটো মাৰি গৰু কেইটা ঘূৰাবলৈ বুলি উঠিল।

চাপৰিৰ মাজৰ আমলখি গছজোপা দেখিয়েই মাষ্টৰৰ মনত পৰিল স্কুলৰ পৰা আহোঁতে—ভৰতুপৰীয়া লগপোৱা বৰবাপৰ সৰু ল'ৰাটো আৰু মুহিৰামৰ ছোৱালীজনী, তেওঁক দেখি ফুটুকা তললৈ দৌৰি সোমোৱা। চিন্তা কৰি থাকোতেই উইচিৰিঙা খাবলৈ অহা কাউৰী কেইজনীৰ ৰমলি-য়নিতহে মাষ্টৰে গম পালে যে—বেলি পৰিবৰ হ'লেই। গৰু কেইটা ঘূৰাই মেলি ঘৰলৈ বুলি ওলাল। ঘৰ সোমালেই মানুহটো আজিকালি কেহেঁ-ৰাজ বৰণীয়া হৈ যায়।



সেই ডঙ্ ডঙ্ কৈ বাঢ়ি অহা ছোৱালী কেইজনী—এজনীকে বিয়া বাৰু দিব পৰা নাই। মাষ্টৰীজীৱনৰ সাঁচতীয়া টকা-পইচা বুলিবলৈ প্ৰায় নায়েই। প্ৰভিডেন্ট ফাণ্ডৰ যি কেইটা পইচা আছে তাকো উলিয়াব পৰা নাই।

ভৰি হাত ধুই সোমাইছে এনেতে জীয়েক ভানুমতীয়ে মাত লগালে—'দোকানলৈ যাব লাগে, নিমখ নাই।' কায়লতিৰ তলতে ভলুকা বাঁহৰ লাখুটিডাল স্থমুৱাই হাতত সূৰ্য্যমাৰ্কা হাতলেম্পটো লৈ বিড়ী এটা জলাই মাষ্টৰ দোকানলৈ ওলাল।

গছ-গছনিৰে গেজেপ্ মৰা বাট, সিফালে ঘোপমৰা গাওঁবুঢ়াৰ কাঠনীখন পাৰ হলেহে আলিমূৰৰ দোকান পাবগৈ।

মানুহবোৰ প্ৰায় ভিতৰ সোমাইছে; কাৰোবাৰ ঘৰত ল'ৰা-ছোৱালীৰ পেন্ পেননি, কাৰোবাৰ গিৰীয়েক ঘৈনীয়েকৰ চুপতাচুপতি, কাৰোবাৰ চৰুৰ পৰা ভাঁহি আহিছে ভজা মাছৰ গোন্ধ, দূৰৈত শিয়ালৰ হোৱা, বাটৰ কাষতে থকা হাবিয়নি পুখুৰীত ডাউকৰ কোঢ়া-কোঢ়া ধ্বনি, নামঘৰীয়াৰ ডবাৰ শব্দ। মাষ্টৰে হাতত সূৰ্য্যমাৰ্কা লেম্প লৈ দোকানলৈ গৈছে।

দোকানত মানুহৰ বৰ ভিৰ। চৰকাৰী বস্তু আহিছে, দোকানীয়ে জুখিয়েই তত পোৱা নাই। কণ্ট্ৰলৰ চাউলৰ ফুৰফুৰীয়া গোন্ধে আলিমূৰ বিয়পি আছে। মাষ্টৰে নিমখ আৰু বিড়ী কেইপইচামানৰ লৈ ঘৰলৈ বুলি বাট ললে।

লক্ষীমাষ্টৰৰ তিনিজনী ছোৱালী--ভানুমতী, জয়া আৰু বীণা। ভানু-মতীয়েই ডাঙৰ, তাই মেট্ৰিক ফেইল কৰি—পঢ়া-শুনা সিমানতে সামৰিলে। বাকী জয়া আৰু বীণা দুয়োজনী কলেজত পঢ়ে। ভানুমতী দেখাই-শুনাই বেছি চকুত লগা।

গাওঁবুঢ়াৰ কাঠনীৰ ওচৰ পাওতেই মাষ্টৰৰ ঘৈণীয়েকলৈ বৰ মনত পৰিল—মৰা ল'ৰা-এটা জন্ম দি মানুহজনীৰ কেনেকৈ গা নোৱোৰা হ'ল। মানুহো গ'ল লৰাও গ'ল। লৰাটো যদি থাকিলহেঁতেন। গাওঁবুঢ়াৰ কাঠনীৰ কাষতে সাবিত্ৰীক খৰি দিছিল।

ভাবি চিন্তি আহি নিমখৰ টোপোলাটো বীণাক দি দেখে যে—ধৰণী আহিছে, ধৰণী দাস; তাহানীৰ বীণা, জয়া, ভানুৰ হাইস্কুলৰ মাষ্টৰ; সিহঁতক ঘৰত টিউচনো কৰিছিল। জাতত কৈৱৰ্ত্ত। ল'ৰাটো বৰ অমায়িক আছিল, কষ্টেৰে পঢ়া-শুনা কৰি হাইস্কুলৰ মাষ্টৰী চাকৰি কৰিছে।

GKDISCD

মাষ্টৰে ভিতৰ সোমাই ধৰণীক ভাল-বেয়া দুই-আষাৰ সুধি—ভৰি
কেইটা ধুই-মেলি পুনৰ ধৰণীৰ লগতে কথা-বতৰা পাতি আছে। কথাৰ
মাজতে ধৰণীয়েও তাৰ অহাৰ উদ্দেশ্যটো ক'লে—ভানুমতীক সি বিয়া কৰাব
খোজে; দুয়োৰে মনে মনে মিলো আছে। আওপকীয়াকৈ মাষ্টৰৰ মতামতহে
জানিব বিছাৰিছে।

মাষ্টৰে কথা কেইযাৰ শুনাৰ লগে লগেই জাঙুৰ খাই উঠিল।
ধৰণীক চৈধ্য পুৰুষ উজাৰি গালি পাৰিবলৈ ধৰিলে, জাত-পাতৰ কথাৰে
থকা-সৰকা কৰিলে। ধৰণীয়েও খণ্ড আৰু অপমানত কোঁ কোঁকৈ ঘৰলৈ
বুলি বাট ললে।

দুবছৰ পাৰ হল। জয়া, ৰীণা এতিয়াও কলেজত। মাষ্টৰে কেইবাদিনো
প্ৰভিডেণ্ট ফাণ্ডৰ টকা কেইটা উলিয়াবলৈ টাউনলৈ যাবলৈ চিন্তা কৰি
আছে। বিশ্বকৰ্মা পূজাৰ পিচদিনাই যাবলৈ বুলি ওলাইছে। জয়া আৰু
ৰীণা ঘৰতে আছে।

অফিচলৈ কিছু সময় আছে—গতিকে মাষ্টৰেও ফুটা ওলোৱা কাপোৰৰ
পামচু যোৰকে চিলাই দুটামান মৰাবলৈ বুলি ৰামদাস মুচীৰ দোকান পালেগৈ।

বিশ্বকৰ্মা পূজাৰ পিছদিনা—গোটেই টাউনৰ গেৰেজ, দোকানৰ মুখে
মুখে খদম্‌দম্‌। সন্তৰ মূৰ্তি বিসৰ্জন দিব।

ৰামদাস মুচীয়েও চাগৈ পূজা পাতিছিল—বটালী কেইটাত ৰঙা ফোঁট
দি থৈছে। ৰাম দাসেও জোতাযোৰ চিলাবলৈ লৈছে। থিয় হৈ হৈ আমনি
লগাত চাবোনৰ বাকচটোতে মাষ্টৰ কিছু সময় বহিল। এনেতে বিশ্বকৰ্মা
মূৰ্তি এটা ঠেলাগাড়ী এখনত বিসৰ্জন দিবৰ বাবে আনিছে।

চেঙেলীয়া ল'ৰাবোৰৰ তাণ্ডৱ নৃত্য, মৃদং আৰু তালৰ শব্দ, আৰতিৰ
ধ্বনি, ধূপ-ধূনাই পৰিবেশটো একেবাৰে জীয়া কৰি তুলিছে। ৰিক্সা ষ্টেণ্ডৰ
ৰিক্সাৱালা কেইটাই চিটৰ পৰা নামি বিশ্বকৰ্মাক সেৱা এটা জনাইছে।
ৰামদাসেও।

ৰামদাসক পইচা কেইটা দি মাষ্টৰে ডি, আই অফিচলৈ বুলি খোজ
ললে। ডি, আই অফিচত ইখন টেবুলৰ পৰা সিখনলৈ ঘুৰি ফুৰিছে।
সকলোৰেই ব্যস্ততা। বৰুৱাই পঠিয়াইছে শৰ্মাৰ ওচৰলৈ—শৰ্মাই আন এজনৰ
ওচৰলৈ, শেষ মুহূৰ্তত পৰিল ধনঞ্জয় গোস্বামী—সুধি মেলি গম পালে ধনঞ্জয়
গোস্বামী ছুটি লৈ আছে।



"দীৰ্ঘদিনীয়া মাষ্টৰী জীৱনৰ অৰ্জিত পইচা কেইটা উলিয়াবলৈও যুদ্ধ। ডি, আই অফিচলৈ যাওঁতে যাওঁতে তিতা-কেঁহা লাগিছে আৰু" ভানুমতীক উত্তৰ কেইটা দি কেতিয়ানো টোপনি গ'ল মাষ্টৰে ধৰিবই নোৱাৰিলে। "দহ, বিশ, ত্ৰিশ এহ, ভুলেই হ'ল এশ দুশ এহেজাৰ, আও সিহঁতে বিশটকীয়া দুখন ৰাখিলে। পাঁচশ ৰূপ থানু মহাজনক দি মাটি-ডোখৰ খুলিব লাগিব। বাকীখিনিৰে পাৰিলে ভানুমতীৰ বিয়াখনকে পাতিব লাগিব।" ছোৱালীকেইজনীৰ হাঁহি খিকিন্দালীত সাৰ পাই দেখে যে সন্ধ্যা লাগিলেই।

ফুটবল খেলি অহা ল'ৰা কেইটা মৌন হৈ আহি আছে—বোধকৰো হাৰিছে। হঠাতে নামঘৰত ডবাৰ শব্দ শুনি গম ললে কাৰোবাৰ শৰাই আছেনেকি?

নামঘৰত ভাদ মহীয়া কীৰ্ত্তন সামৰণিটো হলেই—ছোৱালী কেইজনীক সুধিহে গম পালে যে—নামঘৰত বোলে আলোচনা আছে। গম পায়েই মাষ্টৰে হাতত সূৰ্য্যমাৰ্কা হাত লেম্পটো আৰু কাষলতিৰ তলত ভলুকা বাঁহৰ লাখুটিডাল লৈ খৰধৰকৈ নামঘৰলৈ বুলি বাট ললে।

—নাম ঘৰৰ দুৱাৰ ডলিত ভৰি দিছেহে—ইফালে ৰাইজ উঠিলেই।

বৰবাপৰ নিৰ্দেশ শুনি নামঘৰীয়াই পিতলৰ ডবাটো পাৰ্য্যমানে কোবাইছে।

মাষ্টৰে লাখুটিডালতে ভৰ দি কিছু সময় তভক মাৰি ৰ'ল।

বৰবাপে কাণে কাণে কোৱা কথা কেইষাৰ—"তোমাক ৰাইজে এঘৰীয়া কৰিছে, ভানুমতীৰ গাত তিনিমহীয়া লেঠা।"

চাৰি আলিৰ মূৰত বাচলৈ ৰৈ থকা মানুহে দ্ৰুতগতিৰে পাৰ হৈ যোৱা বাচখনৰ ধূলিখিনি মাৰ নোযোৱালৈকে চাই থকাৰ দৰে—মাষ্টৰেও লাখুটিডালত ভৰ দি, সূৰ্য্যমাৰ্কা লেম্পটোৰ ফিটাডাল বঢ়াই দি চকুকেইটা প্ৰসাৰিত কৰি চাই থাকিল থাপনাৰ বন্তীৰ শেষ পোহৰ কণাটোলৈ।

OKDISCD

# বিশ্ব পুঁজিবাদ কোন পথে ?

॥ সঞ্জয় ॥

অক্টোবৰ ১৯, ১৯৮৭। আমেৰিকাৰ ওৱাল-ষ্ট্ৰিটত অৱস্থিত ষ্টক-মাৰ্কেট বা মুদ্ৰা-বজাৰত বিনিয়োগকাৰী সকলৰ হিচাপ-পত্ৰ হৈছে। আমেৰিকাৰ মুঠ সম্পদৰ শতকৰা ২০ ভাগ বিনিয়োগ হয় এই ষ্টক-মাৰ্কেটত; এইবাৰ ষ্টকৰ দাম হ্ৰাস হৈছে প্ৰায় ৩০ শতাংশ। অন্ততঃ ১০০০ বিলিয়ন ডলাৰ অৰ্থাৎ ১'০০০০০০০০০০০০০০০০ ডলাৰ মূল্যৰ সম্পত্তি বিলুপ্ত হৈ পৰিছে। প্ৰতিদিনে ষ্টকৰ দাম ৪০০ পইণ্টকৈ কমি যোৱা স্বত্ত্বেও কিনোতা কোনো নাই—সকলোৱে যিমানপাৰে বিক্ৰি কৰাৰ চেষ্টা কৰিছে। এই ঘটনা ১৯২৯ চনৰ পিছত এই প্ৰথম ঘটিল। ঘটনাটো অভিহিত হ'ল বৃহৎ পতন বা 'ক্ৰেশ্ব' হিচাবে। ১৯ অক্টোবৰৰ দিনটোক কোৱা হ'ল 'অভিশপ্ত সোমবাৰ'— 'ব্লেক মানডে'।

কিন্তু এই ঘটনা অভিশপ্ত অথবা অপ্ৰত্যাশিত নাছিল। তাৰ বাবে দায়ী ৰেগাণৰ অৰ্থনৈতিক নীতিবোৰ— যি 'ৰেগাণমিক্স' নামেৰে জনাজাত। ৰেগাণে ব্যক্তিগত আয়কৰ ২০ শতাংশ কৰ্ত্তন কৰিছিল আৰু প্ৰতিৰক্ষা ব্যয় ৪০ শতাংশ বৃদ্ধি কৰিছিল। ফলত তেওঁৰ চৰকাৰৰ বাজেট-ঘাটি ৭৩.৮ বিলিয়ন ডলাৰৰ পৰা বাঢ়ি ১৯৮৬ চনত ২২১ বিলিয়ন ডলাৰ হ'লগৈ। এই ঘাটিৰ ফলত সৃষ্টি হোৱা মুদ্ৰাস্ফীতি ৰোধ কৰিবলৈ ফেডাৰেল ৰিজাৰ্ভ বেঙ্কে সুদৰ হাৰ বৃদ্ধি কৰে। উচ্চ হাৰৰ সুদে আকৰ্ষিত কৰিলে বৈদেশিক পুঁজিক আৰু তাৰ ফলত ডলাৰৰ বিনিময় মূল্য বাঢ়ি গ'ল। ডলাৰৰ দাম বাঢ়ি যোৱাত বিদেশত আমেৰিকাৰ বয়বস্তু অচল হৈ পৰিল। অন্যহাতে বাহিৰৰ পৰা উচ্চহাৰৰ সুদৰ বিনিময়ত অহা পুঁজিৰে স্ফীত হৈ পৰা ষ্টক বজাৰৰ কল্যাণত আমেৰিকাই বাহিৰৰ পৰা বেছিকৈ কিনা আৰম্ভ কৰি দিলে। ৰপ্তানী হ্ৰাস আৰু আমদানী বৃদ্ধি (যাৰ অন্য এটা কাৰণ তীব্ৰ বৈদেশিক প্ৰতিযোগিতা)ৰ ফলত আমেৰিকাৰ বাণিজ্যঘাটি ১৯৮০ চনৰ ৩৬ বি. ডলাৰৰ পৰা ১৯৮৭ত ১৯০ বি. ডলাৰ হ'লগৈ। ইয়াৰ পিছত আহিল ডলাৰৰ ওপৰত চাপ। ডলাৰৰ মূল্য কমাবলৈ পুজিবাদী দেশৰ বেঙ্কবোৰে



হস্তক্ষেপ কৰে আৰু যোৱা বছৰ ডলাৰ মূল্য ৪০ শতাংশ নিম্নগামী হ'ল। আমেৰিকা মন্দাৱস্থাৰ দিশলৈ যাবলৈ বাধ্য হ'ল। ১৯৮০ চনৰ বিশ্বৰ বৃহত্তম ধাৰ দিওঁতা দেশ আমেৰিকা ১৯৮৭ চনত পৰিণত হ'ল বৃহত্তম ধৰুৱা দেশত। এনে অৱস্থাত ৰেগাণৰ সামাজিক আৰু মতাদৰ্শগত ভিত্তি নিশ্চয় দুৰ্বল হ'ব আৰু সামৰিক ব্যয় কৰ্ত্তন কৰিবলৈ ৰেগাণ বাধ্য হৈ পৰিব।

কিন্তু বিশ্বৰ পুঁজিবাদী অৰ্থনীতিৰ এই সংকটে ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দুখীয়া দেশবোৰৰ অৰ্থনীতিক ভয়াবহ ধৰণেৰে ক্ষতিগ্ৰস্ত কৰিব। সেয়ে তৃতীয় বিশ্বৰ পৰিপ্ৰেক্ষিতত সাম্প্ৰতিক পুঁজিবাদী সংকটৰ প্ৰভাৱ সম্পৰ্কে চিন্তা কৰা প্ৰাসঙ্গিক হৈ পৰিছে।

ভাৰতৰ দৰে দুখীয়া দেশবোৰে বিনিয়োগ আৰু ভোগ কৰা পুঁজি আৰু দ্ৰব্য-সামগ্ৰীৰ সৰহ অংশ পশ্চিমৰ ধনীদেশবোৰৰ পৰা ধাৰ কৰা ধনেৰে জোৰা মৰা হয়। ধাৰৰ পৰিমাণ ইমানেই বেছি যে পৃথিবীৰ সকলোবোৰ দুখীয়া দেশ ধাৰৰ চিটিকাত (debt trap) বন্দী। বহুদেশে ধাৰ কৰা ধনৰ কেৱল সুদ পৰিশোধ কৰিবলৈও অক্ষম হৈ সুদৰ সলনি জাতীয় সম্পদ বা প্ৰতিষ্ঠানৰ স্বত্ব তুলি দিব লগা হৈছে চহকী দেশৰ ব্যক্তিমালিকানাধীন বেঙ্কৰ হাতত। সেয়েহে ধৰুৱা দেশবোৰ একোটা হঁত বাৰুদৰ দ'মত বহি থকাৰ দৰে হৈছে, কোন মূহুৰ্ত্তত জাতীয় অৰ্থনীতি চুৰমাৰ হৈ পৰে সেইটো অনিশ্চিত। ধাৰৰ সমস্যাটো আজিকালি ঋণ-বোমা [debt bomb] নামেৰে জনাজাত হৈছে।

১৯৮১ চনত নিউয়ৰ্ক চিটি বেঙ্কৰ মুৰব্বী মিঃ ৱাল্টাৰ ৰিষ্টনে কৈছিল যে; 'এখন দেশ তাৰ সাধ্যসীমাতকৈ অধিক ধন ধাৰ কৰি চলিবলৈ বাধ্য হয়। দেউলীয়া হোৱাটো পশ্চিমৰ আইনে স্বীকাৰ কৰি লয়—নিজৰ সামৰ্থ্যতকৈ বেছি ধাৰৰ বোজা বহন কৰা সংস্থাক তাৰ জড়িয়তে সকাহ দিয়া হয়।'

১৯৮২ চনৰ আগষ্টত মেক্সিকোই সুদ পৰিশোধ কৰিবলৈ অক্ষম বুলি ঘোষণা কৰিব লগা হ'ল। তাৰ পিছত অনুৰূপ অৱস্থা হ'ল ব্ৰাজীলৰ।

ধাৰ দিওতা সকলে নতুন উপায়ত কথা ভাবিলে। ১৯৮৫ চনৰ অক্টোবৰ মাৰ্কিণ মুদ্ৰা-সচীব জেম্চ্ বেকাৰে এটা প্ৰস্তাৱ [বেকাৰ প্লেন] আনিলেঃ সুদ পৰিশোধ কৰিব নোৱাৰা দেশলৈ নতুন ঋণ অনুমোদন কৰি তাক টনকীয়াল কৰিব লাগে। ১৯৮৬ চনৰ চেপ্তেম্বৰত এই আঁচনিমতে বাণিজ্যিক বেঙ্কবোৰে মেক্সিকোলৈ ৭.৭ বিলিয়ন ডলাৰ নতুন ঋণ যোগান ধৰিলে।

OKDISCD

তাৰ ফলতো অৱস্থা ভালৰ ফাললৈ নাহিল। বেঙ্কবোৰে নতুন ফন্দী পাঙিলে। এই ফন্দীটোৰ নাম হ'ল 'debt equity swap' অৰ্থাৎ ঋণ-গ্ৰস্ত দেশখনে ঋণ পৰিশোধ কৰিবলৈ অক্ষম হ'লে উপযুক্ত কোনো জাতীয় প্ৰতিষ্ঠানৰ স্বত্ব বিদেশৰ সেই ঋণ দিয়া বেঙ্কৰ হাতত তুলি দিব লাগে। সেই প্ৰতিষ্ঠান পৰিচালনা কৰাটো আকৌ তেনে বেঙ্কৰ কাম নহয়। চহকী পুঁজিবাদী দেশৰ কোনো আগ্ৰহী কোম্পানীক সেই স্বত্ব বেঙ্কে বিক্ৰি কৰি দিয়ে আৰু নগদ ধন লাভ কৰি ঋণৰ প্ৰক্ৰিয়াক অব্যাহত ৰাখে। গতিকে তৃতীয় বিশ্বৰ ঋণৰ ওপৰত ভিত্তি কৰি বিশ্বত এখন সমান্তৰাল বজাৰ সৃষ্টি হোৱা আমি দেখা পালোঁ; এই বজাৰখনক ফাটকা বজাৰ বুলিবও পাৰি। তৃতীয় বিশ্বৰ মুঠ ধাৰৰ পৰিমাণ এতিয়া এহাজাৰ বিলিয়ন ডলাৰতকৈও অধিক। ইয়াৰে আধা ধাৰ আহিছে উন্নত পুঁজিবাদী দেশবোৰত অৱস্থিত বহুজাতিক ব্যক্তিগত বেঙ্কবোৰৰ পৰা। এই বেঙ্কবোৰৰ বিৰাট বৃদ্ধি আন্তৰ্জাতিক লগ্নী পুঁজিৰ এটা নতুন দিশ। এই বেঙ্কবোৰেই তৃতীয় বিশ্বৰ পৰা চহকী পুঁজিবাদী দেশলৈ হোৱা পুঁজি প্ৰবাহ [Capital flight] ক নিয়ন্ত্ৰিত কৰে। এই বেঙ্কবোৰ কেনেকৈ ইমান ধনী হ'ল ?

আমেৰিকাৰ ক্ৰমবৰ্দ্ধমাণ আমদানী আৰু ধাৰাবাহিক বাণিজ্য-ঘাটিৰ ফলত সেই দেশৰ বিৰাট পৰিমাণৰ ডলাৰ ইউৰোপ আৰু অন্যান্য বাণিজ্য কেন্দ্ৰবোৰত জমা হব লৈ ধৰে। তাৰ লগতে ১৯৭৩ আৰু '৭৯ চনত তেলৰ দাম বৃদ্ধি কৰাৰ ফলত তেল ৰপ্তানীকাৰী দেশবোৰৰ পৰা প্ৰভূত পৰিমাণৰ 'পেট্ৰ-ডলাৰ' গৈ সেই বেঙ্কবোৰত জমা হয়। বহু দেশৰ কেন্দ্ৰীয় বেঙ্কেও [যেনে, ভাৰতৰ ৰিজাৰ্ভ বেঙ্ক] আন্তৰ্জাতিক বিনিময়যোগ্য চলমান মুদ্ৰা সেই বেঙ্কবোৰত জমা ৰাখে। সৰ্বোপৰি, দুখীয়া দেশবোৰৰ সম্পদশালী শ্ৰেণীটোৱে নিজৰ অগাধ ধন সম্পদ দেশৰ বাহিৰলৈ উলিয়াই সেই বেঙ্কবোৰত জমা কৰে। চুইচ বেঙ্ক আৰু অজিতাভ বচ্চনৰ কাহিনী অলপদিনৰ আগতে প্ৰচলিত হৈছিল। চুইচ বেঙ্কৰ উপৰিও বাহামা, চিঙ্গাপুৰ, হংকং আদি নিয়ন্ত্ৰণ বিহীন ঠাইবোৰত অৱস্থিত তেনে বেঙ্ক সমূহত দুখীয়া দেশৰ ধন-কুবেৰহঁতে অগাধ ধন গোপনে নি জমা কৰিছেগৈ। এনেদৰেই উন্নত কেন্দ্ৰবোৰলৈ ধাৰাসাৰ পুঁজিৰ সোঁত বৈছে আৰু স্ফীতোদৰ হৈ পৰিছে আন্তৰ্জাতিক পুঁজি বজাৰ। এই পুঁজি ব্যক্তিগত বাণিজ্যিক বেঙ্ক বা ঋণ সংস্থাবোৰে বিনিয়োগ কৰিবলৈ লয় নিউ-য়ৰ্ক, লণ্ডণ, টকিও, চিডনী আদি মেট্ৰপলিটান কেন্দ্ৰৰ স্টক এক্‌চেঞ্জবোৰত।



আমেৰিকাই বাজেট আৰু বাণিজ্য ঘাটি জোৰা মাৰিবলৈ উচ্চ হাৰৰ সুদৰ বিনিময়ত এই পুঁজিকে আমেৰিকালৈ নিমন্ত্ৰিত কৰে আৰু অৱশেষত আমে-ৰিকাত ক্ৰমবৰ্দ্ধমান মন্দাৱস্থা আৰু ডলাৰৰ মূল্য অহৰহ হ্ৰাস পাবলৈ ধৰে— যাৰ চূড়ান্ত ফল ওৱাল-ষ্ট্ৰিটৰ ১৩ অক্টোবৰৰ পতন।

যি কি নহওক, এই পতন ওৱাল ষ্ট্ৰিটত হলেও তাৰ ভয়াবহ প্ৰতিক্ৰিয়া লণ্ডণ, টকিও, চিডনী আদিতো পৰে। বিশ্বৰ প্ৰধান স্টক্ মাৰ্কেট-বোৰ টেলিসংযোগৰ দ্বাৰা আজিকালি অবিভাজ্য হৈ পৰিছে।

ষ্টক্ মাৰ্কেটবোৰ ক্ৰমান্বয়ে বেছিকৈ পৰাশ্ৰয়ী হৈ পৰিছে। বাস্তব অৰ্থনীতিৰ লগত সম্পৰ্ক সি খুব কমেই ৰাখে। শ্বেয়াৰ বা অংশবোৰৰ দাম যধে মধে বঢ়াই তোলা হৈছিল। হ্ৰস্বম্যাদী আৰু ক্ষিপ্ৰ লাভৰ বাবে ফাট্‌কা কাৰবাৰ বা 'স্পেকুলেশ্যাণ' তাৰ মূল কাম হৈ পৰে। বিভিন্ন প্ৰতিষ্ঠানৰ একীকৰণ (merger) আৰু অধিগ্ৰহণ (take over) আদি কাৰ্যকলাপ বৃদ্ধি পায়। শ্বেয়াৰৰ মূল্যমান অনিয়ন্ত্ৰিত হৈ পৰে আৰু শ্বেয়াৰৰ মূল্য বঢ়া-টুটা কৰাৰ সম্ভাব্যতাৰ ওপৰত ভিত্তি কৰি অন্য এক মুদ্ৰা বজাৰ গঢ় লৈ উঠে, যি বজাৰৰ একমাত্ৰ পণ্য হ'ল 'ভৱিষ্যত', অৰ্থাৎ শ্বেয়াৰৰ অনিশ্চিত ভৱিষ্যতৰ বাবে শ্বেয়াৰ বেচা-কিনা ব্যৱসায়। লণ্ডনত এনে এক প্ৰতিষ্ঠান আছে যাৰ নামেই হ'ল—'ইণ্টাৰনেশ্যনেল ফিনান্সিয়েল ফিউচাৰচ্ একছেঞ্জ।'

এনেদৰেই এতিয়া পুঁজিবাদী অৰ্থনীতিত ঘণীভূত হোৱা প্ৰচণ্ড সংকটৰ ফলত বিশ্ব পুঁজিবাদী ব্যৱস্থাৰ নতুন স্তৰৰ পুনৰ বিন্যাস অপৰিহাৰ্য্য হৈ উঠিছে। পুঁজিবাদী কেন্দ্ৰবোৰৰ মাজতো বিন্যাস প্ৰক্ৰিয়াৰ লগে লগে সংঘাত দেখা গৈছে, যেনে পশ্চিম ইউৰোপ আৰু জাপানৰ লগত আমেৰিকাৰ বাণিজ্য যুদ্ধ (trade-war); কোৰিয়াৰ শক্তি বৃদ্ধি আদি। সংকট অতিক্ৰম কৰাৰ বাবে পুঁজিবাদী বিশ্বই এতিয়া সন্ধান লৈছে নতুন স্তৰৰ উদ্ভাৱনৰ (উদাহৰণ স্বৰূপে, চুপাৰ-কনডাক্টিভিটি গবেষণাৰ অগ্ৰগতি), সন্ধান লৈছে নতুন স্তৰৰ ঋণ-শৃংখলাৰ (debt-order)। কিন্তু বিশ্বব্যাপী মন্দা আৰু ঋণ-সংকটৰ ফলত পুঁজিবাদ আজি ইতিহাসৰ জটিলতম পৰীক্ষাৰ মুখামুখী হ'ব লগা হৈছে।

সমাগত বছৰবোৰত স্বাভাৱিক ভাৱেই তৃতীয় বিশ্বৰ শোষণ হৈ পৰিব অধিক ভয়াবহ। বিশ্বৰ শ্ৰমিক শ্ৰেণীক শৃংখলিত কৰি ৰখা একচেতীয়া পুঁজি অধিক সংহত হৈ উঠাৰ চেষ্টা কৰিব আৰু তথাকথিত 'কল্যাণকামীতা', পপুলিজ্‌ম্ আদি অকাতৰে সি বিসৰ্জন দি অধিক নিৰ্মম হৈ পৰিব। সংকটত আকণ্ঠ ডুব যোৱা শাসকহঁতে যুগে যুগে তাকে কৰি আহিছে।

OKDISCD

গ্ৰন্থ পৰিচয় ঃ

# বিহাৰৰ বহ্নিমান শস্যক্ষেত্ৰৰ সংবাদ

অজিত চৌধুৰী



কৃষকে সংগ্ৰাম কৰে, বিজয়ী হয়, তাৰ পাছত তেওঁলোক নিজ নিজ ক্ষেত্ৰলৈ ঘূৰি যায়, মুখ্য ভূমিকাত অৱতীৰ্ণ হয় আমোলা আৰু নতুন মুখৰ জমিদাৰহঁত। কমিউনিষ্ট পাৰ্টিয়ে সেইটো হবলৈ নিদিয়ে। যেতিয়া সকলোৱে বিহাৰৰ কৃষকসকলক অস্ত্ৰ সম্বৰণ কৰিবলৈ কৈছে তেতিয়া কমিউনিষ্ট পাৰ্টিয়ে তেওঁলোকক দিছে বন্দুক আৰু সমস্ত বঞ্চিত সংগ্ৰামী মানুহৰ দৰ্শন ঃ মাৰ্ক্সবাদ। ইয়ো এক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ ইতিহাস তুলি ধৰিছে এই গ্ৰন্থই— 'বিহাৰৰ বহ্নিমান শস্য-ভূমিৰ পৰা' গ্ৰন্থখনিয়ে কৃষকসকল কমিউনিষ্ট হোৱাৰ প্ৰক্ৰিয়াটো দেখুৱাইছে।

গ্ৰন্থ ঃ বিহাৰৰ বহ্নিমান শস্যক্ষেত্ৰৰ সংবাদ ঃ
[ REPORT FROM THE FLAMING FIELDS OF BIHAR : A C.P.I ( M-L ) DOCUMENT ]
প্ৰকাশক ঃ PROBODH BHATTACHARYA,
10 B, RMDG LANE, CALCUTTA-10
দাম ঃ ট. ৫০.০০

বিশ্ব পুঁজিবাদ কোন পথে ০ ০ ০

শ্ৰমিক শ্ৰেণীৰ ওপৰত সহস্ৰ অজুহাতত ইতিমধ্যেই আক্ৰমণ নামি আহিছে, আক্ৰমণ নামি আহিছে গণতন্ত্ৰ আৰু স্বাধীনতাৰ ওপৰত। ভাৰতবৰ্ষত আধুনিকীকৰণৰ নামত ছাটাই, দক্ষতাৰ নামত কামৰ দুৰ্বহ বোজা জাপি দিয়া, অপচয় হ্ৰাসৰ নামত তলাবন্ধ আৰু প্ৰকৃত মজুৰি হ্ৰাস, ৰাজহুৱা খণ্ডত অধিক কঠোৰ পুঁজিবাদী অনুশাসন বজায় ৰখাৰ ব্যৱস্থা—এইবোৰ সততে ঘটি আছে।

ভাৰতবৰ্ষৰ দৰে দেশত পুঁজিবাদৰ উজু, সৰল বিকাশ অসম্ভৱ। অত্যন্ত মন্থৰ আৰু বিকৃত ভাবেই সি সম্ভৱপৰ। ইতিমধ্যে সৰ্বদেহত তাৰ পঙ্গুত্বৰ আভাষ। এই ব্যৱস্থাই ভাৰতৰ শ্ৰমিক শ্ৰেণীৰ আনুষ্ঠানিক নেতৃত্বক নিশ্চয় অঙ্গীভূত কৰি লোৱাত বহুতৰ সফল হৈছে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে ভাৰতৰ শ্ৰমিক শ্ৰেণীও ব্যৱস্থাটোৰ দৰেই পঙ্গু, অথৰ্ব। নতুন নেতৃত্ব, নতুন স্তৰৰ সংগ্ৰামৰ আহ্বানে শ্ৰমিক আন্দোলনক এখন নতুন সমাজৰ অভিমুখে দুৰ্বাৰ কৰি তুলিব। আহত বাঘৰ দৰে হিংস্ৰ আৰু ৰক্ত পিপাসু বিশ্ব পুঁজিবাদৰ উদ্যত আক্ৰমণৰ বিৰুদ্ধে ঠিয় হোৱাৰ এই একেটি মাত্ৰ পথেই আজি আমাৰ সন্মুখত খোলা আছে। ●



আমি মাও জে দঙৰ হুনান ৰিপৰ্ট পঢ়িছো। ট্ৰট্স্কিৰ কৃষক বিদ্ৰোহ বিষয়ক ৰচনা পঢ়িছোঁ। তাৰ পৰা প্ৰথম শাৰীৰ কমিউনিষ্ট নেতাসকলে কৃষক বিদ্ৰোহক কেনেভাৱে চায় তাক জনাৰ সুযোগ পাইছোঁ। তদুপৰি আমি কৃষকসকলৰ অৱস্থানৰ পৰা কৃষক বিদ্ৰোহ পঢ়িছোঁ। কিন্তু এই প্ৰথম ভাৰতবৰ্ষত এনে এখন গ্ৰন্থ লেখা হ'ল য'ত বিদ্ৰোহী কৃষক বিপ্লৱী কমিউনিষ্টত পৰিণত হোৱাৰ সমস্যাটোক বিশ্লেষণ কৰা হৈছে। বিদ্ৰোহী চেতনাৰ উত্তৰণ এই গ্ৰন্থৰ আলোচনাৰ বিষয় বস্তু। বিদ্বান বুদ্ধিজীৱিসকলে এই সমস্যাটো বিশ্লেষণ কৰিব নোৱাৰে। কেৱল তেওঁলোকৰ শ্ৰেণীগত অৱস্থানৰ বাবেই নহয়, তেওঁলোকৰ এই ইমাজিনেশ্বন নাই। হয়, তেওঁ-লোকৰ সময় আছে, পাণ্ডিত্য আছে, ইমাজিনেশ্বন নাই, যিটো এই গ্ৰন্থৰ লিখক সকলৰ আছে।

বিহাৰৰ কৃষক তেলেঙ্গানা আৰু নক্সালবাৰীৰ এক স্থায়িত্ব আৰু ধাৰাবাহিকতা। নক্সালবাৰীৰ বিদ্ৰোহী কৃষক বিহাৰৰ কৃষকত আজি বিদ্যমান। আকৌ নক্সালবাৰীৰ কৃষকৰ পৰা সি ভিন্ন, নক্সালবাৰীৰ কৃষকক সি অতিক্ৰম কৰে। অতিক্ৰমণ, এই হেগেলীয় বৰ্গটোৱে স্থায়িত্ব আৰু ধাৰাবাহিকতা একেলগেই ধাৰণ কৰে। বিহাৰৰ কৃষকে সংগ্ৰামক এটি প্ৰক্ৰিয়াৰূপে জানে যাৰ বিভিন্ন স্তৰ আৰু দিশ আছে। তেলেঙ্গানাৰ কৃষকে এইটো নাজানিছিল, যাৰ ফাঁকে ফাঁকে আহিছিল ৰণদিভে আৰু দাঙ্গে।

বিহাৰৰ কৃষকে গান্ধী আৰু জয়প্ৰকাশ ধাৰাৰ পৰিচয় জানে আৰু তাক অতিক্ৰম কৰে। কিতাপখনৰ প্ৰাৰম্ভতে বিনোদ মিশ্ৰৰ এটি ভূমিকাই ভাৰতবৰ্ষৰ কৃষক বিদ্ৰোহৰ মানচিত্ৰত বিহাৰৰ কৃষক আন্দোলনৰ বৈশিষ্ট্যক চিহ্নিত কৰি দেখুৱাইছে।

গ্ৰন্থখন 'চাবঅলটাৰ্ণ' চিন্তাধাৰাৰ এটি সচেতন সমালোচনা। এই চিন্তা ধাৰাই ইতিহাসক নিম্নবৰ্গৰ দৃষ্টিকোণেৰে দেখে। বিদ্ৰোহী চেতনাৰ পৰিবৰ্তনৰ আলোচনাও কৰে, বিদ্ৰোহী চেতনাৰ উপাদান সমূহক তেওঁলোকে এটি ব্যৱস্থাৰ অঙ্গ হিচাবে দেখে। কিন্তু এই চিন্তাধাৰাই ব্যৱস্থাটিৰ—বিশ্লেষণ আৰু তাৰ পৰিৱৰ্তন ব্যাখ্যা কৰিব নোৱাৰে। বিদ্ৰোহী চেতনাৰ অন্তিম মুহূৰ্তবোৰ চাবঅলটাৰ্ণ চৰ্চাৰ ভিতৰলৈ নাহে। চাবঅলটাৰ্ণ চৰ্চাত বিদ্ৰোহী কৃষকে সকলো ওলট-পালট কৰি দিব বিচাৰে। বিহাৰৰ বিদ্ৰোহী

OKDISCD

কৃষক সম্পূৰ্ণ স্বকীয়া। তেওঁলোকে জমিদাৰৰ সা-সম্পত্তি দখল কৰে—আৰু তাক বিতৰণ কৰে। চাবঅলটাৰ্ণধাৰাৰ কৃষকে জমিদাৰৰ 'স্টেটাচ চিম্বল'বোৰ ধ্বংস কৰে। বিহাৰৰ বিদ্ৰোহী কৃষকে জমিদাৰৰ শস্য নষ্ট নকৰে, খায়। চাবঅলটাৰ্ণ চেতনাৰ কৃষকৰ দৰে পাপবোধ তেওঁলোকৰ নাই, চাবঅলটাৰ্ণ সমাজ বিজ্ঞানীৰ পাপবোধৰ দ্বাৰা তেওঁলোক সংক্ৰামিত নহয়। মাজে সময়ে কৃষক বিদ্ৰোহ নৈৰাজ্যবাদী হয়, কমিউনিষ্ট পাৰ্টিয়ে তেতিয়া হস্তক্ষেপ কৰে। নৈৰাজ্যবাদী সকলৰ লগত কমিউনিষ্ট পাৰ্টিয়ে একেলগে কামকাজ কৰে। নৈৰাজ্যবাদে ক্ৰমশঃ ইতিবাচক মৰ্মবস্তু পায় অৰ্থাৎ নৈৰাজ্যবাদ ধ্বংস হয়। গ্ৰন্থখনিয়ে এজন নৈৰাজ্যবাদীৰ পৰিবৰ্ত্তনৰ দৃষ্টান্ত দিছে: এজন নৈৰাজ্যবাদী যুৱক—চোৰ ডকাইত নহয়, আদৰ্শবাদী। তেওঁ প্ৰতিবাদ কৰে, প্ৰতিৰোধ কৰে, কৃষক সকলক সংগঠিত কৰে, কিন্তু বিৰাট সমাজখনৰ কথা তেওঁৰ চিন্তাত নাই, তেওঁ উদ্দেশ্য বিহীন। কমিউনিষ্ট পাৰ্টিয়ে নৈৰাজ্যবাদক দলিয়াই পেলোৱা নাই, সৰ্বস্ত যুক্ত কৰিছে, পৰিবৰ্ত্তিত কৰিছে। যুৱকজন আজি এজন নিষ্ঠাবান কমিউনিষ্ট।

এতিয়া আমি এটা প্ৰশ্ন ৰাখিম। গ্ৰন্থখনৰ পৰা আমি গম পালো যে বিহাৰৰ কৃষক আন্দোলনৰ মূল ঘাঁটিবোৰত পুৰণি ধৰণৰ জমিদাৰতন্ত্ৰ কিছু দুৰ্ব্বল, নতুন উৎপাদন পদ্ধতিৰ প্ৰচলন হৈছে। আমাৰ প্ৰশ্ন হল: আধুনিক উৎপাদন পদ্ধতিয়ে শ্ৰেণী বিন্যাস পৰিবৰ্ত্তিত কৰে; এই অৱস্থা কি বিপ্লৱী সকলৰ সহায়ক? বিহাৰৰ ব্যাপক অঞ্চলত পুৰণা জমিদাৰহঁত দুৰ্ব্বল হৈ পৰিছে পুঁজিবাদৰ ধাক্কাত, অন্যহাঁতে নতুন পুঁজিবাদী জমিদাৰহঁতেও পঞ্জাব, হাৰিয়ানাৰ দৰে নিজৰ ৰাজত্ব কায়েম কৰিব পৰা নাই। এই বস্তুগত চৰ্ত্ত সমূহৰ লগে লগে অন্যান্য ধাৰাৰ লগতে কমিউনিষ্ট বিপ্লৱী সকলৰ আন্দোলনে আত্মগত চৰ্ত্ত সমূহ গঢ়ি তুলিছে। তাৰ মিলিত ফল হিচাবেই বিহাৰৰ কৃষক আন্দোলনে এই বিশাল গুৰুত্ব অৰ্জন কৰিছে নে কি? প্ৰশ্নটোৰ বিশদ বিশ্লেষণৰ গুৰুত্ব আছে।

উৎপাদন প্ৰথাৰ (mode of production) বিতৰ্ক পঢ়ি ধাৰণা হৈছে যে পৰিবৰ্ত্তিত উৎপাদন পদ্ধতিয়ে উপৰিকাঠামাত অনা পৰিবৰ্ত্তনবোৰ পৰিস্কাৰ হোৱা নাই। পুঁজিবাদে এই পৰিবৰ্তন সমূহক নিজস্বভাৱে ব্যৱহাৰ কৰে। প্ৰগতিশীল বুদ্ধিজীৱি সকলে এই বিষয়ে আলোচনা কৰিব পাৰে, কিন্তু সমস্ত প্ৰশ্নৰ উত্তৰ একমাত্ৰ কমিউনিষ্ট বিপ্লৱী সকলেই দিব পাৰে।



কাৰণ বিপ্লৱী অনুশীলন অবিহনে মাৰ্ক্সবাদী সমাজ বিজ্ঞান অধ্যয়নৰ কোনো সহজ পথ নাই। গ্ৰন্থখন পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ জনাৰ প্ৰলোভন হৈছে। 'মাইক্ৰোস্তৰত নহলেও থুলমূলকৈ গ্ৰন্থখনত এই বিষয়ৰ এটি আলোচনাৰ সূত্ৰপাত হৈছে ষষ্ঠ অধ্যায়ত—'বিহাৰৰ গ্ৰামাঞ্চলৰ পৰিবৰ্তিত শ্ৰেণীবিন্যাস।' আমি গম পালো যে নতুন উৎপাদন পদ্ধতিয়ে নিম্নজাতক শ্ৰেণীগত ভাৱে ওপৰলৈ আনিছে। এই 'নিচ জাত'ৰ নতুন জমিদাৰহঁতে গোষ্ঠী চেতনাৰ জড়িয়তে দৰিদ্ৰ মানুহক নিজৰ প্ৰভাৱলৈ আনিছে, গঢ়ি তুলিছে ভূমি সেনা ইত্যাদি। বিপ্লৱী পৰিস্থিতি বুজিবলৈ হ'লে শ্ৰেণী সম্পৰ্কৰ লগতে যে জাত পাতৰ প্ৰশ্নটিও আলোচনা কৰিব লাগিব সেইটো এই অসাধাৰণ অধ্যায়টোৱে স্পষ্ট কৰি দিছে। মাও পৰৱৰ্ত্তী কালত কৃষিত শ্ৰেণীবিন্যাস আলোচনাত এই অধ্যায়টি পৰিগণিত হ'ব প্ৰাৰম্ভিক বিন্দু হিচাবে।

মধ্য কৃষক সম্পৰ্কীয় আলোচনাও অতীব গুৰুত্বপূৰ্ণ। মধ্য কৃষকসকলৰ সামাজিক সম্পৰ্ক জটিল ধৰণৰ। বিপ্লৱৰ পক্ষত তেওঁলোকক কেনেকৈ পৰিচালিত কৰিব লাগিব সেই আলোচনা আমি 'ইকনমিক এণ্ড পলিটিকেল উইকলি'ত নাপাওঁ। উৎসা পট্টনায়কে যেতিয়া মধ্যকৃষকসকলৰ ওপৰত হোৱা শোষণৰ হাৰ পৰিমাপ কৰে, বিপ্লৱী কমিউনিষ্টসকলে তেতিয়া বিচাৰে তেওঁলোকৰ মাজত বিপ্লৱী হোৱাৰ সম্ভাৱনা। উৎসাৰ চিন্তাৰ বিন্দু হ'ল সংস্কাৰ, সেয়ে শোষণৰ হাৰ। কমিউনিষ্টসকলৰ চিন্তাত অন্য প্ৰশ্ন, অন্য উত্তৰ। কমিউনিষ্ট পাৰ্টিয়ে যাদবসকলৰ শোষণৰ হাৰ পৰিমাপ নকৰে, তেওঁলোকক লাল সেনাত পৰিণত কৰে।

গ্ৰন্থখন পঢ়ি বহু বিষয় জানিব পৰা গ'ল। আৰু কিছু জনাৰ ইচ্ছা থাকিল। প্ৰতিৰোধ, নিস্পেষণ আদিৰ মৌল সমূহ 'মাইক্ৰো'স্তৰৰ প্ৰতিবেদন সমূহত পুৰাপুৰিকৈ স্পষ্ট নহল। আন্দোলনৰ ঘাঁটিবোৰৰ ইতিহাস আৰু বৈশিষ্ট্য সম্পৰ্কে বিশেষ অনুসন্ধানৰ অনুৰোধ থাকিল; লগতে পৰিবৰ্তিত শ্ৰেণীবিন্যাসে কেনেকৈ বিপ্লৱক সহায় কৰে, আৰু বিপ্লৱীসকলে তাক কেনেভাৱে কামত লগাইছিল বা লগাব নোৱাৰিলে সেই সম্পৰ্কে অধিক আলোচনাৰ বাবেও দাবি থাকিল। [উৎস: সমাজ বিজ্ঞান]।

OKDISCD

# নাৰী ঃ ১৯৮৭ৰ 'পোৰ্ট্ৰেইট'



চাৰি হাজাৰ জনতাই আগুৰি লৈ সাতমাহৰ আগতে স্কুল এৰি অহা গাভৰুজনীক তাইৰ মৃত স্বামীৰ লগতে চিতাত তুলি দিছে, আতংকত তাই বেহুচ হৈ পৰিছে, মুখেৰে ফেন ওলাইছে, জুয়ে তাইৰ ভৰি দুখন পুৰিছে, কলহে কলহে ঘিউ ঢালি দিয়া হৈছে, অৰ্দ্ধদগ্ধা ৰূপ কানোৱাৰ চিতাৰ জুইতে চিৎ হৈ পৰিছে, জুয়ে তাইৰ গোটেই দেহ আৱৰি পলকতে ছাই কৰি পেলাইছে। উন্মত্ত জনতাই বিমুগ্ধ দৃষ্টিৰে চাই আছে সেই দৃশ্য আৰু চিৎকাৰ কৰিছে 'সতী'ৰ নাম মাহাত্ম্য ! ..........

এতিয়া কোনো সন্দেহেই নাই যে ৰূপ কানোৱাৰ এই দেশত 'সতী'ৰ সৰ্বশেষ উদাহৰণ নহয়— বৰং মধ্যযুগৰ দিশলৈ বলিষ্ঠ খোজেৰে আগবঢ়াৰ বাবে এই ঘটনাই এক উপযুক্ত পৰিবেশ গঢ়ি তুলিলে। পুণৰুত্থান বাদৰ ৰূপত অন্ধকাৰ যুগৰ প্ৰবলশক্তি পুনৰ সংহত আৰু সক্ৰিয় হৈ উঠিল, লাভ কৰিলে তাৰ প্ৰয়োজনীয় ৰাজনৈতিক বল বিক্ৰম আৰু ৰাষ্ট্ৰীয় অনুমোদন। এতিয়ালৈকে সংসদৰ কোনো দলেই এই বিভীষিকাৰ বিৰুদ্ধে প্ৰত্যাখ্যান জনাব পৰা নাই ; স্বয়ং প্ৰধান মন্ত্ৰীয়ে 'সতী'ৰ প্ৰসঙ্গত সুদীৰ্ঘ তেইশ দিন ধৰি এটি মন্তব্যও নকৰিলে। 'সতী'ৰ বিৰুদ্ধে প্ৰতিবাদৰ ঢৌ 'সতী প্ৰথা বিৰোধী বিল'তে মাৰ গ'ল।

মধ্যযুগীয় প্ৰতিক্ৰিয়াৰ লগত সাম্প্ৰতিক ৰাজনীতিৰ এই যোগসূত্ৰৰ বাবেই সমাজ ব্যৱস্থাৰ এনে বিকৃতি আৰু অধঃপতন ঘটিছে। টি. ভি, চিনেমা-হলৰ পৰ্দাত গাভৰুৰ নগ্নদেহৰ উপাসনা আৰু বাস্তৱত 'সতী'ৰ মানসিকতা প্ৰচাৰ কৰি এই ব্যৱস্থাই নাৰীক এটা হাজাৰ বছৰীয়া 'ষ্টেচু'ত পৰিণত কৰিছে। এই ক্ষয়াক্ৰান্ত সমাজৰ প্ৰহৰীহঁতৰ বিৰুদ্ধে পৰিচালিত সংগ্ৰামেই বহন কৰিছে নাৰীৰ মানবীয় মৰ্য্যদা, মুক্তি আৰু গতিৰ অমোঘ বীজ।

## সমৰ সেন

আত্মপ্ৰচাৰ আৰু প্ৰতিষ্ঠাৰ মোহৰ পৰা বহু দূৰৈত থাকিও জনগণৰ প্ৰতি অপৰিসীম দায়বদ্ধতা স্বীকাৰ কৰি কঠোৰ নিষ্ঠাৰে কাম কৰি যোৱা গুণৰ উজ্জ্বল নিদৰ্শণ আছিল সমৰ সেন।



সমৰ সেন
জন্ম ঃ ১৯১৬ চন
মৃত্যু ঃ ২৩ আগষ্ট, ১৯৮৭ চন।

কলিকতা বিশ্ববিদ্যালয়ৰ কৃতি ছাত্ৰ সেন ত্ৰিছ বছৰ বয়সৰ আগতেই সমাদৃত হৈছিল বঙালী সাহিত্যৰ ৰবীন্দ্ৰপৰৱৰ্ত্তী যুগৰ শ্ৰেষ্ঠতম কবি সকলৰ অন্যতম ৰূপে। কিন্তু জীৱনৰ পৰৱৰ্ত্তী চল্লিছ বছৰত তেখেতে এটি কবিতাও প্ৰকাশ কৰা নাছিল।

সাংবাদিক হিচাবে 'দি ষ্টেট্‌চ্‌মেন' আৰু 'হিন্দুস্থান ষ্টেণ্ডাৰ্ড'ৰ দৰে প্ৰতিষ্ঠিত সংবাদ-পত্ৰৰ গুৰুত্বপূৰ্ণ পদত অধিস্থিত হৈও তেখেতে ১৯৬৪ চনত অখ্যাত সাপ্তাহিকী 'Now' ৰ সম্পাদকৰ দায়িত্ব লয় আৰু ১৯৬৮ চনৰ এপ্ৰিলৰ পৰা নিজস্ব সাপ্তাহিকী 'FRONTIER' প্ৰকাশ কৰিবলৈ লয়।

লেখক হিচাবে থকা তেখেতৰ বিৰাট প্ৰভাৱ আৰু ক্ষমতা সুখ-সম্পদ আহৰণৰ বাবে কদাপি ব্যৱহৃত নহৈছিল ; তেখেতে দূৰলৈ ঠেলি দিছিল সেই সমস্ত স্বাচ্ছন্দ্য, আৰাম, প্ৰাচুৰ্য্য।

'ফ্ৰন্টিয়াৰ' তেখেতৰ দুৰ্লভ ব্যক্তিত্বৰ প্ৰতিৰূপ হৈ উঠাৰ লগে লগে সাহসী, উদ্দেশ্যধৰ্মী আৰু নীতিনিষ্ঠ সাংবাদিকতাৰ এক জীৱন্ত দলিলত পৰিণত হৈছিল।

তেখেতৰ গভীৰ জীৱনবোধ অৰ্থাৎ বিপ্লৱী বাস্তৱতাৰ লগত নিভাঁজ আত্মীয়তাই গৌৰৱাই দিয়ে বঙ্গৰ বিপ্লৱী বুদ্ধিজীৱি সকলৰ সেই প্ৰজন্মলৈ যি আজিও ভাৰতৰ বামপন্থী আন্দোলনক অনুপ্ৰাণিত কৰি আছে।

OKDISCD

# সমকালীন মাৰ্ক্সবাদ

Memo No. K A C 4/87

প্ৰথম বছৰ ● তৃতীয় সংখ্যা ● জানুৱাৰী/১৯৮৮ ● মূল্য ৫ টকা

## ঃ এক যুৱকৰ স্বগতোক্তি ঃ

দিলীপ হুছেইন॥

মই কান্দি উঠোঁ প্ৰিয়া
মই কান্দি উঠোঁ—
যেতিয়া কোনো সুন্দৰ সন্ধীয়া
তুমি আহি যাচি দিয়া
এটি মৰমৰ চুমা,
আৰু আন কোনো স্বামীয়ে
ৰাতিৰ আহাৰৰ চিন্তাত
পত্নীৰ চকুলৈ চাই থাকে
বিষাদিত ভাৱে;-মই কান্দিউঠোঁ।

মই কান্দি উঠোঁ প্ৰিয়া
মই কান্দি উঠোঁ-
যেতিয়া কোনো অযোগ্য অফিচাৰৰ
মুঠিৰ মাজত খচ খচ
এশ টকাৰ নোটবোৰে লৰচৰ
কৰে, আৰু
আন কোনোবা শিক্ষিত যুৱকৰ
পিঠিত ওলমি থকা ৰাইফলটোৱে
ক্লিক ক্লিক ক্লিক ক্লিক
শব্দ কৰে।

মই কান্দি উঠোঁ প্ৰিয়তমা—
যেতিয়া কোনো মাতৃয়ে
সন্তানলৈ চাই খোলা খোলা
হাঁহিবোৰ মাৰে,
আৰু আন কোনোবা মাতৃয়ে
চুৰনিয়ে বাঁহনিয়ে কটোৰা
পলাতক পুত্ৰৰ বাবে চকুপানী
টোকে।

সমকালীন প্ৰকাশনাৰ হৈ শ্ৰীপ্ৰবীৰ বৰঠাকুৰৰ দ্বাৰা প্ৰকাশতি আৰু মুদ্ৰিত
লাৱণ্য আৰ্ট প্ৰেছ, পশ্চিম শান্তিপুৰ, গুৱাহাটী-৭৮১০০৯
সম্পাদক—শ্ৰীপ্ৰবীৰ বৰঠাকুৰ